Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, APRIL 24, 2025 ■ বৃহস্পতিবাৰ, ১০ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৬ Guwahati, Assam ।। মূল্যঃ এটকা

# পৰ্দাৰ আঁৰত লুকাই সাৰি যাব নোৱাৰিব পাকিস্তান



## বৰফৰ শুভ্ৰ দলিচাত তেজৰ চেকুৰা! নিৰীহৰ মৃত্যুত শোকস্তব্ধ বিশ্ব

পেহেলগাম, ২৩ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ শুভ্ৰ বৰফৰ দলিচাৰে বৈ গ'ল তেজৰ সুঁতি! অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰৰ পিছত সংঘটিত সৰ্ববৃহৎ সন্ত্ৰাসবাদী আক্ৰমণত ২ নং পৃষ্ঠাত

## ইছলমাবাদক প্ৰত্যুত্তৰ দিব ভাৰতে

### নিৰাপত্তা বৈঠকৰ পিছতে স্পষ্ট বাৰ্তা প্ৰদান প্ৰতিৰক্ষা মন্ত্ৰীৰ

নতুন দিল্লী, ২৩ এপ্ৰিলঃ কাশ্মীৰত সংঘটিত ৰক্তাক্ত পেহেলগাম আক্ৰমণৰ পিছত প্ৰত্যুত্তৰ ৬ পৃষ্ঠাত

## সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজ দি বীৰগতি আদিলৰ



শ্ৰীনগৰ, ২৩ এপ্ৰিলঃ আকৌ ৰক্তাক্ত হৈ পৰিল প্ৰকৃতিৰ ভূস্বৰ্গ। জম্মু-কাশ্মীৰৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰিবলৈ দেশ-বিদেশৰ পৰা অহা পৰ্যটকৰ ওপৰত পেহেলগামত ৩ পৃষ্ঠাত

## ৰাজনীতিৰ নহয়, কংগ্ৰেছৰ ঐক্যৰ বাৰ্তা



নতুন দিল্লী, ২৩ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ৩ পৃষ্ঠাত

## পাকিস্তানৰ সৈতে জলসিন্ধু প্ৰকল্প বাতিল

### খালী কৰিব দূতাবাস

নতুন দিল্লী, ২৩ এপ্ৰিলঃ বাৰে বাৰে সকীয়নি দিয়াৰ পিছতো চিধা ৩ নং পৃষ্ঠাত

## 'হিমন্তই ধ্বংস কৰিছে গণতন্ত্ৰ'


গুৱাহাটী, ২৩ এপ্ৰিলঃ অসমত গণতন্ত্ৰক হত্যা কৰাৰ অপচেষ্টা চলাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৩ পৃষ্ঠাত

### 'ইতিহাসে মনত ৰাখিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশ্বাসঘাতকতা'

# বন্ধ নিযুক্তি! সেনা জোৱান ১ লাখ ৮০ হাজাৰ পৰ্যন্ত হ্ৰাস

### সেনাৰ প্ৰাক্তন মেজৰ জেনেৰেল বক্সিৰ ক্ষোভ

● ধন ৰাহি কৰাৰ নামত কেন্দ্ৰই সেনাত নিযুক্তি স্থগিত ৰখাৰ অভিযোগ, পৰ্যাপ্ত অস্ত্ৰ নাই সেনাৰ হাতত





নতুন দিল্লী, ২৩ এপ্ৰিলঃ এক নাৰকীয় হত্যাকাণ্ডত কঁপি উঠিছে সমগ্ৰ দেশ। ভূ-স্বৰ্গ কাশ্মীৰত আকৌ উঠা মৃত্যুৰ কিৰীলিয়ে ৩ পৃষ্ঠাত

## বিটিচিৰ বাজেট দাখিল প্ৰমোদ বড়োৰ

ই-সংবাদ, কোকৰাঝাৰ, ২৩ এপ্ৰিলঃ কোকৰাঝাৰৰ বিটিচি বিধান পৰিষদীয় ভৱনত আজিৰে ৬ পৃষ্ঠাত

## মহানগৰীৰ হোটেলৰ কোঠাত ছাত্ৰীক নিৰ্যাতন

ই-সংবাদ, ২৩ এপ্ৰিলঃ গুৱাহাটীত ডেটিং এপ যোগে লগ ৬ নং পৃষ্ঠাত

### ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিলতেই অঘটন

## কাৰ ভুলৰ বাবে পেহেলগামত ঘটিল নাৰকীয় ঘটনা?

ই-ফিচাৰ্ছ, ২৩ এপ্ৰিলঃ দুদিনীয়া ভ্ৰমণসূচীৰে ২২ এপ্ৰিলৰ দিনা ছৌদি আৰবলৈ উৰা মাৰিছিল প্ৰধানমন্ত্ৰী ২ পৃষ্ঠাত চাওক



### লুঙী, ধুতিৰ কথাৰে গৰম পঞ্চায়ত নিৰ্বাচন


## গৌৰৱক 'ঘৰশত্ৰু' সজাই পাকিস্তানক আক্ৰমণ হিমন্তৰ

ই-সংবাদ, টীয়ক, ২৩ এপ্ৰিলঃ ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰিয়েই আজি ১২ নং পৃষ্ঠাত



### পেহেলগামৰ নৰসংহাৰৰ শিঁহৰণকাৰী বৰ্ণনা

## কোৰ-আনৰ কলিমাই প্ৰাণ ৰক্ষা কৰিলে হিন্দু দেৱাশীষৰ



ই-সংবাদ, ২৩ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ সৈতে সংঘটিত হৃদয়বিদাৰক ঘটনাই সমগ্ৰ দেশ ১১ নং পৃষ্ঠাত

### সমুজ্জ্বল ভট্টৰ বিস্ফোৰণ

## বাংলাদেশৰ মৌলবাদীয়ে শিপা মেলিছে অসমত!

ই-সংবাদ, ২৩ এপ্ৰিলঃ অসমৰ ভাষিক আৰু সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে সদৌ অসম ১২ নং পৃষ্ঠাত

### উজনিত গৌৰৱ গগৈৰ নিৰ্বাচনী ডংকা

## 'অসমত এতিয়া ৫ জনহে ধনী ব্যক্তি'



ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ এপ্ৰিলঃ ৰাজ্যৰ চৌদিশে এতিয়া পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ বলিছে। শাসকীয় বিজেপি ১১ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰ ভুলৰ বাবে হ'বলৈ পালে

নৰেন্দ্ৰ মোদীয়ে। যিখন বিমানেৰে মোদীয়ে ছৌদি আৰৱ ভ্ৰমণ কৰিছিল সেই বিমানখনৰ চৌদিশে বায়ু সেনাৰ কেইবাখনো যুদ্ধ বিমানে মোদীক নিৰাপত্তা দি লৈ গৈছিল। অৰ্থাৎ আকাশ মাৰ্গতো কেইবাখনো যুদ্ধ বিমানৰ নিৰাপত্তা লৈহে ভ্ৰমণ কৰিছিল নৰেন্দ্ৰ মোদীয়ে। কিন্তু সেই একেদিনাই নিৰাপত্তাৰ অভাৱত জম্মু-কাশ্মীৰৰ পেহেলগামত প্ৰাণ হেৰুৱালে ২৬ জনকৈ পৰ্যটকে। আহত হ'ল ১৭ জনতকৈ অধিক লোক। যিখন দেশৰ প্ৰধানমন্ত্ৰীয়ে আকাশতো পানী নসৰকা নিৰাপত্তা লৈ ফুৰে সেইখন দেশৰ নাগৰিকৰ বাবে জম্মু-কাশ্মীৰৰ পেহেলগামৰ দৰে সংবেদনশীল অঞ্চলতো নাই সামান্য নিৰাপত্তা। সেয়েহে এতিয়া স্বাভাৱিকতে প্ৰশ্ন উঠিছে, দেশত নিৰাপত্তা কেৱল নেতা-মন্ত্ৰী আৰু ক্ষমতাশালী লোকসকলৰ বাবেহে নেকি? সাধাৰণ জনতাৰ নিৰাপত্তাৰ কথা নাভাবে নেকি দেশৰ গৃহ বিভাগে? উল্লেখ্য যে এপ্ৰিল মাহৰ আশেপাশে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ঘটনা নতুন নহয়। বছৰ বছৰ ধৰি বিশেষকৈ ফেব্ৰুৱাৰী-মাৰ্চ আৰু এপ্ৰিল মাহৰ সময়ত এই অঞ্চলটোত সন্ত্ৰাসবাদীয়ে ধাবাহিকভাৱে আক্ৰমণ চলাই আহিছে। ২০০৪ চনৰ ৮ এপ্ৰিলত বাৰামুল্লাৰ উৰিত সন্ত্ৰাসবাদীৰ গ্ৰেনেড আক্ৰমণত ৯ জন নিৰীহ নাগৰিকে প্ৰাণ হেৰুৱাৰ লগতে ৫৮ জন আহত হৈছিল। ২০২১ চনৰ ১১ এপ্ৰিল তাৰিখে বুডগাম জিলাৰ মাগাম চহৰত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰিছিল এজন নাগৰিকক। ২০২২ চনৰ ১৩ এপ্ৰিলত কুলগাম জিলাৰ কাকৰান অঞ্চলত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে এজন নাগৰিকক। ২০০৬ চনৰ ৪ এপ্ৰিলৰ দিনা শ্ৰীনগৰৰ কেইবাটাও জনবহুল অঞ্চলত সন্ত্ৰাসবাদীয়ে ৭ টা গ্ৰেনেড নিক্ষেপ কৰাৰ ফলত ৫ জন নিৰীহ নাগৰিকে প্ৰাণ হেৰুৱায় আৰু ১৪ জন নিৰাপত্তা বাহিনীৰ জোৱানসহ ৪৪ জন লোক আহত হয়। ২০০৭ চনৰ ১৫ এপ্ৰিলত পুলৱামা জিলাৰ মুনাৱাজী গাঁৱত সন্ত্ৰাসবাদীয়ে এখন গাড়ীত গুলীচালনা কৰাৰ ফলত দুজন নাগৰিকে প্ৰাণ হেৰুৱায় আৰু এজন আহত হয়। একেদৰে ২০০২ চনৰ ১৬ এপ্ৰিলত বাৰামুল্লা জিলাৰ ৰফিয়াবাদ অঞ্চলত সন্ত্ৰাসবাদীৰ আক্ৰমণত চাৰিজন নাগৰিকৰ মৃত্যু হোৱাৰ লগতে আন তিনিজন লোক আহত হয়। ২০০১ চনৰ ১৯ এপ্ৰিলত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে সোণৱৰানী বাৰামুল্লাৰ গাঁওবুঢ়াক। ২০০২ চনৰ ২০ এপ্ৰিলত দুটা পৃথক ঘটনাত দুজন নাগৰিকক সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে। ২০০৩ চনৰ ২২ এপ্ৰিলত পুলৱামা জিলাৰ ট্ৰাল অঞ্চলত সন্ত্ৰাসবাদীৰ আই ই ডি বিস্ফোৰণত ৫ জন নাগৰিকে প্ৰাণ হেৰুওৱাৰ লগতে ১২ জন লোক আহত হয়। ২০০১ চনৰ ৪ এপ্ৰিলত কুপৱাৰা জিলাৰ ৰাদিপোৰাত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে এজন নাগৰিকক। ২০০০ চনৰ ৩ এপ্ৰিলত বান্দিপোৰাত সন্ত্ৰাসবাদীৰ আই ই ডি বিস্ফোৰণত দুই নাগৰিকে প্ৰাণ হেৰুৱায়। ২০২০ চনৰ ১ এপ্ৰিলত কুলগাম জিলাৰ দমহল হাঞ্জিপোৰা অঞ্চলত সন্ত্ৰাসবাদীয়ে গুলীয়াই হত্যা কৰে দুই নিৰীহ নাগৰিকক। তেনেদৰে ফেব্ৰুৱাৰী-মাৰ্চ মাহতো ২০০০ চনৰ পৰা ধাৰাবাহিকভাৱে সন্ত্ৰাসবাদীয়ে অঞ্চলটোত নিৰীহ লোকক হত্যা কৰি আহিছে। ২০১৯ চনৰ ১৪ ফেব্ৰুৱাৰীত সন্ত্ৰাসবাদীৰ আই ই ডি বিস্ফোৰণত নিহত হৈছিল প্ৰায় ৪০ গৰাকী চি আৰ পি এফ জোৱান। সেই জোৱানকেইজনৰ মৃত্যুৰ সময়ত তীক্ষ্ণ সমালোচনাৰ সন্মুখীন হৈছিল নৰেন্দ্ৰ মোদী। জম্মু-কাশ্মীৰৰ তদানীন্তন ৰাজ্যপাল সত্যপাল মালিকে ২০২৩ চনৰ এপ্ৰিল মাহত দ্য ৱায়াৰৰ সৈতে হোৱা এক সাক্ষাৎকাৰত দাবী কৰিছিল যে নিৰাপত্তা আৰু চোৰাংচোৱাৰ ক্ৰটিৰ বাবেই পলুৱামাত এই ঘটনা সংঘটিত হৈছিল। মালিকৰ অভিযোগ অনুসৰি সূত্ৰৰ সতৰ্কবাণী লাভ কৰাৰ পিছতো গৃহ মন্ত্ৰালয়ে জোৱানসকলৰ বাবে বিমানৰ ব্যৱস্থা কৰা নাছিল, যাৰ ফলত স্থলপথেৰে এটা বৃহৎ কনভয়ত যাত্ৰা কৰিব লগা হৈছিল চি আৰ পি এফৰ জোৱান কেইজনে। মালিকে অভিযোগ কৰিছিল যে মোদীয়ে তেওঁক এই ক্ৰটিসমূহৰ বিষয়ে নীৰৱে থাকিবলৈ নিৰ্দেশ দিছিল আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালেও এইক্ষেত্ৰত মৌনতা অৱলম্বন কৰাৰ পৰামৰ্শ দিছিল। কেৱল এয়াই নহয়, ২০১৯ চনত দেশৰ সাধাৰণ নিৰ্বাচনৰ আগত নিৰ্বাচনী ভাষণত এই শ্বহীদ সৈনিকসকলৰ নাম ব্যৱহাৰ কৰি ভোট বিচাৰিছিল নৰেন্দ্ৰ মোদীয়ে। ঠিক ২০১৯ চনৰ পলুৱামা কাণ্ডৰ পিছত পেহেলগামৰ এই ঘটনাটোত নৰেন্দ্ৰ মোদী সমালোচনাৰ লক্ষ্য হৈ পৰিছে। সততে প্ৰশ্ন উত্থাপন হৈছে- বিমুদ্ৰাকৰণে সন্ত্ৰাসবাদ নিৰ্মূল কৰিব বুলি মোদীয়ে কৰা দাবীৰ কি হ'ল? জম্মু-কাশ্মীৰৰ পৰা ৩৭০ বাতিল কৰাৰ পিছতো কিয় সন্ত্ৰাসবাদ নিৰ্মূল নহ'ল? ভাৰতৰ ইমান বিশাল সেনাবাহিনী আৰু নিৰাপত্তাবাহিনী থকাৰ পিছতো কিদৰে সীমান্তইদি পাৰ হৈ আহে পাক সন্ত্ৰাসবাদী? অত্যন্ত সংবেদনশীল তথা হিন্দুসকলৰ পৰ্যটনৰ কেন্দ্ৰস্থল হিচাপে পৰিচিত পেহেলগামত ঘটনাৰ সময়ত কিয় উপস্থিত নাছিল কোনো নিৰাপত্তাবাহিনী? এই ঘটনাৰ আঁৰত চৰকাৰ তথা গৃহ বিভাগৰ গাফিলতি জড়িত হৈ থকা নাইনে? ইয়াৰ উপৰি এই ঘটনা সন্দৰ্ভত প্ৰাক্তন সেনা বিষয়া জি ডি বক্সীয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত কৰা এক মন্তব্যয়ো এতিয়া নৰেন্দ্ৰ মোদী তথা দেশৰ গৃহ বিভাগলৈকে আঙুলি টোঁৱাইছে। প্ৰাক্তন বিষয়াগৰাকীয়ে কৈছে-"ক'ভিডৰ পৰা ৪ বছৰ ধৰি কোনো নিযুক্তি নাই। আমাৰ সেনাবাহিনীৰ পৰা ১ লাখ ৮০ হাজাৰ পদ কৰ্তন কৰা হ'ল। এয়া কোনে কৰিলে? টকা ৰাহি কৰি কি কৰিলে? মানুহবোৰ মৰিবলৈকে টকা ৰাহি কৰা হ'ল? কোনবাই ভাবিলে যে সেনাবাহিনীত জনশক্তিৰ প্ৰয়োজন নাই? জংঘল আৰু পাহাৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজ দিবলৈ ইয়াৰ প্ৰয়োজন আছে।" এতিয়া প্ৰাক্তন সেনা বিষয়াগৰাকীৰ এই মন্তব্যই উন্মোচন কৰিছে চৰকাৰৰ গাফিলতিৰ আন এটা দিশ। পূৰ্বে তথ্যসহকাৰে উল্লেখ কৰা হৈছেই যে বিগত ২৫ বছৰত বছৰৰ এইখিনি সময়তে কিদৰে সন্ত্ৰাসবাদীয়ে অঞ্চলটো সন্ত্ৰাস চলাই আহিছে। উল্লেখ্য যে শেহতীয়াকৈ পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰীফে সন্ত্ৰাসবাদীয়েই যি পাকিস্তানৰ একো কৰিব পৰা নাই সেই পাকিস্তানক ভাৰতীয় সৈন্যই কি ক্ষতি কৰিব পাৰিব বুলি কৰা এক মন্তব্যৰ পিছত বিতৰ্কৰ সৃষ্টি হৈছিল। সেই মন্তব্যৰ পিছতেই বিভিন্ন সূত্ৰই আশংকা কৰিছিল যে পাকিস্তানী সৈন্যই পুনৰ কুটাঘাত সংঘটিত কৰিব পাৰে। কিন্তু ইমানবোৰ ইতিহাস থকাৰ পিছতো, ইমানবোৰ সম্ভাৱনা থকাৰ পিছতো কিয় সক্ষম নহ'ল গৃহ বিভাগ, কিয় পৰ্যটকৰ ক্ষেত্ৰত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা নকৰিলে ভাৰত চৰকাৰে। এইবোৰ সাঁথৰত পৰিণত হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কচুৱাত অগপ আৰু কংগ্ৰেছৰ মাজত ৰাজনৈতিক সংঘাত

**ই-সংবাদ, কামপুৰ, ২৩ এপ্ৰিলঃ** ৰাজ্যৰ চৌদিশে বলিছে এতিয়া পঞ্চায়ত নিৰ্বাচনৰ বতাহ। ৰাইজৰ কাষলৈ আহিছে প্ৰাৰ্থীসকল। ইয়াৰ মাজতে ঠায়ে ঠায়ে সংঘটিত হৈছে ৰাজনৈতিক সংঘাত। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰহা সমষ্টিৰ মাধৱপাৰা জিলা পৰিষদত কংগ্ৰেছ আৰু অগপ দলৰ সমৰ্থকৰ মাজত এক সংঘাত সৃষ্টি হোৱাৰ বিষয়ে জানিব পৰা গৈছে। এই সম্পৰ্কত অগপ দলে কংগ্ৰেছ দলৰ বিৰুদ্ধে কচুৱা থানাত এক গোচৰ তৰা বাবে আজি কচুৱা আৰক্ষী থানাত কংগ্ৰেছৰ দলৰ সমৰ্থকক লৈ উপস্থিত হয় মাধৱপাৰা জিলা পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী আব্দুল জব্বাৰে। জানিব পৰা মতে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে ৰহা সমষ্টিৰ কচুৱাৰ মাধৱপাৰা পঞ্চায়তৰ ৩ নং ৱাৰ্ডত দুদিন পূৰ্বে এক ৰাজনৈতিক হিংসাত্মক ঘটনা সংঘটিত হৈছিল। অভিযোগ উঠিছিল যে অগপৰ নিৰ্বাচনী প্ৰচাৰ কেন্দ্ৰত প্ৰৱেশ কৰি কংগ্ৰেছ কৰ্মীয়ে আক্ৰমণৰ কৰিছিল। অগপৰ সমৰ্থকসকলে এই অভিযোগ উত্থাপন কৰি কচুৱা থানাত এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিত কংগ্ৰেছৰৰ মাধৱপাৰা জিলা পৰিষদৰ প্ৰাৰ্থী আব্দুল জব্বাৰে শতাধিক দলীয় কৰ্মীক লগত লৈ উপস্থিত হয় কচুৱা আৰক্ষী থানাত। সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত কংগ্ৰেছৰ উত্থানত ভয় কৰি শাসকীয় প্ৰাৰ্থী আৰু সমৰ্থকসকলে এয়া এক ষড়যন্ত্ৰ বুলি মন্তব্য কৰে জব্বাৰে। উল্লেখ্য পঞ্চায়ত নিৰ্বাচনৰ সময়ছোৱাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাজনৈতিক হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুঁজ দি বীৰগতি

পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ গুলীবৰ্ষণত প্ৰাণ হেৰুৱালে ২৬ জনকৈ লোকে। ধৰ্ম সুধি সুধি বুলেটবিদ্ধ কৰা এই ২৬ পৰ্যটকৰ মাজৰ ২৫ জনেই আছিল হিন্দু ধৰ্মৰ, আৰু এজন আছিল মুছলমান। সন্ত্ৰাসবাদীৰ গুলীয়ে দেহ থকা-সৰকা কৰা সেই মুছলমানজন আছিল চৈয়দ আদিল হুছেইন শ্বাহ, যিয়ে বীৰৰ দৰে প্ৰাণ আহুতি দিলে পেহেলগামত। মঙলবাৰে জম্মু-কাশ্মীৰৰ মনোমোহা পেহেলগাম জিলাৰ বৈছাৰন উপত্যকাত সংঘটিত হোৱা ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ত নিজৰ প্ৰাণকো তুচ্ছ কৰি এজন পৰ্যটকক ৰক্ষা কৰিবলৈ চেষ্টা কৰি মৃত্যুৰ কোলাত শুই পৰে পেছাত এজন ঘোঁৰাচালক আদিল। জানিব পৰা মতে, আদিলে মঙলবাৰে সচৰাচৰৰ দৰে খোজকাঢ়ি বা ঘোঁৰাত উঠিহে যাব পৰা ঠাই বৈছাৰনলৈ ঘোঁৰাত উঠাই পৰ্যটকক লৈ গৈছিল। হঠাৎ সেই পাহাৰীয়া সৌন্দৰ্যৰ বুকুৰ মাজেৰে বন্দুকৰ গুলীৰ গৰ্জন উঠে। সকলোৱে আতংকিত হৈ ইফালে-সিফালে দৌৰিবলৈ আৰম্ভ কৰাৰ সময়তে আদিলে দেখা পালে যে এজন পৰ্যটকৰ ফালে হাতত বন্দুক লৈ ক্ষিপ্ৰ গতিৰে আহিছে এটা সন্ত্ৰাসবাদী। ইয়াৰ পিছতে নিজৰ জীৱনক তুচ্ছ কৰি ঘোঁৰাচালকজনে সন্ত্ৰাসবাদীজনৰ ওপৰত জঁপিয়াই পৰে আৰু হাতৰ বন্দুকটো কাঢ়ি আনিবলৈ চেষ্টা কৰে। কিন্তু দুৰ্ভাগ্যবশতঃ সেই বন্দুকৰ গুলীয়েই শেষ কৰি পেলায় আদিল হুছেইন শ্বাহৰ জীৱন। পেহেলগামৰ এই ভয়াৱহ আক্ৰমণত ২৬ জন পৰ্যটকে প্ৰাণ হেৰুৱালে। এই নৰক আক্ৰমণৰ বলি হোৱা একমাত্ৰ স্থানীয় বাসিন্দা আছিল আদিল। মুছলমান হৈও ধৰ্ম সুধি সুধি হত্যা কৰা মুছলমান সন্ত্ৰাসবাদীৰ হাতত আদিলৰ মৃত্যুৱে এতিয়া শোকস্তব্ধ কৰি তুলিছে পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলটোক। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল আদিল। তেওঁৰ মৃত্যুৰ পিছত বৃদ্ধ মাতৃয়ে এতিয়া আদিলক শ্বহীদৰ মৰ্যাদা প্ৰদানৰ দাবী উত্থাপন কৰিছে। একে সময়তে অপৰাধীক কঠোৰতম শাস্তি বিহাৰো দাবী তুলিছে পৰিয়ালটোৱে। আদিলৰ পিতৃ চৈয়দ হাইদৰ শ্বাহে সংবাদ মাধ্যমৰ আগত কয়, "মোৰ ল'ৰাটো প্ৰতিদিনৰ দৰে কামলৈ গৈছিল। বিয়লি ৩ বজাত গম পালোঁ যে পেহেলগামত গুলীচালনা সংঘটিত হৈছে। তেওঁক ফোন কৰিলো যদিও ফোনটোৰ ছুইচ অফ দেখাই আছিল। বহু সময়ৰ পিছত এবাৰ ফোনটো ছুইচ অন দেখুৱালে যদিও কোনেও ৰিচিভ নকৰিলে। তাৰ পিছত মই থানালৈ গৈ গম পালোঁ যে তেওঁ আৰু আমাৰ লগত নাই। আমি ন্যায় বিচাৰো।" স্থানীয় সূত্ৰৰ পৰা জানিব পৰা মতে, আক্ৰমণকাৰীয়ে পৰ্যটকসকলক তেওঁলোকৰ ধৰ্মৰ বিষয়ে সুধিছিল আৰু তাৰ পিছত নিৰ্বাচিতভাৱে হত্যা কৰিছিল। ইয়াৰ উপৰি বহুতে ইছলামিক আয়াত পাঠ কৰিবলৈ বাধ্য হোৱা বুলিও বাতৰিত প্ৰকাশ। এই ঘটনাৰ পিছত প্ৰশাসন আৰু নিৰাপত্তা সংস্থাই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শ্ৰীনগৰত জৰুৰী বৈঠকৰ আহ্বান কৰিছে। উপ-ৰাজ্যপাল মনোজ সিনহাই কয় যে "অপৰাধীসকলে শাস্তিৰ পৰা ৰেহাই নাপাব। যিসকলে এই আক্ৰমণ সংঘটিত কৰিছে তেওঁলোকক ৰক্তাক্ত উত্তৰ দিয়া হ'ব।" মুঠতে কেন্দ্ৰীয় চৰকাৰ এতিয়া সন্থম হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বন্ধ নিযুক্তি! ১ লাখ ৮০ হাজাৰলৈ হ্ৰাস

নিদ্ৰা হৰিছে অনেক মাতৃ, পত্নী, পৰিয়ালৰ। প্ৰকৃতিৰ কোলাত হেৰাই যোৱাৰ মানসেৰে কাশ্মীৰলৈ যোৱা ২৬ জনকৈ নিৰীহৰ তেজেৰে এতিয়া ৰাঙলী ভূ-স্বৰ্গ। মঙলবাৰে দুপৰীয়ে প্ৰায় ২.৪৫ বজাত জম্মু-কাশ্মীৰৰ পেহেলগামৰ বৈছাৰন উপত্যকাত আততায়ীৰ গুলীবৰ্ষণত মৃত্যুক সাবটে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৬ পৰ্যটকে। ইতিমধ্যে লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠন 'দ্য ৰেজিষ্টেন্স ফ্ৰন্ট'-এ এই নৰসংহাৰৰ দায়িত্ব স্বীকাৰ কৰিছে। চোৰাংচোৱা সূত্ৰই জনোৱা মতে, এই আক্ৰমণত জড়িত চাৰিজন সন্ত্ৰাসবাদীৰ দুজন আছিল পাকিস্তানী আৰু আন দুজন আছিল কাশ্মীৰৰে স্থানীয়। সামৰিক পোছাক পিন্ধি পৰ্যটকৰ মাজত প্ৰৱেশ কৰিছিল সন্ত্ৰাসবাদী কেইটাই। প্ৰত্যক্ষদৰ্শীৰ মতে, সন্ত্ৰাসবাদীয়ে প্ৰথমে মহিলা আৰু পুৰুষ পৰ্যটকসকলক পৃথক কৰি 'কলিমা' পাঠ কৰিবলৈ কৈছিল আৰু ধৰ্ম সুধিছিল। যিসকলে পাৰা নাছিল বা অস্বীকাৰ কৰিছিল, তেওঁলোকক নাতিদূৰৈৰ পৰাই গুলীয়াই কৰা হৈছিল হত্যা। ৩৭০ প্ৰত্যাহাৰৰ পিছত সংঘটিত এই সৰ্ববৃহৎ নৰসংহাৰৰ পিছতে এতিয়া প্ৰশ্নৰ উত্থাপন হৈছে নিৰাপত্তা ব্যৱস্থাক লৈ। এসময়ত বিজেপি আৰু প্ৰধানমন্ত্ৰী মোদীৰ প্ৰশংসাত গদগদ হৈ থকা প্ৰাক্তন সেনা বিষয়ায়ো এতিয়া প্ৰশ্ন উত্থাপন কৰিছে চৰকাৰৰ ওপৰত। ভাৰতীয় সেনাৰ প্ৰাক্তন মেজৰ জেনেৰেল জি ডি বক্সিয়ে এই নৃশংস হত্যাকাণ্ড আৰু চৰকাৰৰ প্ৰস্তুতিৰ অভাৱক লৈ ক্ষোভ প্ৰকাশ কৰিছে। ক্ষুব্ধ কণ্ঠৰে দুখ জাহিৰ কৰি বক্সিয়ে প্ৰশ্ন কৰে, "ভাৰতীয় সেনাবাহিনীত নিযুক্তি বন্ধ কৰি সেনাবাহিনীৰ আকাৰ ১ লাখ ৮০ হাজাৰ হ্ৰাস কৰাটো কাৰ 'স্মাৰ্ট' ধাৰণা আছিল? কেৱল ধন ৰাহি কৰাৰ বাবে সেনা নিযুক্তি বন্ধ কৰাটো গ্ৰহণযোগ্যনে?" জি ডি বক্সিয়ে আৰু অভিযোগ কৰে যে কোৰোনা মহামাৰীৰ সময়ত তিনি বছৰ ধৰি সেনাবাহিনীত কোনো নিযুক্তি দিয়া হোৱা নাছিল। সেই সময়ত পাহাৰীয়া অঞ্চলত এনে সন্ত্ৰাসবাদ বৃদ্ধি পাইছে। যিবোৰ ইউনিটৰ পাহাৰ বা জংঘলত যুদ্ধ কৰাৰ অভিজ্ঞতা আছে, সেইবোৰ ইউনিটক এতিয়া দুটা-তিনিটা খণ্ড একেলগে চম্ভালিবলৈ কোৱা হৈছে। জনশক্তি হ্ৰাস কৰি নিৰাপত্তা নিশ্চিত কৰিব পৰা যাবনে সেই প্ৰশ্নও চৰকাৰৰ সন্মুখত উত্থাপন কৰে জেনেৰেল বক্সিয়ে। প্ৰাক্তন সেনাধ্যক্ষগৰাকীয়ে কয়, "যুদ্ধ আহি আছে- আৰু সেয়া হ'ব চীন, পাকিস্তান, আৰু এতিয়া বাংলাদেশৰ পৰা। এতিয়ালৈকে চৰকাৰে 'শান্তিৰ আশা' বুলি কৈ আহিছে, এতিয়া বাস্তৱ বুজি পোৱাৰ সময় আহি পৰিছে। যুঁজিব বিচাৰিলে পাঁচ মাৰ্কযুক্ত যুঁজাৰু বিমান, এ-টেগ সকলো লাগে। কেৱল ৩০০ খন কিনিব নোৱাৰি, ১৩০০ খন লাগে।" পোনপটীয়াকৈ মোদী চৰকাৰক লক্ষ্য কৰি বক্সিয়ে কয়, "যিসকলে সেনাবাহিনীৰ আকাৰ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে তেওঁলোকে দেশক বিশ্বাসঘাতকতা কৰিছে। যদি তেওঁলোকে কফিৰ গোন্ধ পাব নোৱাৰে তেন্তে অন্ততঃ এতিয়া বাৰুদৰ গোন্ধ পাব পাৰে। হাতত অস্ত্ৰ নিদিয়াকৈ আমাৰ ল'ৰাক মৰিবলৈ পঠিয়াই দিয়াৰ দৰে এই বিশ্বাসঘাতকতাক ইতিহাসে মনত ৰাখিব।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজনীতিৰ নহয়, কংগ্ৰেছৰ ঐক্যৰ বাৰ্তা

ৰাজনৈতিক বিতৰ্কৰ সলনি ঐক্যৰ বাৰ্তা প্ৰদান কংগ্ৰেছৰ। সোমবাৰে নিশা কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে। এই বাৰ্তালপত তেওঁ এই সময় দলীয় ৰাজনীতি নহয়, বৰঞ্চ সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হৈ থিয় দিয়াৰ সময় বুলি মন্তব্য কৰে। সূত্ৰ অনুসৰি, আজি মধ্য নিশা এক সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিব কেন্দ্ৰীয় চৰকাৰে, য'ত এই সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতি সঁহাৰি আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হ'ব। খাৰ্গেয়ে নিজৰ এক্স হেণ্ডেলত লিখিছে, এই আক্ৰমণ ভাৰতৰ ঐক্য আৰু সাৰ্বভৌমত্বৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ। এই হত্যাকাণ্ডত আমি গভীৰভাৱে দুখী।" তেওঁ স্পষ্টভাৱে কয় যে "এয়া ন্যায়ৰ সময়। এই আক্ৰমণৰ সৈতে জড়িতসকলক ন্যায়ৰ কাঠগড়াত থিয় কৰাব লাগিব। এতিয়া আমাৰ সামূহিক কৰ্তব্য হৈছে প্ৰাণ হেৰুওৱা প্ৰতিটো পৰিয়ালক ন্যায় প্ৰদান কৰা।" একে সময়তে পাকিস্তানৰ পৃষ্ঠপোষকতাত সংঘটিত এই আক্ৰমণৰ উপযুক্ত প্ৰত্যুত্তৰৰ কথাও কংগ্ৰেছৰ অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, "এই নিষ্ঠুৰ কাণ্ডত সমগ্ৰ দেশ স্তম্ভিত হৈ পৰিছে। কিন্তু এই মুহূৰ্তত কোনো বিভাজন নাই, আমি সকলোৱে এক। এয়াই আমাৰ প্ৰকৃত শক্তি।" খাৰ্গেৰ এই সুৰতে মঙলবাৰে পুৱা এক্স হেণ্ডেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও। তেওঁ কয় যে পেহেলগাম আক্ৰমণ সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহ, জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ সৈতে ইতিমধ্যে কথা হৈছে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে জাতীয় ঐক্যৰ এই বাৰ্তা ৰাজনৈতিক মহলত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। সূত্ৰটোৰ মতে, কেন্দ্ৰই আজি নিশাৰ ভিতৰত সৰ্বদলীয় বৈঠক আহ্বান কৰাৰ পৰিকল্পনা কৰিছে। য'ত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সৈতে জড়িত ভৱিষ্যতৰ পদক্ষেপৰ ক্ষেত্ৰত সকলোৱে পৰা মতামত বিচাৰিব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰ্দাৰ আঁৰত লুকাই সাৰি যাব নোৱাৰিব

প্ৰত্যুত্তৰ দিবলৈ সাজু হৈছে ভাৰত। সেনাপ্ৰধান আৰু তিনিওটা সেৱাৰ মুৰব্বীৰ সৈতে এক উচ্চ পৰ্যায়ৰ বৈঠকৰ অন্তত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে স্পষ্ট সতৰ্কবাণী দি কয় যে যিসকলে আক্ৰমণ সংঘটিত কৰিছে সিহঁতক ৰেহাই দিয়া নহ'ব আৰু যিসকলে পৰ্দাৰ আঁৰৰ পৰা আক্ৰমণৰ পৰিকল্পনা কৰিছিল সিহঁতেও তীব্ৰ প্ৰতিশোধৰ সন্মুখীন হ'ব লাগিব। পেহেলগামৰ এই নৰসংহাৰৰ পিছত ইতিমধ্যে উত্তপ্ত হৈ পৰিছে পৰিস্থিতি। পাকিস্তানৰ বিৰুদ্ধে পুনৰ ভাৰতৰ ছাৰ্জিকেল ষ্ট্ৰাইকক লৈও এতিয়া চৰ্চা আৰম্ভ হৈছে। মঙলবাৰে জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণে সমগ্ৰ দেশ কঁপাই তুলিছে। এই বৰ্বৰ আক্ৰমণত ২৬ জন পৰ্যটকে প্ৰাণ হেৰুৱায়। আহতও হৈছে বহুজন। এই ঘটনাৰ প্ৰতি পাকিস্তানৰ সমৰ্থনৰ বিষয়টো পোহৰলৈ অহাৰ লগে লগে দিল্লীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আক্ৰমণৰ পিছদিনা অৰ্থাৎ বুধবাৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেনাপ্ৰধান আৰু তিনিওটা সেৱাৰ মুৰব্বীৰ সৈতে এক জৰুৰী বৈঠকত মিলিত হয়। ভৱিষ্যতৰ কাৰ্যপন্থা আৰু 'পৰৱৰ্তী পদক্ষেপ'ৰ ওপৰত আলোচনা কৰা হয়। সেই বৈঠকৰ পিছত ৰাজনাথ সিঙে ব্যৱহাৰ কৰা আগ্ৰাসী ভাষাই পাকিস্তান সমৰ্থিত উগ্ৰপন্থী সংগঠনসমূহক নতুন হেঁচাত পেলাইছে। প্ৰতিৰক্ষা মন্ত্ৰীৰ স্পষ্ট বাৰ্তা, "ভাৰতৰ মাটিত সন্ত্ৰাসবাদ চলোৱাৰ পৰিণাম ভুগিব লাগিব। যিসকলে আক্ৰমণ সংঘটিত কৰিছে আৰু যিসকল ইয়াৰ আঁৰত আছে, আটাইবোৰকে জবাবদিহি কৰা হ'ব। আমাৰ শূন্য সহনশীলতা নীতিৰ লগত আপোচ কৰা নহ'ব।" প্ৰতিৰক্ষামন্ত্ৰীৰ এই সতৰ্কবাণীৰ পিছত আলোচনা চলিছে উৰি আৰু পুলৱামাৰ আক্ৰমণৰ পিছৰ দৰে এইবাৰো ছাৰ্জিকেল ষ্ট্ৰাইকৰ প্ৰস্তুতি আৰম্ভ কৰিছে নেকি ভাৰতে? এনে পৰিস্থিতিৰ মাজতে সন্ধিয়া ৬ বজাত প্ৰধানমন্ত্ৰীৰ বাসগৃহত ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ জৰুৰী বৈঠক আহ্বান কৰা হয়। উল্লেখ্য যে সাধাৰণতে যুদ্ধৰ পৰিস্থিতিতহে এনে বৈঠক অনুষ্ঠিত হয়। ফলত পেহেলগাম আক্ৰমণৰ পিছত এনে এখন বৈঠকক কেন্দ্ৰ কৰি ৰাজনৈতিক মহলত নতুন আলোচনা আৰম্ভ হৈছে। প্ৰশাসনৰ একাংশৰ মতে যুদ্ধৰ সম্ভাৱনা নাথাকিলেও শাস্তিমূলক অভিযানৰ সম্ভাৱনা অধিক। ইফালে সন্ত্ৰাসবাদী আক্ৰমণক লৈ ৰাজনৈতিক উত্তেজনাও এই মুহূৰ্তত তীব্ৰতৰ হৈ পৰিছে। কংগ্ৰেছ নেতা ৰবাৰ্ট ভাদ্ৰাই এই আক্ৰমণৰ বাবে বিজেপিৰ "উগ্ৰ হিন্দুত্ববাদী" নীতিক দোষাৰোপ কৰে। বিজেপিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এনে মন্তব্য "নিৰ্লজ্জতাৰ বাহিৰে আন একো নহয়"। কাশ্মীৰৰ পৰিস্থিতিৰ শোষণ কৰি ৰাজনৈতিক সুবিধা লাভৰ বাবে চৰকাৰে চেষ্টা কৰা বুলিও অভিযোগ উত্থাপন কৰে। লক্ষণীয় যে এই আক্ৰমণত নিহতসকলৰ ভিতৰত মহাৰাষ্ট্ৰ, পশ্চিমবংগ, তামিলনাডু, বিহাৰকে ধৰি কেইবাখনো ৰাজ্যৰ সাধাৰণ পৰ্যটকসকল আছে। কেন্দ্ৰীয় ৰে'ল বিভাগৰ এজন ছেকচন ইঞ্জিনিয়াৰেও পত্নীৰ সন্মুখত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুৱায়। এই আক্ৰমণৰ প্ৰভাৱ সেয়ে কেৱল সীমান্তই নহয়, পোনপটীয়াকৈ পাৰিয়ালৰ ওপৰতো পৰিছে। এই পৰিৱেশত বিশ্লেষকসকলৰ মতে প্ৰতিৰক্ষা মন্ত্ৰীৰ আগ্ৰাসী সুৰ কেৱল সামৰিক সঁহাৰিয়েই নহয়, সমগ্ৰ দেশতে জনমত সজাগ কৰি ৰখাৰ কৌশল। এতিয়া প্ৰত্যুত্তৰ দিয়াটো বিচাৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানৰ সৈতে জলসিন্ধু প্ৰকল্প বাতিল

নহয় পাকিস্তানৰ নেগুৰ। সেইবাবেই সন্ত্ৰাসৰ দেশ পাকিস্তানৰ বিৰুদ্ধে এইবাৰ উচিত পদক্ষেপ গ্ৰহণৰ দিশে আগবাঢ়িছে নতুন দিল্লী। পাক-সমৰ্থিত সন্ত্ৰাসবাদী সংগঠনৰ দ্বাৰা পেহেলগামত নৰসংহাৰ চলোৱাৰ পিছতে ভাৰতে সিন্ধু জল চুক্তিৰ লগতে বাতিল কৰিলে পাকিস্তানী নাগৰিকক দিয়া সকলো ভিছা। কেৱল সেয়াই নহয়, দিল্লীত নিযুক্তি দিয়া পাকিস্তানৰ প্ৰতিৰক্ষা, নৌসেনা আৰু বিমান উপদেষ্টাসকলক 'পাৰ্ছনা নন গ্ৰেটা' ঘোষণা কৰি সাত দিনৰ ভিতৰত দেশ এৰি যাবলৈ নিৰ্দেশ প্ৰদান কৰিছে নতুন দিল্লীয়ে। কাশ্মীৰৰ পেহেলগামত ২৬ জনকৈ নিৰীহৰ প্ৰাণ লোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে পাকিস্তানৰ বিৰুদ্ধে এই বৃহৎ কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰিছে মোদী চৰকাৰে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে এই আক্ৰমণৰ বাবে পাকিস্তান পোনপটীয়াকৈ দায়ী। সেয়ে নতুন দিল্লীয়ে প্ৰত্যুত্তৰ দিবলৈ এক মুহূৰ্তও পলম কৰা নাই। ছাৰ্ক ভিছা ৰেহায়ো বাতিল কৰা হৈছে। ভাৰতৰ মাটিত আৰু ভৰি দিব নোৱাৰিব কোনো পাকিস্তানী নাগৰিকে। ইতিমধ্যে ভিছা লাভ কৰাসকলক ৪৮ ঘণ্টাৰ ভিতৰত দেশ এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। অনিৰ্দিষ্টকাললৈ বন্ধ কৰি দিয়া হৈছে আট্টাৰিৰ সীমান্তও। বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে স্পষ্ট ভাষাত কয়, "এই আক্ৰমণ ভাৰতৰ সহনশীলতাৰ বাহিৰত। যিসকলৰ তেজত সন্ত্ৰাসবাদৰ মনোভাৱ আছে তেওঁলোকক শিক্ষা দিয়াৰ সময় আহি পৰিছে, তেওঁলোকৰ সৈতে সম্পৰ্ক ছেদ কৰাৰ সময় আহি পৰিছে।" তেওঁ লগতে কয়, "আমি ইছলামাবাদৰ পৰা আমাৰ সামৰিক উপদেষ্টাসকলক ঘূৰাই আনিছো। এই সময়ত পাকিস্তানৰ দূতাবাসৰ সৈতে প্ৰতিৰক্ষা সম্পৰ্কীয় সকলো যোগাযোগ বিচ্ছিন্ন কৰা হৈছে।" মিশ্ৰীয়ে নিশ্চিত কৰে যে পেহেলগামত সংঘটিত হোৱা এই আক্ৰমণত ২৫ জন ভাৰতীয় আৰু ১ জন নেপালী পৰ্যটক নিহত হৈছে। আৰু বহু লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়ত ভৰ্তি হৈ আছে। লস্কৰ-ই-তৈবাৰ শাখা ৰেজিষ্টেন্স ফ্ৰন্ট (টিআৰএফ)য়ে এই হত্যাকাণ্ডৰ দায়িত্ব স্বীকাৰ কৰিছে। উচ্চ পৰ্যায়ৰ চৰকাৰী সূত্ৰৰ মতে, প্ৰধানমন্ত্ৰী মোদীয়ে নিৰাপত্তা সম্পৰ্কীয় কেবিনেট কমিটীৰ বৈঠকত স্পষ্টভাৱে কয়, "এইবাৰ আমি কেৱল নিন্দা কৰি বহি নাথাকো। প্ৰতিটো তেজৰ টোপালৰ উত্তৰ দিয়া হ'ব। যিসকলে এই আক্ৰমণৰ পৰিকল্পনা কৰিছিল আৰু যিসকলে তেওঁলোকক আশ্ৰয় দিছিল, তেওঁলোকক চিনাক্ত কৰি সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব।" বৰ্তমান দিল্লীত চলি আছে নিৰাপত্তা কেবিনেট কমিটীৰ অতি গুৰুত্বপূৰ্ণ এখন বিশেষ বৈঠক। সমগ্ৰ সীমান্তত সতৰ্ক হৈ আছে সেনাবাহিনী। কেন্দ্ৰৰ স্পষ্ট বাৰ্তা- 'যুদ্ধ হওক বা শান্তি, এইবাৰ চৰ্ত নিৰ্ধাৰণ কৰিব কেৱল ভাৰতে।'

প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীৰ হোটেলৰ কোঠাত ছাত্ৰীক

পোৱা বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ সৈতে সংঘটিত হৈছে ভয়ংকৰ কাণ্ড। ডেটিং এপ যোগে লগ পোৱা এগৰাকী যুৱতীক হোটললৈ নি শাৰীৰিক শোষণ কৰাৰ অভিযোগ উঠিছে। ৰঙালী বিহুৰ মাজতে গুৱাহাটী মহানগৰীত বিশ্ববিদ্যালয়ৰ এগৰাকী ১৯ বছৰীয়া ছাত্ৰীক গুৱাহাটীৰ মাজভাগৰ এখন হোটেলৰ কোঠাত এজন যুৱকে প্ৰলোভন দি মাতি নি যৌন নিৰ্যাতন চলোৱাৰ ঘটনা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ডিগবৈৰ হেমন্ত সোণোৱাল নামৰ যুৱকজনে ছাত্ৰীগৰাকীক হোটেললৈ মাতি নি যৌন নিৰ্যাতন চলাইছিল। হেমন্ত সোণোৱালে ছাত্ৰীগৰাকীক এটা ডেটিং এপত লগ পাই বন্ধুত্ব কৰিছিল। তেওঁ নিজকে হিন্দুস্থান পেট্ৰ'লিয়ামৰ কৰ্মচাৰী বুলি চিনাকি দিছিল। ডেটিং এপৰ পৰা ইনষ্টাগ্ৰামলৈ আহে বন্ধুত্ব। তাৰ পিছতে ছাত্ৰীগৰাকীক হোটেলত লগ ধৰিব খোজে। গুৱাহাটীৰ হাতীগাঁৱৰ এখন হোটেলত লগ কৰিবলৈ মাতি আনে। ছাত্ৰীগৰাকী অহাৰ পিছতে যুৱকজনে হোটেলৰ কোঠালৈ নি শৰীৰত হাত দি শোষণ কৰিবলৈ আৰম্ভ কৰে। ছাত্ৰীগৰাকীয়ে বাধা দিয়াৰ পিছতো বলপূৰ্বক যৌন নিৰ্যাতন চলাইছিল। ফলত আঘাতপ্ৰাপ্ত হয় ছাত্ৰীগৰাকী। ছাত্ৰীগৰাকীয়ে ভয়ে ভয়ে ঘৰলৈ গৈ পৰিয়ালক অৱগত কৰাত পৰিয়ালে নুনমাটি থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰি ভঙাগড়ত যুৱকজনক গ্ৰেপ্তাৰ কৰে। ছাত্ৰীগৰাকীয়ে গুৱাহাটীৰ এখন উচ্চ শিক্ষানুষ্ঠানত অধ্যয়ন কৰি আছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰফৰ শুভ্ৰ দলিচাত তেজৰ চেকুৰা!

মঙলবাৰে প্ৰাণ গ'ল ২৬ জনকৈ নিৰীহ পৰ্যটকৰ। ৰিজ'ৰ্ট চহৰ পেহেলগামৰ সমীপৰ বাইছাৰন মিড'ছত সন্ত্ৰাসবাদীয়ে ধৰ্ম সুধি সুধি সংঘটিত কৰে গুলীচালনা। মঙলবাৰে দিনৰ প্ৰায় ১.৩০ বজাত হঠাৎ সেনাৰ পোছাক পৰিধান কৰি ছজন বিদেশী উগ্ৰবাদীয়ে সংঘটিত কৰা গুলীবৰ্ষণত প্ৰাণহানি হয় ২৬ জনৰ, আহতও হয় বহুজন। ইতিমধ্যে পাক সমৰ্থিত সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ এটা শাখা ৰেজিষ্টেন্স ফ্ৰণ্টে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। চোৰাংচোৰা তথ্য অনুসৰি আন্তঃৰাষ্ট্ৰীয় দৃষ্টি আকৰ্ষণ কৰিবলৈকে এই নৰসংহাৰ চলাইছিল সন্ত্ৰাসবাদীয়ে। আনহাতে শেহতীয়াকৈ পাকিস্তানৰ সেনাপ্ৰধান আছিম মুনীৰে কাশ্মীৰক লৈ কৰা উত্তেজক মন্তব্যৰ সৈতে এই নৃশংস আক্ৰমণৰ সম্পৰ্ক থকাৰ আশংকাও প্ৰকাশ কৰিছে চোৰাংচোৰাই। ইফালে ভূস্বৰ্গ কাশ্মীৰৰ সৌন্দৰ্য উপভোগ কৰি মৃত্যুৰ কোলাত শুই পৰিল দেশৰ প্ৰায় প্ৰতিটো কোণৰ নিৰীহ পৰ্যটক। মৃত্যুক সাবটিলে নেপালৰ পৰ্যটকেও। ইতিমধ্যে প্ৰশাসনে আক্ৰমণত নিহত পৰ্যটকসকলৰ নামৰ তালিকা প্ৰকাশ কৰিছে। নিহতসকলৰ ভিতৰত আছে- সুশীল নাথিয়াল (ইন্দোৰ), চৈয়দ আদিল হুছেইন শ্বাহ (পেহেলগাম), হেমন্ত সুহাছ যোশী (মুম্বাই), বিনয় নৰৱাল (হাৰিয়ানা), অতুল শ্ৰীকান্ত মণি (মহাৰাষ্ট্ৰ), নীৰজ উদ্ভৱনী (উত্তৰাখণ্ড), বিতন অধিকাৰী (কলকাতা), সুদীপ নেউপানে (নেপাল), শুভম দ্বিবেদী (কানপুৰ), প্ৰশান্ত কুমাৰ সতাপথী (বালাসৌৰ, ওড়িশা), মনীষ ৰঞ্জন (বিহাৰ), এন ৰামচন্দ্ৰ (কেৰালা), সঞ্জয় লক্ষ্মণ লালী (থানে), দীনেশ আগৰৱাল (ৰাইপুৰ, ছত্তীশগড়), সমীৰ গুহা (কলকাতা), দিলীপ দছালি (মুম্বাই), জে সচন্দ্ৰ মালি (বিশাখাপট্টনম), মধুসূদন সোমেস্তি (বেংগালুৰু), সন্তোষ জাঘৰা (পুনে), মঞ্জুনাথ ৰাও (কৰ্ণাটক), কস্তুব গনাবোতে (পুনে), ভাৰত ভূষণ (বেংগালুৰু), সুমিত পৰমাৰ (গুজৰাট), জতেশ পৰমাৰ (গুজৰাট), তাগেহলিয়াং (অৰুণাচল প্ৰদেশ) আৰু শৈলেশভাই এইচ হিম্মত ভাই কলাথিয়া (গুজৰাট)। নিহতসকলৰ ভিতৰত আছে ভাৰতীয় নৌসেনাৰ লেফটেনেন্ট বিনয় নৰৱাল (২৬)। হাৰিয়ানাৰ কৰ্ণালৰ নিৱাসী বিনয়ে হনিমুনলৈ আহি মৃত্যুক সাবটিলে পেহেলগামত। কোচিৰ দক্ষিণ নৌসেনাৰ কমাণ্ডত কৰ্মৰত বিনয় নৰৱালে ১৬ এপ্ৰিলত বিবাহপাশত আবদ্ধ হোৱাৰ পিছত পত্নী হিমাংশীৰ সৈতে মধুচন্দ্ৰিকা যাপন কৰিবলৈ আহিছিল জম্মু-কাশ্মীৰলৈ। পেহেলগামত সুখৰ মুহূৰ্ত উদযাপনৰ সময়তে সন্ত্ৰাসবাদীৰ গুলীয়ে প্ৰথমে বিদ্ধ কৰে তেওঁৰ বুকু। তাৰ পিছতে ডিঙি আৰু হাতত আঘাত হানে আন দুটা গুলীয়ে। পত্নী হিমাংশীৰ অৱস্থা এতিয়াও স্পষ্ট হোৱা নাই। পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যুক সাবটা প্ৰথমজন পৰ্যটকেই আছিল বিনয় নৰৱাল। হাৰিয়ানাৰ পানীপটৰ জিএছটি অধীক্ষক ৰাজেশ নৰৱালৰ একমাত্ৰ পুত্ৰ বিনয়ৰ মৃত্যুৰ এই খবৰে যেন এজাক দুখৰ ধুমুহাহে নমাইছে সমগ্ৰ পৰিয়ালটোলৈ! একেদৰে ওড়িশাৰ বালাছৌৰ নিবাসী প্ৰশান্ত কুমাৰ সতাপথীয়েও প্ৰাণ হেৰুৱায় এই আক্ৰমণত। ৪১ বছৰীয়া প্ৰশান্ত চেণ্ট্ৰেল ইনষ্টিটিউট অৱ পেট্ৰ'কেমিকেলছ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজিৰ একাউণ্টেণ্ট আছিল। ৰ'পৱে ৰাইড শেষ কৰি পত্নী প্ৰিয়দৰ্শিনীৰ সৈতে ৰেষ্টুৰেণ্টলৈ গৈ থকা অৱস্থাত গুলীবৰ্ষণ আৰম্ভ হয় আৰু পত্নীৰ সন্মুখত মুখত গুলী লাগি চিৰদিনৰ বাবে শুই পৰে প্ৰশান্ত। এই ঘটনাৰ পিছত ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে শোক প্ৰকাশ কৰি এই আক্ৰমণক "ঘৃণনীয় আৰু নিষ্ঠুৰ" বুলি তীব্ৰ গৰিহণা দিছে। হায়দৰাবাদত কৰ্মৰত চোৰাংচোৱা ব্যুৰোৰ এজন বিষয়া মনীষ ৰঞ্জনো এই আক্ৰমণত নিহত হয়। মূলতঃ বিহাৰৰ মনীষ পৰিয়ালৰ সৈতে ছুটীৰ বাবে কাশ্মীৰলৈ আহিছিল। দেওবাৰে 'লিভ ট্ৰেভেল কনচেচন'ৰ অধীনত আহি উপস্থিত হৈছিল তেওঁলোকৰ পৰিয়াল। আইবি সূত্ৰৰ পৰা জানিব পৰা মতে, ধৰ্ম সোধাৰ পিছত পৰিয়ালৰ সন্মুখতে গুলীয়াই হত্যা কৰা হয় মনীষক। কৰ্ণাটকৰ শিৱমোগ্গাৰ ৰিয়েল্টৰ মঞ্জুনাথ ৰাৱো নিহতসকলৰ ভিতৰত আছে। ৪৬ বছৰীয়া ৰাও পত্নী পল্লৱী আৰু পুত্ৰ অভিজিতৰ সৈতে প্ৰথমবাৰৰ বাবে কৰ্ণাটকৰ বাহিৰত ভ্ৰমণ কৰিছিল। সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ বাহনখনত আক্ৰমণ কৰাৰ লগে লগে তেওঁৰ থিতাতে মৃত্যু হয়। পত্নী পল্লৱীৰ মতে, ৰাওৰ মৃত্যুৰ পিছত তেওঁ সন্ত্ৰাসবাদীক সকলোকে হত্যা কৰিবলৈ অনুৰোধ জনাইছিল। ইয়াৰ উত্তৰত উগ্ৰপন্থীয়ে কয়, "যাওক মোদীক কওক।" ১৯ এপ্ৰিলত সাগৰ তালুকৰ পৰা পৰ্যটকৰ দল এটা লৈ ৰাও ওলাই গৈছিল আৰু ২৪ তাৰিখে উভতি অহাৰ কথা আছিল। তেওঁৰ ৮০ বছৰীয়া মাতৃ সুমতীক এতিয়াও এই খবৰৰ বিষয়ে অৱগত কৰা হোৱা নাই। গুজৰাটৰ চুৰাটৰ বেংক বিষয়া শৈলেশ কালাথিয়াৰ আজি জন্মদিন আছিল। কিন্তু সেই জন্মদিন পালন কৰাৰ এদিন পূৰ্বেই সন্ত্ৰাসবাদীৰে বিদ্ধ কৰিলে তেওঁৰো বুকু। পৰিয়ালৰ সৈতে ফুৰিবলৈ যোৱা শৈলেশক গুলীয়াই হত্যা কৰা হয় পত্নী আৰু পুত্ৰৰ সন্মুখতে। আনহাতে আমেৰিকাৰ ফ্ল'ৰিডাত ছফটৱেৰ ডেভেলপাৰ হিচাপে কাম কৰি থকা কলকাতাৰ বিতন অধিকাৰীয়েও এই আক্ৰমণত প্ৰাণ হেৰুৱায়। ৩১ বছৰীয়া বিতনে পত্নী সোহিনী আৰু তেওঁলোকৰ সন্তানৰ সৈতে পৰিয়ালক লগ কৰিবলৈ কলকাতালৈ আহিছিল। পিছত তেওঁ কাশ্মীৰ ভ্ৰমণ কৰিবলৈ যায় আৰু তাত আক্ৰমণত নিহত হয়। আঘাতপ্ৰাপ্ত হৈ সোহিনী আৰু তেওঁৰ সন্তান চিকিৎসালয়ত ভৰ্তি হৈ আছে বৰ্তমান। এই নৰসংহাৰৰ পৰা কথমপি প্ৰাণৰক্ষা পৰিল নাগপুৰৰ ব্যৱসায়ী দম্পতী তিলক আৰু ছিমৰন ৰূপচান্দনীৰ। আক্ৰমণৰ স্থানৰ পৰা মাত্ৰ ২০ মিনিটৰ নিলগত আছিল তেওঁলোক। অৱশ্যে এই নাৰকীয় ঘটনাত মহাৰাষ্ট্ৰৰ কমেও ৬ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত আছে পুনেৰ সন্তোষ জাঘৰা আৰু কস্তুব গনবোতে। মুম্বাই আৰু পানভেলৰ আন কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। এই আক্ৰমণত অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমৰ অৱসৰপ্ৰাপ্ত বেংক কৰ্মচাৰী জে সচন্দ্ৰ মালিৰো মৃত্যু হয়। ৬০ বছৰীয়া মালিয়ে পত্নী আৰু নাতি-নাতিনীৰ সৈতে ভ্ৰমণলৈ আহিছিল। উগ্ৰপন্থী আক্ৰমণৰ সময়ত পৰিয়ালক বচাবলৈ চেষ্টা কৰি থকা অৱস্থাত গুলীবিদ্ধ হৈ মৃত্যু ঘটে তেওঁৰ। বৰ্তমান তেওঁৰ পত্নী আৰু দুগৰাকী নাতি-নাতিনী চিকিৎসাধীন হৈ আছে। উত্তৰ প্ৰদেশৰ কানপুৰৰ নিবাসী শুভম দ্বিবেদীয়েও প্ৰাণ হেৰুৱালে সন্ত্ৰাসবাদীৰ হাতত। ৩১ বছৰীয়া শুভমে ফেব্ৰুৱাৰী মাহত বিবাহপাশত আবদ্ধ হৈছিল। ১৭ এপ্ৰিলত তেওঁ পত্নী ছানিয়া আৰু পৰিয়ালৰ ১১ জন সদস্যৰ সৈতে কাশ্মীৰ ভ্ৰমণ কৰিছিল। ঘোঁৰাত উঠি গৈ থকা অৱস্থাত গুলীয়াই হত্যা কৰা হয় শুভমক। পেহেলগামত প্ৰাণ হেৰুৱালে অৰুণাচল প্ৰদেশৰ ভাৰতীয় বায়ুসেনাৰ বিষয়ায়ো। শ্ৰীনগৰ বায়ুসেনা ঘাটিত কৰ্মৰত অৰুণাচলৰ ভাৰতীয় বায়ুসেনাৰ কৰ্প'ৰেল তাগেহলিয়াগৰ মৃত্যুৰ খবৰে শোকৰ বন্যা তুলিছে উত্তৰ-পূৱৰ ৰাজ্যখনত। এই আক্ৰমণত কৰ্ণাটক, গুজৰাট, হাৰিয়ানা আৰু পশ্চিমবংগৰ পৰা আৰু বহু পৰ্যটক আহত হয়। কৰ্ণাটকৰ এহাল পিতৃ-কন্যা, গুজৰাটৰ এহাল মাতৃ-পুত্ৰ আৰু আন ৰাজ্যৰ কেইবাজনো পৰ্যটক এই নৃশংস আক্ৰমণত গুলীবিদ্ধ হয় যদিও তেওঁলোকৰ অধিকাংশৰে অৱস্থা বৰ্তমান সুস্থিৰ বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ত প্ৰজননৰ কালছোৱাত মাছ ধৰাত নিষেধাজ্ঞা জাৰি

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ এপ্ৰিলঃ** মীন নীতি, ১৯৫৩ অনুসৰি প্ৰজননৰ কালছোৱাত জলাশয়ত মাছৰ সংৰক্ষণ, বংশবৃদ্ধি, উৎপাদন বৃদ্ধিৰ বাবে ডিব্ৰুগড় জিলাত তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি সমগ্ৰ জিলাতে প্ৰথম এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে ৭/১৪ ছেঃমিঃ তকৈ কম পাহিৰ বেৰজাল, মহাজাল, ফাঁচিজাল বা অন্য যিকোনো জাল ঘোষিত মীন মহলত ব্যৱহাৰ কৰা নিষিদ্ধ কৰা হৈছে। ১ মে' পৰা ১৫ জুলাইলৈকে ৰৌ, বাহু, মিৰিকা, মালি, চিতল, পিঠিয়া, ঘৰীয়া আৰু কুঢ়ি প্ৰজাতিৰ কণী থকা গাভিনী মাছ ঘোষিত মীন মহলত ধৰাটো নিষিদ্ধ কৰা হৈছে। ১ আগষ্টৰ পৰা ৩১ অক্টোবৰলৈকে ৰৌ, বাহু, মিৰিকা, মালি, চিতল, পিঠিয়া, ঘৰীয়া আদি মাছৰ ২৩ ছেঃ মিঃ দৈৰ্ঘ্যতকৈ তলৰ আৰু মালি, ভাঙোন, কুঢ়ি মাছৰ ১০ ছেঃ মিঃ দৈৰ্ঘ্যতকৈ সৰু মাছ ধৰিব নোৱাৰিব। ১ মে' পৰা ৩১ জুলাইলৈকে কোনো নদী, ডোবা, বিল বা মীন মহলত ৭ বৰ্গ ছেঃ মিঃতকৈ সৰু ফাঁকৰ বাঁহেৰে তৈয়াৰী মাছ ধৰা সঁজুলি মাছ ধৰাৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। এই নিষেধাজ্ঞাসমূহ ভংগ কৰিলে অসম মীন আইনৰ ২২ নং আৰু ৪১ নং ধাৰা অনুসৰি আইন ভংগকাৰীসকলক জৰিমনা বিহা হ'ব আৰু ব্যৱহাৰ হোৱা জাল, অন্যান্য মাছ ধৰা সঁজুলি আদি বাজেয়াপ্ত কৰা হ'ব।

**ডিব্ৰুগড়ত বন্দী ৰাখিছ পঞ্জাব দে'ৰ মুৰব্বী সন্মুখীন নতুন আটক কালৰ**

# জে'লতেই থাকিব লাগিব অমৃত পাল সিং

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ এপ্ৰিলঃ** ৱাৰিছ পঞ্জাব ডে' প্ৰধান অমৃতপাল সিঙে বুধবাৰে ৰাষ্ট্ৰীয় সুৰক্ষা আইন (এনএছএ) ৰ অধীনত ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত নতুন আটক কাল আৰম্ভ কৰিছে, যিহেতু তেওঁৰ পূৰ্বৰ দুবছৰীয়া আটক কাল ২২ এপ্ৰিলত সমাপ্ত হৈছিল। পঞ্জাব আৰক্ষীৰ এটা দলে অমৃতসৰ জিলা দণ্ডাধীশ সাক্ষী সাহনীয়ে জাৰি কৰা নবীকৃত আটক আদেশ আনুষ্ঠানিকভাৱে কাৰ্যকৰী কৰিবলৈ কাৰাগাৰত উপস্থিত শেষাংশ ৮ পৃষ্ঠাত

> অমৃতপাল সিঙে কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাটো দেশৰ সুৰক্ষা আৰু ৰাজহুৱা শৃংখলাৰ প্ৰতি হানিকাৰক



## গুৱাহাটীত ট্ৰেভেলাৰৰ খুন্দাত যুৱতীৰ মৃত্যু

**ই-সংবাদ, গুৱাহাটী, ১০ জানুৱাৰীঃ** আজি দুপৰীয়া গুৱাহাটীৰ ৰাজপথত ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। পাণবজাৰ এলেকাত এক ভয়াবহ পথ দুৰ্ঘটনাত এগৰাকী যুৱতীয়ে অকালতে মৃত্যুক আকোৱালি হয়। দুৰ্ঘটনাত মৃত্যু হোৱা যুৱতীগৰাকী শেষাংশ ৭ পৃষ্ঠাত

**সৰুপথাৰৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী শৰ্মা**

## 'কংগ্ৰেছে লুঙী-ধুতিৰ ৰাজনীতি কৰে, বিজেপিয়ে উন্নয়নৰ'



**ই-সংবাদ, সৰুপথাৰ, ২৩ এপ্ৰিলঃ** সৰুপথাৰ সমষ্টিৰ চাংপুল পঞ্চায়তৰ তামুলীগাঁও খেলপথাৰত পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। পঞ্চায়ত নিৰ্বাচনত শাসনাধিষ্ঠিত দলটোৱে সৰুপথাৰৰ পৰা সকলো শেষাংশ ১০ পৃষ্ঠাত

## শিৱসাগৰত চুৰি গৰু উদ্ধাৰ, ৪ জনক জেললৈ

**ই-সংবাদ শিৱসাগৰ , ২৩ এপ্ৰিলঃ** উজনি অসমত গৰু চুৰি চক্ৰই সৰ্বসাধাৰণ গো-পালক , খেতিয়কৰ গৰু চুৰি কৰি চোৰাং বেহা চলাই ত্ৰাস সৃষ্টি কৰি অহাৰ সময়তে শিৱসাগৰ আৰক্ষীয়ে এক অভিযান চলাই বৃহৎ সাফল্য লাভ কৰিছে। আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই শেষাংশ ৮ পৃষ্ঠাত

# থলুৱা ঠিকাদাৰসকলক পেটে-ভাতে মৰাৰ ষড়যন্ত্ৰ!

## ১৫ হাজাৰ টকাৰ পঞ্জীয়ন মাচুল হ'ল ৫ লাখ টকা

**ই-সংবাদ, ২৩ এপ্ৰিলঃ** ৰাজ্য চৰকাৰৰ হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰাজ্যৰ ঠিকাদাৰ সমাজ। বৃহৎ ঠিকাদাৰী সংস্থা আৰু চৰকাৰৰ ঘনিষ্ঠ ঠিকাদাৰৰ স্বাৰ্থত ৰাজ্য চৰকাৰে হঠকাৰী সিদ্ধান্ত শেষাংশ ১০ পৃষ্ঠাত

# ভূস্বৰ্গত নৰমেধ ৰাজ্যজুৰি প্ৰতিবাদ-বিক্ষোভ



## হাতীগাঁৱত দাহ পাকিস্তানৰ পতাকা

**গৰিয়া-মৰিয়া পৰিষদৰ প্ৰতিবাদ**

**ই-সংবাদ, ২৩ এপ্ৰিলঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চিৰশত্ৰু পাকিস্তানৰ বিৰুদ্ধে গুৱাহাটীতো নাগৰিক ৰাজপথলৈ ওলাই আহিছে। জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ নৰমেধৰ বিৰুদ্ধে অসমৰ বিভিন্ন প্ৰান্তত দল-সংগঠনে প্ৰতিবাদ কৰাৰ দৰেই শেষাংশ ৭ পৃষ্ঠাত

## শিৱসাগৰত নাগৰিকৰ স্বতঃস্ফূৰ্ত প্ৰতিবাদ

**কাশ্মীৰৰ নাৰকীয় ঘটনাৰ গৰিহনা**

**ই-সংবাদ, শিৱসাগৰ, ২৩ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামত চাৰিবশ গৰাকী ভাৰতীয় নাগৰিকৰ লগতে এগৰাকী বিদেশী নাগৰিকক পাকিস্তানী সন্ত্ৰাসবাদীয়ে অতি শেষাংশ ৭ পৃষ্ঠাত

## সন্ত্ৰাসবাদীৰ নৰমেধৰ বিৰুদ্ধে বশিষ্ঠ প্ৰেছ ক্লাবৰ প্ৰতিবাদ

**ই-সংবাদ, ২৩ এপ্ৰিলঃ** জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ নৰমেধৰ বিৰুদ্ধে অসমৰ বিভিন্ন প্ৰান্তত দল-সংগঠনে প্ৰতিবাদ কৰা দেখা গৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিভিন্ন দল-সংগঠনে ৰাজপথলৈ ওলাই আহি এই ঘটনাক ধিক্কাৰ দি প্ৰতিবাদ সাব্যস্ত কৰিছে। শেষাংশ ৭ পৃষ্ঠাত

**ইঁহুওৱা মানুহজনে কন্দুৱাই গুচি গ'ল ■ মুখ্যমন্ত্ৰীৰ শোক**



# ফেইলাও বসুমতাৰীৰ মৃত্যুত শোকৰ ছাঁ

**ই-সংবাদ, মুছলপুৰ, ২৩ এপ্ৰিলঃ** জনপ্ৰিয় অসমীয়া ধাৰাবাহিক বেহাৰবাৰী আউটপোষ্টৰ জনপ্ৰিয় চৰিত্ৰ 'বসুমতাৰী'ৰ জৰিয়তে দৰ্শকৰ হিয়াৰ আমঠু হৈ পৰা ফেইলাও বসুমতাৰী (৫৫)ৰ যোৱানিশা গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত দেহাৱসান ঘটে। 'বসু দা' তথা মদাহী ছাৱৰূপে 'বেহাৰবাৰী আউটপোষ্ট'ত শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ট্ৰেভেলাৰৰ খুন্দাত যুৱতীৰ

চানমাৰিৰ বাসিন্দা ৰিম্পী শইকীয়া। খবৰমতে, স্কুটীৰে যাত্ৰা কৰি থকা অৱস্থাত এখন ট্ৰেভেলাৰে ৰিম্পীক খুন্দা মাৰে। তীব্ৰ গতি আহি খুন্দা মৰাত তৎক্ষণাৎ ঘটনাস্থলীতে নিহত হয়। দুৰ্ঘটনাৰ পিছত ট্ৰেভেলাৰৰ চালকে গাড়ীখন লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও আৰক্ষীয়ে ট্ৰেভেলাৰখন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে চালকক বিচাৰি উলিয়াবলৈ তদন্ত আৰম্ভ কৰিছে। পাণবজাৰৰ ব্যস্ত ৰাজপথত ঘটা এই ঘটনাই অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰে। স্থানীয় লোকসকলৰ মতে, বেছি গতিবেগ, যান-জঁট আদিয়েই ইয়াৰ মূল কাৰণ বুলি কয় ৰাইজে। মৃত যুৱতীগৰাকীৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰি আৰক্ষীয়ে ন্যায়ৰ বাবে সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# হাতীগাঁৱত দাহ পাকিস্তানৰ পতাকা

গুৱাহাটীতো ৰাইজে ক্ষোভৰ বহিঃপ্ৰকাশ কৰিবলৈ ৰাজপথলৈ ওলাই আহিছে। মহানগৰীৰ হাতীগাঁৱত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি সন্ত্ৰাসবাদীক কঠোৰ হাতেৰে দমন কৰাৰ দাবী জনাইছে ৰাইজে। পেহেলগামেই হওক সন্ত্ৰাসবাদীৰ শেষ কাণ্ড, পাকিস্তান মুৰ্দাবাদ, মৌলবাদ হুঁচিয়াৰ আজি লিখা প্লেকাৰ্ড প্ৰদৰ্শন কৰে। হাতীগাঁৱত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নেতৃত্বত ওলাই আহি পাকিস্তানৰ পতাকা দাহ কৰে। পাকিস্তানবিৰোধী শ্ল’গান দিয়ে। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নুৰুল হকে এই বৰ্বৰতাৰ বাবে পাকিস্তান জগৰীয়া বুলি কৈ পাকিস্তানক শাস্তি দিবলৈ ভাৰত চৰকাৰক দাবী জনাইছে। হাতীগাঁওবাসী পেহেলগামত পাকিস্তানৰ মদতপুষ্ট সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ বিৰুদ্ধে আজি ওলাই অহা বুলি কয় হকে। এনেদৰেই এতিয়া বিভিন্ন দল-সংগঠনে ৰাজপথলৈ ওলাই আহি সন্ত্ৰাসবাদীৰ ঘটনাক ধিক্কাৰ দি প্ৰতিবাদ সাব্যস্ত কৰিছে। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সন্ত্ৰাসবাদীৰ বৰ্বৰ কাণ্ডৰ বিৰুদ্ধে এতিয়া গুৱাহাটীতো দল-সংগঠনে প্ৰতিবাদ কৰিবলৈ ওলাই আহিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সন্ত্ৰাসবাদীৰ নৰমেধৰ বিৰুদ্ধে বশিষ্ঠ

সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। গুৱাহাটীতো দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে। মহানগৰীৰ বেলতলা লক্ষ্মী মন্দিৰত ঘৃণনীয় ঘটনাৰ বিৰুদ্ধে সাংবাদিক সমাজে প্ৰতিবাদ সাব্যস্ত কৰিছে। বশিষ্ঠ প্ৰেছ ক্লাবৰ উদ্যোগত বেলতলা লক্ষ্মী মন্দিৰৰ সন্মুখত মৌন অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বশিষ্ঠ প্ৰেছ ক্লাবৰ সৈতে জড়িত বিভিন্ন সংবাদ সংস্থাৰ সংবাদদিকসকলে মৌন অৱস্থান ধৰ্মঘট পালন কৰে। সন্ত্ৰাসবাদ নিপাত যাওক আদি প্লে’ কাৰ্ড প্ৰদৰ্শন কৰে। মুখত ক’লা কাপোৰ বান্ধি হাতে হাতে প্লে’কাৰ্ড লৈ মৌন প্ৰতিবাদ সাব্যস্ত কৰি সাংবাদিকসকলে কয় যে নিৰীহ ভাৰতীয় লোকৰ হত্যা বন্ধ কৰক চৰকাৰে। শীঘ্ৰে দোষীক কৰায়ত্ত কৰি কঠোৰতকৈ কঠোৰ শাস্তি দিয়াৰো দাবী জনাইছে সাংবাদিকসকলে। এনেকৈয়ে ৰাজ্যজুৰি সৃষ্টি হৈছে প্ৰতিবাদৰ ঢৌ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত নাগৰিকৰ স্বতঃস্ফূৰ্ত

নিষ্ঠুৰভাবে হত্যা কৰা ঘটনাক লৈ শিৱসাগৰ নগৰত নাগৰিক সমাজে প্ৰতিবাদ সাৱস্ত্য কৰি এনে নাৰকীয় ঘটনাক নিন্দা কৰাৰ লগতে ভাৰত চৰকাৰক পাকিস্তানৰ বিৰুদ্ধে কঠোৰ স্থিতি লবলৈ আহবান জনায়।আনহাতে এই ঘটনাৰ বিৰুদ্ধে আজি সৰৱ হৈ পৰে উজনি অসম মুছলিম কল্যাণ পৰিষদ।পৰিষদে এই নাটকীয় ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনাই আজি সন্ধিয়া শিৱসাগৰ নগৰৰ দলমুখ চাৰিআলিত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। কল্যাণ পৰিষদৰ কৰ্মী সকলে ---- পাকিস্তান মুদ্দাবাদ, পাকিস্তানৰ সন্ত্ৰাসবাদী নিপাত যাওক, ভাৰত চৰকাৰে পাকিস্তান আক্ৰমণ কৰক, নিৰীহৰ তেজেৰে ফাকু খেলা নৰপিশাচ হতক হত্যা কৰক, ভাৰতৰ অংগ আজাদ কাশ্মীৰ পাকিস্তানৰ পৰা উদ্ধাৰ কৰক, শীৰ্ষক বিভিন্ন শ্লোগানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ৱালিফুৰ ৰহমানে কয় যে, পাকিস্তানৰ দৰে ভাৰতৰ শত্ৰু ৰাষ্ট্ৰ ই বিশ্বৰ কুখ্যাত ইছলামিক সন্ত্ৰাসবাদীক দীৰ্ঘ দিন ধৰি লালন পালন কৰি আহিছে। ভাৰত চৰকাৰৰ সৰলতাক পাকিস্তানে দুৰ্বলতা বুলি ভাবি কেইবা দশকৰো অধিক কাল কাশ্মীৰত নৰসংহাৰ চলাই আহিছে। সেইবাবে এই সন্ত্ৰাসবাদীয়ে পুনৰ ২৭ গৰাকী নিৰীহ জনতাৰ প্ৰাণ ল’বলৈ কুণ্ঠাবোধ কৰা নাই। ভাৰতে বহুত সহ্য কৰিলে, এতিয়া এনে নাৰকীয় হত্যাকাণ্ডৰ সংঘটিত কৰা নৰপিশাচ হতক ধৰি ৰাজহুৱা স্থানত গুলীয়াই হত্যা কৰিব লাগে। তাৰোপৰি ভাৰত চৰকাৰে তৎকালীন ভাৱে পাকিস্তান আক্ৰমণ কৰি পাক অধিকৃত আজাদ কাশ্মীৰ পাকিস্তানৰ হাতৰ পৰা উদ্ধাৰ কৰিব লাগে বুলি ৱালিফুৰ ৰহমানে মন্তব্য কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ইমতিয়াজ আহমেদে কয় যে, চুৰ ডকাইতে কুকাৰ্য সংঘটিত কৰি সদায় অস্বীকাৰ কৰে। তেনেদৰে সন্ত্ৰাসবাদীৰ কাৰখানা পাকিস্তানে এই নাটকীয় ঘটনাৰ অস্বীকাৰ কৰিছে। প্ৰবল পৰাক্ৰমী ভাৰতীয় সেনাই অতি সোনকালেই আকাশমাৰ্গেৰে পাকিস্তান আক্ৰমণ কৰি তাত থকা উগ্ৰ মৌলবাদী আৰু সন্ত্ৰাসবাদীৰ ঘাটি সমূহ ধংস কৰি এনে নিষ্ঠুৰ হত্যাকাণ্ডৰ পোতক তুলিব লাগে। এই ক্ষেত্ৰত ভাৰত চৰকাৰক প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে সহযোগিতা আগবঢ়াব বুলি ইমতিয়াজ আহমেদে মন্তব্য কৰে। এই প্ৰতিবাদী সভাৰ পাছতেই পাকিস্তানৰ সন্ত্ৰাসবাদীৰ হাতত নিহত হোৱা ২৭ গৰাকী দেশী-বিদেশী পৰ্যটকৰ আত্মাৰ সদগতিৰ বাবে সমজুৱা দোৱা কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰা হয়। এই কাৰ্যসূচীত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহঃ সম্পাদক দাদুল আলি, শিৱসাগৰ জিলা সমিতিৰ কাঃ সভাপতি জিনুল আহমেদ, সাঃ সম্পাদক মিৰাজ হুছেইন, কোষাধ্যক্ষ ৰাজীৰ হুছেইন, নগৰ সমিতিৰ সভাপতি আজিমুদ্দিন আহমেদ, নগৰ সমিতিৰ কাঃ সভাপতি চাদিকুৰ ৰহমান আৰু দলমুখ চাৰিআলি মছজিদ পৰিচালনা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ফেইলাও বসুমতাৰীৰ মৃত্যুত শোকৰ ছাঁ

অভিনয় কৰি বিখ্যাত হৈ পৰা ফেইলাও বসুমতাৰীৰ মৃত্যুত অসমৰ অভিনয় জগতত ব্যাপক শোকৰ ছাঁ পৰে। দীৰ্ঘদিন ধৰি ৰোগত আক্ৰান্ত হৈ থকাৰ মাজতে অভিনয় কৰি যোৱা বসুমতাৰীয়ে আকস্মিক মৃত্যুক আঁকোৱালি লোৱাত মৰ্মাহত হয় সহযোগী শিল্পীসকল। গুৱাহাটীত ধাৰাবাহিকখনৰ দৃশ্যগ্ৰহণ কৰা ঠাইলৈ নি সহঃশিল্পীসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি চকুলো টোকা পৰিলক্ষিত হয়। সিদ্ধাৰ্থ শৰ্মা, মোহন আদিয়ে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। দীৰ্ঘদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ থকা "বসু দা" ওৰফে ফেইলাও বসুমতাৰীৰ মৃত্যুৱে সাংস্কৃতিক জগতত শোকৰ ছাঁ পেলোৱাৰ সমান্তৰালভাৱে বাক্সাতো শোকৰ ছাঁ পেলাইছে। আজি পুৱাৰ ভাগত বাক্সাৰ লাউখাটা বাঘাজানীৰ নিজ বাসগৃহলৈ শিল্পীগৰাকীৰ নশ্বৰ দেহ অনাৰ পিছত সমগ্ৰ অঞ্চলটোত এক শোকাকুল পৰিবেশৰ সূচনা হয় আৰু অজস্ৰ গুণমুগ্ধই তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে বড়ো ৰীতি-নীতিৰ মাজেৰে শিল্পীগৰাকীৰ শেষকৃত্যও সম্পন্ন কৰা হয়। প্ৰয়াত ৰবিৰাম বসুমতাৰী আৰু মাধুৰীবালা বসুমতাৰীৰ সন্তান ফেইলাও বসুমতাৰীয়ে অভিনয়ৰ সমান্তৰালকৈ সংগীতৰ জগতখনতো দখল আছিল। তেওঁৰ মৃত্যুত প্ৰাক্তন বিধায়ক থানেশ্বৰ বসুমতাৰী, বাক্সা জিলা বিজেপি, ক'কলাবাৰী মণ্ডল বিজেপি, বাক্সা জিলা সাংবাদিক সন্থা, বাক্সা জিলা সাহিত্য সভা, বাক্সা জিলা ছাত্ৰ সন্থা, চিকে আঞ্চলিক ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, স্বেচ্ছাসেৱী সংস্থা স্বপ্নদ্ৰষ্টা, জালাহৰ অনন্ত একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, লিটিল ফ্লাৱাৰ ইংলিছ মিডিয়াম স্কুল, উপেন্দ্ৰ স্কলাৰ্ছ একাডেমী, শিমলা সংগীত বিদ্যালয়, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বসুমতাৰীয়ে মৃত্যুৰ সময়ত পত্নী, পুত্ৰ-জীয়ৰীকে ধৰি আত্মীয়-স্বজন আৰু অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অভিনেতাগৰাকীৰ মৃত্যুৰ গভীৰ শোক প্ৰকাশ কৰি এয়া অপূৰণীয় ক্ষতি বুলি কয়। বসুমতাৰীয়ে শ্ৰোতা-দৰ্শকৰ মনত এক বিশেষ ঠাই দখল কৰিছিল। তেখেতৰ অকাল বিয়োগত আমি এগৰাকী দক্ষ অভিনেতাক হেৰুওৱাৰ লগতে বড়ো জনগোষ্ঠীৰ এগৰাকী লোকশিল্পীও হেৰুৱালো। এই বিয়োগত আমি মৰ্মাহত। তেখেতৰ স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰাৰ লগতে শোকাৰ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। বসুমতাৰীৰ আকস্মিক বিয়োগত শোক প্ৰকাশ কৰিছে বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীয়ে। বিধায়কজনে শোক প্ৰকাশ কৰি 'বেহাৰবাৰী আউটপষ্ট' নামৰ ধাৰাবাহিকখনত অভিনয় কৰি উজনি অসমৰ পৰা নামনি অসমলৈকে প্ৰতিগৰাকী দৰ্শকক মন্ত্ৰমুগ্ধ কৰা অভিনেতাগৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে অভিনেতাগৰাকীৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত চুৰি গৰু উদ্ধাৰ, ৪ জনক

এখন টাটা এচি গাড়ীত কঢ়িয়াই অনা ৫ টা চুৰি গৰু জব্দ কৰাৰ লগতে এই জঘন্য কাণ্ডত জড়িত থকাৰ অভিযোগত ৪ জনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। এখন টাটা এচি বাহনত ডিমৌৰ পৰা শিৱসাগৰ চহৰ অভিমুখে চুৰি গৰু কেইটা কঢ়িয়াই আনি থাকোঁতে আৰক্ষীয়ে চুৰি গৰু কেইটা উদ্ধাৰ কৰাৰ লগতে বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও আৰক্ষীয়ে ৬৩/২০২৫ নং গোচৰ ৰুজু কৰি প্ৰথমে গাড়ীখনৰ চালক ৰাজু আলিক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পিছতে ক্ৰমে একেটা গোচৰতে আবিদুল আলি, ৰফিকুল আলি আৰু মুকিব আলিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে সদৰি কৰা অনুসৰি দিচাং মাজগাঁৱৰ নিবাসী ৰাজু আলিক চুৰি গৰু পাঁচটা ৰাষ্ট্ৰীয় ঘাইপথেৰে কঢ়িয়াই আনি থাকোঁতেই হাতে লোটে গ্ৰেপ্তাৰ কৰে। অন্যহাতে বাকী ৩ জনে চুৰি গৰু সৰবৰাহ কৰি অনা টাটা এচি গাড়ী খনৰ পিছত আন এখন বিলাসী বাহনেৰে পহৰা দি আনি আহিছিল। পিছত আৰক্ষীয়ে বাকী তিনিটাকো গ্ৰেপ্তাৰ কৰি আজি আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে। লক্ষ্যণীয় যে এই গৰু চুৰি কাণ্ডৰে জড়িত শিৱসাগৰৰ আন কেইবাটাও চোৰ বৰ্তমান পলাই আছে বুলি আৰক্ষী সূত্ৰই সদৰি কৰিছে। গ্ৰেপ্তাৰ হোৱা ৰাজু আলিয়ে সদৰি কৰা অনুসৰি চুৰি গৰু কেইটা শিৱসাগৰ ধাই আলিলৈ কঢ়িয়াই আনি থাকোঁতেই আৰক্ষীৰ জালত পৰে। উল্লেখ্য যে দীৰ্ঘদিনে শিৱসাগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে চোৰাং গৰুৰ অবাধ সৰবৰাহ কৰি আহিছে। অচিৰেই যাতে গৰু চুৰি চক্ৰৰ মূল মাষ্টাৰ মাইণ্ডক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় তাৰ বাবে আৰক্ষীক অভিযান তীব্ৰ কৰিবলৈ দাবী জনাইছে গো-পালক সকলে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জে'লতেই থাকিব লাগিব অমৃত পাল


উপস্থিত হৈছিল। বিষয়াসকলে নিশ্চিত কৰিছে যে সিঙক ডিব্ৰুগড় কাৰাগাৰৰ অধীক্ষকৰ উপস্থিতিত তেওঁৰ আটকৰ কাৰণ আৰু সম্পৰ্কিত নথি-পত্ৰ থকা এটা পেনড্ৰাইভ দিয়া হৈছিল। ইয়াৰ বিষয়বস্তু পৰ্যালোচনা কৰিবলৈ তেওঁক অস্থায়ীভাৱে এটা লেপটপ দিয়া হৈছিল। নতুন এনএছএ আটক আদেশ প্ৰথমে ১৮ এপ্ৰিলত পঞ্জাব আৰক্ষীৰ ডিএছপি গুৰুবিন্দৰ সিং (অজনালা, অমৃতসৰ গ্ৰামাঞ্চল জিলা)ৰ দ্বাৰা সিঙক জনোৱা হৈছিল। অভিযোগ আৰু আইনী ব্যৱস্থাসমূহ সম্পূৰ্ণকৈ বুজাবলৈ আদেশটো পঞ্জাবী আৰু ইংৰাজী ভাষাত পঢ়ি শুনোৱা হৈছিল। অমৃতসৰ জিলা দণ্ডাধীশৰ আদেশত উল্লেখ কৰা হৈছিল যে সিঙে মুক্তি পালে "ৰাজ্যৰ সুৰক্ষা আৰু ৰাজহুৱা শৃংখলা"ৰ প্ৰতি হানিকাৰক কাৰ্যকলাপত জড়িত হোৱাৰ "গুৰুতৰ আৰু আসন্ন বিপদ" আছে। এই সিদ্ধান্ত অমৃতসৰ গ্ৰামাঞ্চলৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (এছএছপি) মনিন্দৰ সিঙৰ পৰা অহা এক প্ৰস্তাৱৰ পিছত লোৱা হৈছিল, যিয়ে নথি-পত্ৰ, অডিঅ' ক্লিপ আৰু অন্যান্য প্ৰমাণৰ দ্বাৰা সমৰ্থিত চলি থকা সুৰক্ষা উদ্বেগৰ কথা উল্লেখ কৰিছিল। "আপুনি আটকৰ পৰা মুক্তি পালে ৰাজ্যৰ সুৰক্ষা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাৰ প্ৰতি হানিকাৰক কাৰ্যকলাপত জড়িত হোৱাৰ গুৰুতৰ আৰু আসন্ন বিপদ আছে। গতিকে এনে কাৰ্যকলাপ ৰোধ কৰিবলৈ ২৩ এপ্ৰিল, ২০২৫ ৰ পৰা আপোনাক পুনৰ আটক কৰা আৱশ্যক," আদেশত উল্লেখ কৰা হৈছে। আদেশ অনুসৰি, সিঙৰ তিনি সপ্তাহৰ ভিতৰত পঞ্জাব চৰকাৰ, এনএছএ পৰামৰ্শদাতা বোৰ্ড আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আপীল কৰাৰ অধিকাৰ আছে। তেওঁৰ আইনী দলে এই বৰ্ধিতকৰণক চেলেঞ্জ কৰিব বুলি আশা কৰা হৈছে। যিহেতু সিঙৰ আটক কাল দীঘলীয়া কৰা হৈছে, তেওঁৰ সৈতে ডিব্ৰুগড়ত আটক কৰি ৰখা ৯ জন সহযোগীক শেহতীয়াকৈ তেওঁলোকৰ দুবছৰীয়া এনএছএ ম্যাদ শেষ হোৱাৰ পিছত পঞ্জাবলৈ স্থানান্তৰিত কৰা হৈছে। পঞ্জাব চৰকাৰে কুলৱন্ত সিং ধালিৱাল, হৰজিৎ সিং, গুৰিন্দৰপাল সিং আউজলা, গুৰমিত সিং বুক্কানৱালা, ভগৱন্ত সিং, দলজিৎ সিং কালসি, বসন্ত সিং, ভাৰিন্দৰ সিং জোহাল আৰু পাপলপ্ৰীত সিঙৰ বাবে সময়সীমা বৰ্ধিত কৰিবলৈ নিবিচাৰিলে। এই লোকসকলে এতিয়া ২০২৩ চনৰ অজনালা আৰক্ষী থানা আক্ৰমণ গোচৰত অভিযুক্ত হিচাপে পঞ্জাবত বিচাৰৰ সন্মুখীন হ'ব। অমৃতপাল সিঙৰ আটক ২০২৩ চনৰ ২৩ এপ্ৰিলত ৱাৰিছ পঞ্জাব ডে' কাৰ্যকলাপৰ বিৰুদ্ধে চৰকাৰী অভিযানৰ সময়ত গ্ৰেপ্তাৰ হোৱাৰে পৰা উল্লেখযোগ্য আগ্ৰহৰ বিষয় হৈ আছে। উল্লেখযোগ্য যে কাৰাগাৰত থকা সত্বেও সিঙে ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত খাদুৰ চাহিব লোকসভা আসনৰ পৰা স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## দুই উগ্ৰপন্থীক এনকাউণ্টাৰ, ১২০০ লোকক আটক আৰক্ষীৰ

# সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ব্যাপক অভিযান জম্মু-কাশ্মীৰত

**শ্ৰীনগৰ, ২৩ এপ্ৰিল:** জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত ভয়ংকৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত, নিৰাপত্তাৰক্ষীয়ে সমগ্ৰ অঞ্চলটোত এক বৃহৎ অভিযান আৰম্ভ কৰিছে। এক তীব্ৰ তদন্তৰ অংশ হিচাপে দক্ষিণ কাশ্মীৰত সন্ত্ৰাসবাদী সংগঠনৰ সৈতে সম্পৰ্কিত ২৫০ তকৈও অধিক অভাৰগ্ৰাউণ্ড কৰ্মীক আটক কৰা হৈছে। তদুপৰি, কৰ্তৃপক্ষই সমগ্ৰ কাশ্মীৰত সন্ত্ৰাসবাদ সম্পৰ্কীয় গোচৰত অভিযুক্ত প্ৰায় ১২,০০ ব্যক্তিক আটক কৰিছে। বিষয়াসকলৰ মতে, পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত সহায় কৰা নেটৱৰ্কটো উন্মোচন কৰাৰ এক বহল প্ৰচেষ্টাৰ অংশ হৈছে এই অভিযান। মুঠতে, জম্মু-কাশ্মীৰ আৰক্ষী আৰু অন্যান্য নিৰাপত্তা সংস্থাৰ যুটীয়া অভিযানৰ অংশ হিচাপে প্ৰায় ১৪৫০ জন লোকক সোধা-পোছাৰ বাবে জিম্মাত লোৱা হৈছে। ইফালে বুধবাৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে চীফ অফ ডিফেন্স ষ্টাফ আৰু তিনিগৰাকী সেনা প্ৰধানৰ সৈতে বৈঠকত মিলিত হয়। পেহেলগামত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিততে দুদিনীয়া ছৌদি আৰৱ ভ্ৰমণ আধাতে সামৰি আজি পুৱাই স্বদেশত আহি উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ভাৰতত উপস্থিত হৈয়ে প্ৰধানমন্ত্ৰী মোদীয়ে কেবিনেট কমিটি অৱ চিকিউৰিটি বা চিচিএছৰ এক গুৰুত্বপূৰ্ণ বৈঠকত সভাপতিত্ব কৰি সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে আলোচনাত মিলিত হয়। আজি পুৱাই বাৰামুল্লাত নিৰাপত্তা বাহিনীৰ অভিযানত দুই পাকিস্তানী উগ্ৰপন্থী নিহত হয় যদিও তেওঁলোকৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে সম্পৰ্ক আছে নে নাই সেয়া নিশ্চিত হোৱা নাই। সম্প্ৰতি জম্মু-কাশ্মীৰৰ কুলগাম অঞ্চলত সেনাই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। কুলগামৰ তানমাৰ্গত চলাই থকা হৈছে এনকাউণ্টাৰ।



ডাল লেকৰ পাৰত টালি-টোপোলা বান্ধি ঘৰলৈ উভতিবলৈ সাজু পৰ্যটক, ফটো বুধবাৰৰ



## পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ বিৰাটৰ প্ৰতিক্ৰিয়া

**নতুন দিল্লী, ২৩ এপ্ৰিল:** পেহেলগামৰ ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত বিৰাট কোহলিৰ প্ৰতিক্ৰিয়া। এক ইনষ্টাগ্ৰাম প'ষ্টযোগে ক্ৰিকেটাৰগৰাকীয়ে কয়, ''পেহেলগামত নিৰীহ লোকৰ ওপৰত হোৱা জঘন্য আক্ৰমণত গভীৰভাৱে দুখিত। পীড়িতসকলৰ পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ। প্ৰাণ হেৰুওৱা সকলো লোকৰ পৰিয়ালৰ শান্তি আৰু শক্তিৰ বাবে প্ৰাৰ্থনা কৰিছোঁ আৰু এই নিষ্ঠুৰ কাৰ্য্যৰ ন্যায় হ'বই লাগিব।" ইফালে প্ৰাক্তন ভাৰতীয় ক্ৰিকেটাৰ শ্ৰীবৎস গোস্বামীয়েও ঘটনা প্ৰসংগত মন্তব্য কৰে যে ভাৰতে আৰু কেতিয়াও পাকিস্তানৰ সৈতে ক্ৰিকেট খেলিব নালাগে।

## ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণ বাতিল

**নতুন দিল্লী, ২৩ এপ্ৰিল:** জম্মু কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আগন্তুক অসম ভ্ৰমণ বাতিল কৰিছে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰেৰণ কৰা এক বাৰ্তাত এই কথা উল্লেখ কৰা হৈছে। ২৪ এপ্ৰিলত দুটা চৰকাৰী অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰপতিগৰাকী অসমত উপস্থিত হোৱাৰ কথা আছিল। ৰাজ্য চৰকাৰৰ এক অনুষ্ঠানত নৃত্য পটিয়সী সোনাল মানসিঙক তেওঁ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰাৰ কথা আছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩২ সংখ্যক সমাৱৰ্তনৰ বাবেও তেওঁক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বাবে দুয়োটা অনুষ্ঠানতে উপস্থিত থাকিব নোৱাৰিব ৰাষ্ট্ৰপতিগৰাকী। অসম ৰাজ্যপাল সচিবালয়ৰ এগৰাকী বিষয়াই জনায়, "জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে এই ভ্ৰমণ স্থগিত ৰখা হৈছে। এই সন্দৰ্ভত ৰাষ্ট্ৰপতি ভৱনৰ পৰা বাৰ্তা প্ৰেৰণ কৰিছে। পৰৱৰ্তী সময়ত পুনৰ তাৰিখ নিৰ্ধাৰণ কৰা হ'ব।" অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ঘোষণা কৰা তাৰিখ আৰু সময়তে ৰাষ্ট্ৰপতিৰ অবিহনে সমাৱৰ্তন অনুষ্ঠিত কৰিব।

## পেহেলগামৰ আক্ৰমণৰ পাকিস্তানৰ সৈতে সম্পৰ্ক নাই!


**ইছলামাবাদ, ২৩ এপ্ৰিল:** পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাজা আচিফে মন্তব্য কৰিছে যে পেহেলগামৰ আক্ৰমণৰ সৈতে পাকিস্তানৰ সম্পৰ্ক নাই। তেওঁ এই হিংসাত্মক ঘটনাক "ঘৰুৱা" আৰু নতুন দিল্লীৰ বিৰুদ্ধে "বহল বিদ্ৰোহৰ" অংশ বুলি অভিহিত কৰে। এই আক্ৰমণৰ ক্ষেত্ৰত পাকিস্তানৰ সম্পৰ্ক নাকচ কৰি আচিফে কয়, "এইবোৰ বিদেশী হস্তক্ষেপৰ কাম নহয়, স্থানীয় বিদ্ৰোহ।" উল্লেখ্য যে পাক মূলৰ সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা আৰু টি আৰ এফে এই বৰ্বৰ আক্ৰমণৰ দায়িত্ব ইতিমধ্যে স্বীকাৰ কৰিছে।

## জম্মু-কাশ্মীৰ ভ্ৰমণৰ ৯০ শতাংশ বুকিং বাতিল

**নতুন দিল্লী, ২৩ এপ্ৰিল:** পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ট্ৰেভেল এজেন্সীসমূহত জম্মু-কাশ্মীৰ ভ্ৰমণৰ বাবে কৰা প্ৰায় ৯০ শতাংশ বুকিং বাতিল কৰা হৈছে। সুৰক্ষাজনিত কাৰণত পৰ্যটকসকলে কাশ্মীৰ ভ্ৰমণ বাতিল কৰাৰ কথা প্ৰকাশ কৰিছে দিল্লীস্থিত কেইবাটাও ট্ৰেভেল এজেন্সীয়ে।

## ৭ বছৰীয়া তপস্যাৰ অন্তত শীৰ্ষত শক্তি ডুবে

**নতুন দিল্লী, ২৩ এপ্ৰিল:** সদ্যঘোষিত ইউপিএছচি পৰীক্ষাত শীৰ্ষস্থান দখল কৰে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজৰ শক্তি ডুবেয়ে। তেওঁ এলাহাবাদ বিশ্ব বিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পাছত বেনাৰস বিশ্ববিদ্যালয়ৰ পৰা বায়'কেমিষ্ট্ৰীত স্নাতকোত্তৰ ডিগ্ৰী



লৈছিল। ইয়াৰ পাছত তেওঁ ২০১৮ চনৰ পৰা লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছিল আৰু এইবাৰ ৭ বছৰৰ মূৰত শক্তিয়ে এই পৰীক্ষাত কেৱল সফল হোৱাই নহয়, প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছে লুঙী-ধুতিৰ ৰাজনীতি কৰে

প্ৰাৰ্থীকে জয়ী কৰি নিয়াৰ উদ্দেশ্যে আজি সৰুপথাৰত মাৰাথন প্ৰচাৰ চলায় শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টীয়ে। সমষ্টিটোৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় পাঁচ লক্ষাধিক লোকে অংশ গ্ৰহণ কৰে এই নিৰ্বাচনী সভাত। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে আঁত ধৰা ৰাজহুৱা সভাত মন্ত্ৰী অতুল বৰাই ভাষণ প্ৰসংগত প্ৰথমে সমষ্টিটোত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰা সকলো প্ৰাৰ্থীক অভিনন্দন জনায়। আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিৰোধীক ধূলিসাৎ কৰিবলৈ আহ্বান জনায়। অসমত কংগ্ৰেছ শূন্যৰ পৰা মহাশূন্যলৈ গতি কৰিব আৰু কংগ্ৰেছ বিধ্বস্ত হ'ব বুলি কঠোৰ সমালোচনা কৰে। আনহাতে কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই কয় যে বিৰোধীৰ উন্নতিৰ বাবে নাহে বিৰোধী কেৱল মুখ্যমন্ত্ৰীক সমালোচনা কৰিবৰ কাৰণে আহে। বিজেপি চৰকাৰৰ দিনত যুৱকসকলক স্বাৱলম্বীৰ কাৰণে বিভিন্ন আঁচনি দিছে, নিযুত মইনা আঁচনি দিছে, ৰেচন কাৰ্ড দিয়াৰ লগতে অসমৰ সৰ্বাংগীণ উন্নতিৰ কাৰণে চৰকাৰে কাম কৰিছে বুলি ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত মন্ত্ৰী শৰ্মাই বহুকেইখন আঁচনিৰ কথা ঘোষণা কৰে। ৰাজ্যৰ প্ৰধান বিৰোধী ৰাজনৈতিক দল কংগ্ৰেছক লক্ষ্য কৰি তীব্ৰ সমালোচনা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। প্ৰথমে পাকিস্তানৰ সন্ত্ৰাসবাদৰ গুলীত নিহত হোৱা পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বিগত ৬০ বছৰৰ কংগ্ৰেছৰ চৰকাৰৰ দিনত অংগনবাড়ী কেন্দ্ৰত পাৰ চৰাই এটাও সোমাব নোৱাৰে অৰ্থাৎ কোনো উন্নয়ন হোৱা নাছিল। এখনো তামোল নোখোৱাকৈ আমি বিজেপি চৰকাৰে আমি ডেৰলাখ নিবনুৱাক চাকৰি দিছোঁ। আগতে অসমৰ ল'ৰাই নিষিদ্ধঘোষিত সংগঠন আলফাত যাব বিচাৰিছিল কিন্তু এতিয়া ল'ৰাই পুলিচ, আৰ্মীত যাব বিচাৰে। কংগ্ৰেছৰ দিনত প্ৰথম পাঁচখন আঁচনি লুঙী, সূতা, কম্বল আৰু আঁঠুৱা আছিল বুলি কঠোৰভাৱে কটাক্ষ কৰে। কংগ্ৰেছৰ দিনত ৰেচন কাৰ্ড মানে বাংলাদেশী প্ৰমাণপত্ৰ আৰু বিজেপিৰ দিনত ৰেচন কাৰ্ড লাভ কৰা মানে হ'ল আয়ুষ্মান কাৰ্ড, কম দামত চাউল, অৰুণোদয় আঁচনি। ল'ৰাবিলাকৰ বাবেও প্ৰতিবছৰে দুলাখ টকাকৈ দিয়াৰ কথা ঘোষণা কৰে। যিসকল ল'ৰাই ডিগ্ৰী পাছ কৰিব সেইসকলৰ একাউন্ট এবছৰৰ বাবে প্ৰতি মাহে ১০০০ কৈ টকা দিব। তাৰ উপৰি হিমন্ত চৰকাৰ দিনত বসুন্ধৰা আঁচনিৰ জৰিয়তে অসমৰ বহু সমস্যা সমাধান হৈছে হৈছে বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। সৰুপথাৰত ৫০০০ যুৱক যুৱতীক সংস্থাপন কৰিবৰ কাৰণে এটা উদ্যোগ প্ৰতিষ্ঠা কৰিব বুলি জানিবলৈ দিয়ে। বিজেপি অহাৰ পিছত অসমত শান্তি হ'ল, উন্নতি হল। কংগ্ৰেছৰ দিনত এইবিলাক সম্ভৱ নাছিল। কংগ্ৰেছে অকল লুঙী আৰু ধুতিৰ বাবেহে কাম কৰে বুলি কঠোৰ ভাষাৰে সমালোচনা কৰে কংগ্ৰেছক। উল্লেখযোগ্য যে সভাত মন্ত্ৰী নন্দিতা গাৰ্লোচা, বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে বহুকেইজন ৰাজনৈতিক নেতা উপস্থিত থাকে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# থলুৱা ঠিকাদাৰসকলক পেটে-ভাতে

লৈছে। অসমৰ থলুৱা ঠিকাদাৰসকলক পেটে-ভাতে মৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে অসম চৰকাৰে। লোকনিৰ্মাণ বিভাগৰ ঠিকাৰ পঞ্জীয়নৰ মাচুল ৰাজ্য চৰকাৰে ভায়ৰহ হাৰত বৃদ্ধি কৰিছে। পূৰ্বতকৈ কেইবাগুণ মাচুল বৃদ্ধি কৰাত একাংশ ঠিকাদাৰে মূৰে-কপালে হাত দিছে। মাচুলৰ পৰিমাণ প্ৰত্যক্ষ কৰি ঠিকাদাৰৰ হাত-ভৰি লুকাইছে। এতিয়াৰ পৰা প্ৰথম শ্ৰেণীৰ এ-ৰ ঠিদাকাৰৰ পঞ্জীয়ন মাচুল কৰা হৈছে ৫ লাখ টকা। প্ৰথম শ্ৰেণীৰ বি-ৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল কৰা হৈছে ২ লাখ টকা। প্ৰথম শ্ৰেণীৰ চি-ৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল কৰা হৈছে ২ লাখ টকা। দ্বিতীয় শ্ৰেণীৰ ঠিকাদাৰৰ পঞ্জীয় মাচুল ৫০ হাজাৰ টকা। তৃতীয় শ্ৰেণীৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল ২৫ হাজাৰ টকা। নতুনকৈ পঞ্জীয়ন আৰু নবীকৰণৰ ক্ষেত্ৰতো একেই মাচুল নিৰ্ধাৰণ কৰা হৈছে। পঞ্জীয়ন মাচুলৰ টকা লৈ ঘূৰাই নিদিয়ে লোকনিৰ্মাণ বিভাগে। যি টকা পূৰ্বে ঠিকাদাৰক ঘূৰাই দিছিল। ইপিনে ২০১৮ চন পৰ্যন্ত পঞ্জীয়ন মাচুল আছিল প্ৰথম শ্ৰেণীৰ এ-ৰ ঠিকাদাৰৰ ১৫ হাজাৰ টকা। প্ৰথম শ্ৰেণীৰ বি-ৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল কৰা হৈছে ১০ হাজাৰ টকা, প্ৰথম শ্ৰেণীৰ চি-ৰ ঠিদাকাৰৰ পঞ্জীয়ন মাচুল কৰা হৈছে ৫ হাজাৰ টকা। দ্বিতীয় শ্ৰেণীৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল ২ হাজাৰ টকা। তৃতীয় শ্ৰেণীৰ ঠিকাদাৰৰ পঞ্জীয়ন মাচুল ৫০০ টকা আছিল। মাথোঁ ৫ বছৰৰ ভিতৰত বিজেপি চৰকাৰৰ দিনত পঞ্জীয়ন মাচুলৰ আকাশ-পাতাল পাৰ্থক্য হয়। পূৰ্বে পঞ্জীয়ন মাচুলৰ ধন নিৰ্দিষ্ট সময়ৰ অন্তত ওভতাই দিয়া হৈছিল। কিন্তু এতিয়াৰ পৰা সেই ধন ৰাজকোষলৈ যাব। ইয়াকে লৈ আজি পূব গুৱাহাটী বিহু সন্মিলনীৰ কাৰ্যালয়ত লোকনিৰ্মাণ বিভাগৰ ঠিকাদাৰ সন্থাই সভা অনুষ্ঠিত কৰে। সভাত এনে হঠকাৰী সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাইছে। ঠিকাদাৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে কয় যে আমাৰ ওপৰত বোজা জাপি দিয়া হৈছে। এই নিৰ্দেশনা বাতিল কৰক। এই বোজা আমি বহন কৰিব নোৱাৰিম। তিনি বছৰৰ মূৰে মূৰে এনেকৈ টকা দি থাকিব লাগিব। আজিৰ সভাৰ পৰাই মুখ্যমন্ত্ৰী ড০ শৰ্মাক আৰ্জি দি এই নিৰ্দেশনা বাতিল কৰাৰ দাবী উত্থাপন কৰিছে। পূৰ্বৰ দৰেই পঞ্জীয়ন মাচুল বাহাল ৰখাৰ দাবী জনায়। ঠিকাদাৰসকলে কয় যে চৰকাৰৰ এনে সিদ্ধান্তৰ বাবে বহু ঠিকাদাৰে ঠিকাদাৰী এৰিবলৈ বাধ্য হৈছে।

# ৫ মে'ত সোৱণশিৰি ছাত্ৰ সন্থাৰ ব'হাগী উৎসৱৰ আয়োজন

**ই-সংবাদ, সোৱণশিৰি, ২৩ এপ্ৰিলঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তৰ্গত সোৱণশিৰিত সোৱণশিৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এবেলিও অহা ৫ মে'ত দিনজোৰা কাৰ্যসূচীৰে ব'হাগী বিদায় উৎসৱৰ আয়োজন কৰা হৈছে। সোৱণশিৰি আঞ্চলিক ছাত্ৰ সন্থাৰ নৱ নিৰ্বাচিত ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম খনিকৰ, সম্পাদক মৃদুপৱন ভৰালীৰ লগতে উপদেষ্টা গৌৰী শংকৰ বৰুৱা আৰু মাধৱ শইকীয়াই ব'হাগী উৎসৱৰ সকলো কাৰ্যসূচীত সকলো শ্ৰেণীৰ লোকৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# নলবাৰীত অবাধে চলিছে কণীযুক্ত মাছৰ নিধনযজ্ঞ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৩ এপ্ৰিলঃ** নলবাৰীত মীন আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি বৰ্তমান ব্যাপক হাৰত কণীধাৰণ কৰা মাছৰ নিধন কাৰ্য অব্যাহত আছে। মীন বিভাগৰ সোপাটিলা নিয়মৰ বাবে এচাম ব্যৱসায়ীয়ে মুকলিকৈ এনে মাছ নিধনযজ্ঞ চলাই আহিছে বুলি অভিযোগ উঠিছে। কৃষি চহকী জিলাখনৰ চহৰ অঞ্চলকে ধৰি গাঁও অঞ্চলৰ চ'ক-বজাৰত সৰ্বত্ৰে বিভিন্ন প্ৰজাতিৰ কণীযুক্ত মাছ বিক্ৰী হৈ থকাত সচেতন মহলে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। মৎস্যকুলৰ বংশবৃদ্ধিৰ সময়ৰ প্ৰতি লক্ষ্য ৰাখি বিভাগীয় কৰ্তৃপক্ষই প্ৰতি বছৰে পহিলা এপ্ৰিলৰ পৰা কণীযুক্ত থলুৱা মাছ ধৰা আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰি আহিছে যদিও এয়া এক গতানুগতিক নিয়মহে মাথোঁ। জানিব পৰা মতে, ১৫ জুলাই পৰ্যন্ত মৎস্য কুলৰ প্ৰজননৰ সময় হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ মীন বিভাগে প্ৰতিখন জিলাতে এই সময়ছোৱাত প্ৰযোজ্য হোৱাকৈ মাছ ধৰাৰ ক্ষেত্ৰত বিভিন্ন জাল ব্যৱহাৰ কঠোৰভাৱে বাৰণ কৰি কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে যদিও সেই নিয়ম জিলাখনত পালন কৰা হোৱা নাই। জিলা প্ৰশাসন, মীন বিভাগৰ সন্মুখতে জিলাখনৰ মাছৰ দৈনিক বজাৰ ,সাপ্তাহিক, অৰ্ধসাপ্তাহিক আৰু বিভিন্ন চ'ক-বজাৰত বিক্ৰী হৈ আছে কুইন্টলে কুইন্টলে কণীযুক্ত মাছ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কোৰ-আনৰ কলিমাই প্ৰাণ ৰক্ষা কৰিলে

কঁপাই গৈছে। এই ঘটনাৰ পিছতে সমগ্ৰ দেশবাসীৰ খং-ক্ষোভ বৃদ্ধি পাবলৈ ধৰিছে। এই ঘটনাৰ আঁৰত পাকিস্তান জড়িত থকাৰ তথ্য ওলাই পৰাত দেশবাসীয়ে পাকিস্তানকো একেই ভাষাৰে উত্তৰ দিয়াৰ দাবী উত্থাপন হ'বলৈ ধৰিছে। তাৰ মাজতে এই ঘটনাক লৈ বিভিন্ন দিশ পোহৰলৈ আহিবলৈ ধৰিছে। সন্ত্ৰাসবাদীৰ নৰসংহাৰৰ সময়ত কেনেদৰে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল সেয়া পোহৰলৈ আহিব ধৰিছে। সন্ত্ৰাসবাদীয়ে কোনসকল লোকক লক্ষ্য কৰি লৈ গুলীচলাইছিল সেই কথা পোহৰলৈ আহিছে। অসমৰ পৰা পৰ্যটক হিচাপে যোৱা এটা পৰিয়ালৰ প্ৰাণ ৰক্ষা পৰে। পৰিয়ালটোৱে সন্ত্ৰাসবাদীৰ সৈতে মুখামুখি হৈও উপস্থিত বুদ্ধিৰ বাবে প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয়। সন্ত্ৰাসবাদীয়ে নৃশংস ঘটনা সংঘটিত কৰাৰ সময়তে পৰ্যটকৰ পৰিচয় উদ্ধাৰ কৰি আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি প্ৰকাশ পোৱাৰ সময়তে অসমৰ পৰিয়ালটোৱে হিন্দু হোৱাৰ পিছতো প্ৰাণ ৰক্ষা পৰিছিল। তাৰ কাৰণ আছিল কলিমা। কলিমা পঢ়ি শুনোৱাৰ বাবে সন্ত্ৰাসবাদীয়ে ৰেহাই দিয়ে। যদি পৰিয়ালটোৱে কলিমা পঢ়ি শুনাব নোৱাৰিলেহেঁতেন তেন্তে নিৰ্বিচাৰ গুলীৰে হত্যা কৰিলেহেঁতেন পৰিয়ালটোক। কলিমা পঢ়াৰ ফলত পৰিয়ালটোক মুছলমান বুলি ভাবি গুলী নকৰিলে বুলি খোদ পৰিয়ালটোৱে দাবী কৰিছে। অসম বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ সহযোগী অধ্যাপক দেৱাশীস ভট্টাচাৰ্যৰ পৰিয়াল ৰক্ষা পৰিছে। জানিব পৰা মতে, অসম বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ সহযোগী অধ্যাপক দেৱাশীস ভট্টাচাৰ্যই পত্নী-পুত্ৰৰ সৈতে সপৰিয়াল ফুৰিবলৈ গৈছিল জম্মু-কাশ্মীৰলৈ। কালি জম্মু-কাশ্মীৰৰ পেহেলগামত আছিল। পাহাৰৰ যিখিনি ঠাইত গুলীচালানা কৰিছিল সেই ঠাইতে আছিল পৰিয়ালটো। গুলীৰ শব্দ শুনাৰ পিছতে জংঘলত সোমাই পৰিছিল। দুজন সন্ত্ৰাসবাদীয়ে দেৱাশীস ভট্টাচাৰ্যৰ পৰিয়ালৰ দিশে আগবাঢ়ি আহে। তেতিয়াই দেৱাশীস ভট্টাচাৰ্যই কলিমা পঢ়া আৰম্ভ কৰে। যাৰ বাবে মুছলমান বুলি গণ্য কৰি এৰি দিয়ে। ফলত প্ৰাণ ৰক্ষা পৰে পৰিয়ালটোৰ। পৰিয়ালটোৱে দাবী কৰি মতে জংঘলত সন্ত্ৰাসবাদীৰ সৈতে মুখামুখি হয়। সন্ত্ৰাসবাদীয়ে বুকুত বন্দুক ৰাখিছিল আৰু সুধিছিল কি কৈ আছা। তেতিয়া জোৰকৈ কলিমা পঢ়িবলৈ আৰম্ভ কৰিলো। মোক এৰি মোৰ কাষৰজনক মূৰত গুলী মাৰি সন্ত্ৰাসবাদীয়ে গুচি যায়। দেৱাশীস ভট্টাচাৰ্যই কয় যে তিনি মিনিটমান পিছতে সন্ত্ৰাসবাদীসকল আমাৰৰ ওচৰৰ পৰা গুচি গৈছিল। হিন্দু হৈও কলিমা পঢ়ি নিজৰ জীৱন ৰক্ষা কৰা দেৱাশীস ভট্টাচাৰ্যই। বৰাকত বসবাস কৰা দেৱাশীস ভট্টাচাৰ্যই কলিমা মুখস্থ কৰাটোৱে মৃত্যুৰ পৰা হাত সাৰাৰ কাৰণ হৈ পৰিল। শিলচৰ শিৱালিক পাৰ্কৰ বাসিন্দা দেবাশীস ভট্টাচাৰ্য শিলচৰ অসম বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক। জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত ২৭ জন লোক নিহত হৈছে। পাকিস্তানভিত্তিক লস্কৰ-এ-তৈবাই আক্ৰমণৰ দায়িত্ব গ্ৰহণ কৰিছে। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৰিয়ালটোৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰি অসমলৈ সুৰক্ষিত অৱস্থাত ঘূৰাই আনিব বুলি কয়। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে বিবৃতি যোগে কয় যে মাননীয় মুখ্যমন্ত্ৰীয়ে কালি জম্মু-কাশ্মীৰৰ পেহেলগামত হোৱা নৃশংস আক্ৰমণৰ পৰা ৰক্ষা পোৱা এগৰাকী অসমৰ লোকৰ সৈতে কথা পাতি কালি তেওঁ সন্মুখীন হোৱা ঘটনাৰ সম্পূৰ্ণ বুজ লয়। পৰিয়ালটোক ৰাজ্যলৈ সুকলমে তৎকালীনভাৱে ওভতাই অনাৰ বাবে অসম চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অসমত এতিয়া ৫ জনহে ধনী ব্যক্তি'

দলে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত ৰখাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছো এইক্ষেত্ৰত পিছপৰি ৰোৱা নাই। আজি তিনিচুকীয়া জিলাৰ ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ধলাৰ হাঁহখাতি গাঁৱত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে এক নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'য়। যোৰহাটৰ সাংসদগৰাকীয়ে কংগ্ৰেছ সমৰ্থিত প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে জম্মু-কাশ্মীৰ পেহেলগামত সংঘটিত বৰ্বৰ পাক সমৰ্থিত সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত প্ৰথমে মৃতকৰ সদগতি কামনা কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। সাংসদগৰাকীয়ে কয় যে সন্ত্ৰাসবাদীসকলে মানুহৰ মাজত আতংকৰ সৃষ্টি কৰে, জম্মু-কাশ্মীৰক অৰ্থনৈতিকভাৱে দুৰ্বল কৰিবলৈ প্ৰয়াস কৰাৰ লগতে বিভাজন আনিবলৈ চেষ্টা কৰিছে। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ সকলোৱে মিলি সন্ত্ৰাসবাদীসকলক ধৰাৰ লগতে পাকিস্তানে উচিত প্ৰত্যুত্তৰ পাব লাগে বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ ওপৰতো প্ৰতিক্ৰিয়া ব্যক্ত কৰি সাংসদ গৌৰৱ গগৈয়ে কয় যে ড° হিমন্ত বিশ্ব শৰ্মাই পৰোক্ষভাৱে সাংবাদিকসকলৰ আগত মত ব্যক্ত কৰিছিল যে অসমৰ এজন সাংসদ ইছলামাবাদত ১৫ দিন আছিল। ভাৰত চৰকাৰৰ অনুমতি নোহোৱাকৈ কেনেকৈ পাকিস্তানত থাকিলে? আমাৰ হাতত সকলো তথ্য আৰু প্ৰমাণ আছে, আমি ৰাজহুৱা কৰিম। সাংসদজনৰ পাকিস্তানৰ দূতাবাসৰ লগতো সম্পৰ্ক। আৰু বহু কথা পোহৰলৈ আহিব, এজন গৌৰৱী পিতৃৰ সন্তান কেনেকৈ দেশৰ বিৰুদ্ধে যাব পাৰে? ইয়াৰ তথ্য-প্ৰমাণ দেশৰ স্বাৰ্থত ৰাইজৰ মাজলৈ আনিব লাগিব। বিভিন্নজনৰ সহায়ত আমি বহু দূৰ আগবাঢ়ি গৈছোঁ। পাকিস্তানৰ সৈতে সেই পৰিয়ালটোৰ স্পষ্ট প্ৰমাণ দেখিবলৈ পাব ছেপ্টেম্বৰ মাহৰ ৩০ তাৰিখৰ আগত। আমি প্ৰতিবেদন ৰাজহুৱা কৰিম, জনতাৰ সন্মুখত আনিম। পাকিস্তান আমাৰ ডাঙৰ শত্ৰু, কিন্তু দেশৰ ভিতৰত থাকি পাকিস্তানৰ গুণ-গান কৰাসকল তাতকৈ ডাঙৰ শত্ৰু। নাম নোলোৱাকৈ সাংসদ গৌৰৱ গগৈৰ বিৰুদ্ধে কৰা এই বিস্ফোৰক মন্তব্য কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যুত্তৰস্বৰূপে গৌৰৱ গগৈয়ে কয় যে ছেপ্টেম্বৰলৈ কিয় ৰ'ব লাগে, এতিয়াই ৰাজহুৱা কৰক! আৰু তেওঁ যি ধৰণেৰে বিচাৰে, তেনেকৈয়ে তদন্ত কৰক! পঞ্চায়ত নিৰ্বাচনৰ সময়ত তেওঁলোকৰ ৰাইজৰ হকে কোনোধৰণৰ উন্নয়নমূলক কথা কোৱাৰ সমল নাই বাবে এনে ধৰণৰ আবোল-তাবোল বলকিছে বুলি উল্লেখ কৰে সাংসদ গৌৰৱ গগৈয়ে। হাঁহখাতিৰ হালোৱাপথাৰ গাঁৱত অনুষ্ঠিত বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ সাংসদ গৌৰৱ গগৈয়ে লগতে কয় যে মোৰ দেউতা প্ৰয়াত তৰুণ গগৈ ১৫ বছৰ অসমৰ মুখ্যমন্ত্ৰী আছিল। কিন্তু এখনো চাহ বাগানৰ গৰাকী নহ'ল, অসমৰ ভিতৰৰ কোনো এখন ঠাইত এখনো বাগান কিনি থৈ নগ'ল। এয়াই হৈছে বিজেপি আৰু কংগ্ৰেছ দলৰ মাজত পাৰ্থক্য। আজি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ কৰৰ টকাৰে নিজকে কোটিপতিৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিলে। বিজেপি দলটো কেৱল ৫ গৰাকী লোকৰ দ্বাৰাই চলিব ধৰিছে- মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা, মানব ডেকা আৰু অশোক সিংহল। সাংসদ গৌৰৱ গগৈয়ে সৌ সিদিনা নলবাৰীত বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ ক্ষেত্ৰত সংঘটিত ঘটনা সন্দৰ্ভতো মন্তব্য কৰি কয় যে বিজেপিত এতিয়া ভিতৰি ভিতৰি এখন শীতল যুদ্ধ চলি আছে। সভাত তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটীৰ সভাপতি জয়ন্ত কলিতা, ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিজেপি বিধায়ক দিলীপ মৰাণ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক অমিত গগৈৰ উপৰি তিনিচুকীয়া জিলা কংগ্ৰেছৰ কেইবাগৰাকীও বিষয়ববীয়া, নেতা-কৰ্মী উপস্থিত থাকে। প্ৰতিকূল বতৰকো নেওচি সভাত অঞ্চলটোৰ প্ৰায় চাৰি শতাধিক ভোটৰ ৰাইজ উপস্থিত থাকে। আজিৰ দিনটোত শদিয়া সমষ্টিৰ কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয় সাংসদ গৌৰৱ গগৈয়ে

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নং ত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱক ‘ঘৰশত্ৰু’ সজাই পাকিস্তানক

টীয়কৰ ৰজাবাৰী খেলপথাৰত আয়োজন কৰা বিজয় সংকল্প সমাৰোহত অংশ লৈ ৰাইজক সম্বোধন কৰে। সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা পেহেলগামৰ মৰ্মান্তিক নৰসংহাৰ কাণ্ডৰ বাবেই সভাত মুখ্যমন্ত্ৰীক আদৰিবলৈ সাজু কৰি ৰখা সকলো সাংস্কৃতিক অনুষ্ঠান মুখ্যমন্ত্ৰীৰ অনুৰোধমৰ্মে বাতিল কৰে আৰু বিহুৱা, বিহুৱতীসকলে নীৰৱতা অৱলম্বন কৰি নমস্কাৰ জনাই তেওঁক আদৰণি জনায়। প্ৰতিকূল বতৰকো নেওচি মুখ্যমন্ত্ৰী মঞ্চত উপস্থিত হৈয়ে পোনপ্ৰথমেই সন্ত্ৰাসবাদীৰ আক্ৰমণত অকাল মৃত্যুক সাবটি লোৱা ২৮ গৰাকী পৰ্যটকৰ আত্মাৰ চিৰশান্তি কামনা কৰে। লগতে দেশে যাতে এনে বৰ্বৰ সন্ত্ৰাসবাদীক উচিত শাস্তি বিহিব পাৰে আৰু উগ্ৰপন্থী নিপাত যায় সেয়া কামনা কৰে। উক্ত জনসভাত পেহেলগাম ঘটনা সন্দৰ্ভত অৱগত কৰিবলৈ গৈ আন এক বিস্ফোৰক মন্তব্য কৰি কয়, "অসমৰ এগৰাকী সাংসদে ১৫ দিন ইছলামাবাদত কটাই অহাৰ তথ্য অসম চৰকাৰৰ হাতত পৰিছে।এই সাংসদজনৰ পাকিস্তান দূতাবাসৰ লগত তেওঁৰ সম্পৰ্কও ৰাইজৰ সন্মুখত আছে। আৰু বহু কথা পোহৰলৈ আহিব। এজন গৌৰৱী পিতৃৰ সন্তান কেনেকৈ দেশৰ বিৰুদ্ধে যাব পাৰে, তাৰ জলজল-পটপট প্ৰমাণ দেশৰ স্বাৰ্থত অহা ছেপ্টেম্বৰ মাহত ৰাইজৰ সন্মুখত ৰাজহুৱা কৰিম বুলি উল্লেখ কৰে। পাকিস্তান আমাৰ ডাঙৰ শত্ৰু কিন্তু দেশৰ ভিতৰতে থাকি পাকিস্তানৰ গুণ-গান গোৱাসকল তাতোকৈও ভয়ানক শত্ৰু। বহু বিস্ফোৰক তথ্য পোহৰলৈ আহিব"। ইফালে আজিৰ এই প্ৰচাৰ সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে পুনৰ উত্থাপন কৰিলে কংগ্ৰেছৰ লুঙী প্ৰীতি প্ৰসংগ। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, কংগ্ৰেছে কেৱল পাঁচটা বস্তু চিনি পায়। সেয়া হৈছে লুঙী, ধুতি, আঁঠুৱা, কম্বল আৰু সূতা। কিন্তু এতিয়া আৰু সেই দিন নাই। ৰাইজে লুঙী কেতিয়াও আদৰি নলয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে সাধাৰণ জনতাৰ উন্নয়নৰ স্বাৰ্থত হাতত লোৱা অৰুণোদয়ৰ পৰা আৰম্ভ কৰি সকলো আঁচনিৰ প্ৰসংগ উত্থাপন কৰি কয়, বিজেপি চৰকাৰ সদায় ৰাইজৰ পক্ষত আছে। সকলোকে সমদৃষ্টি দি উন্নয়নৰ জখলাত আগবঢ়াই লৈ যোৱাটো এইখন চৰকাৰৰ ধৰ্ম বুলি উল্লেখ কৰে আৰু এই উন্নয়নমুখী যাত্ৰাত ৰাইজৰ সহযোগিতাও কামনা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ভাষণ প্ৰসংগত যোৰহাটৰ সাংসদগৰাকীক লক্ষ্য কৰি কয়- বিহু, সংক্ৰান্তি অথবা ধৰ্মীয় অনুষ্ঠান বুলি ক'লে আমাৰ মন্ত্ৰী, বিধায়কসকল দৌৰি অহাৰ বিপৰীতে এইগৰাকী সাংসদে অৰিহণা দিব লাগে বুলি নিজ সমষ্টিলৈ আহিবলৈ অসুবিধা পায় যদিও নামাজ পঢ়িবলৈ কিন্তু ঠিকেই উপস্থিত হয়। পঞ্চায়ত নিৰ্বাচনত গোটেই অসমতে বিজেপিয়ে ভাল ফল লাভ কৰিব বুলি তেওঁ বিশ্বাস কৰে আৰু কৰ্মীসকলো প্ৰবল আত্মবিশ্বাসী বুলি মন্তব্য কৰে। ইফালে সভাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত তেওঁ যোৰহাটৰ বিহুতলীত কেইগৰাকীমান যুৱকৰ আক্ৰমণত নিৰপৰাধী এগৰাকী যুৱকে মৃত্যুক সাবটিব লগা হোৱা ঘটনা সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ কয়, এই ঘটনা আমাৰ বাবে গ্ৰহণযোগ্য নহয়, মই আৰক্ষী অধীক্ষকৰ লগত কথা পাতিছো, দোষীক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদানৰ ব্যৱস্থা কৰিম। যোৰহাট বিধানসভা সমষ্টি, টীয়ক, মৰিয়নি আৰু তিতাবৰ বিধানসভা সমষ্টিৰ ১৬ টাই জিলা পৰিষদৰ ৰাইজক সম্বোধন কৰা এই জনসভাত বিত্তমন্ত্ৰী অজন্তা নেওগ, বিধায়ক হৃপজ্যোতি কুৰ্মী, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ, বিজেপিৰ যোৰহাট জিলা সভাপতি শান্তনু পূজাৰীকে ধৰি টীয়ক আৰু মৰিয়নি সমষ্টিৰ প্ৰায়সংখ্যক বিজেপি নেতা-কৰ্মী উপস্থিত থাকে। দেশবাসীয়ে চৰকাৰৰ সিদ্ধান্তত সন্তুষ্টি প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশৰ মৌলবাদীয়ে শিপা মেলিছে

ছাত্ৰ সন্থাই। সদৌ অসম ছাত্ৰ সন্থা আৰু নন্দ তালুকদাৰ ফাউণ্ডেচনে আজি অসমৰ বিপদাপন্ন ভাষাসমূহ উদ্ধাৰৰ বাবে বিশেষ চুক্তি স্বাক্ষৰ কৰে। ডিজিটেলভাৱে আৰ্কাইভ কৰাৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই পদক্ষেপ ডিজিটাইজিং অসম প্ৰকল্পৰ অংশ হ'ব। যাৰ উদ্দেশ্য হৈছে অঞ্চলটোৰ দুৰ্বল ভাষাসমূহৰ ঐতিহ্য সুৰক্ষিত কৰা। এই প্ৰকল্পৰ পাইলট পৰ্যায়ত তিনিটা গুৰুতৰভাৱে বিপদাপন্ন থলুৱা ভাষাক গুৰুত্ব দিয়া হ'ব। খামিয়াং, টাই ফাকে আৰু চিংফো ভাষাৰ সুৰক্ষাত গুৰুত্ব দিয়া হ'ব। এই প্ৰতিটো ভাষা ১০ হাজাৰতৈ কম লোকে কয়। কিন্তু ভাষাসমূহ সম্পূৰ্ণ বিলুপ্তিৰ আশংকা কৰা হৈছে। আশংকাজনকভাৱে, গৱেষণাই দেখুৱাইছে যে খামিয়াং ভাষা নাইকিয়া হোৱাৰ পথত। কিছু ব্যক্তিয়েহে পঢ়া, লিখা, কোৱা আৰু বুজি পায়। তাৎক্ষণিক হস্তক্ষেপ অবিহনে এই ভাষাবোৰৰ জ্ঞান আৰু সমৃদ্ধি চিৰদিনৰ বাবে হেৰাই যাব পাৰে। আছুৱে এই ভাষাবোৰৰ প্ৰতি আসন্ন ভাবুকিৰ ওপৰত গভীৰ উদ্বেগ ব্যক্ত কৰিছে। এই অনন্য সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি পাঁচ মাহ ধৰি এই প্ৰকল্পটোত বৃহত্তৰ ‘ডিজিটাইজিং অসম’ উদ্যোগৰ কাম চলিব। ইতিমধ্যে নন্দ তালুকদাৰ ফাউণ্ডেচনে বিৰল অসম সাহিত্যৰ ২.৯ নিযুত পৃষ্ঠাত সফলতাৰে ডিজিটাইজ কৰিছে। যাৰ ফলত এই অমূল্য সম্পদবোৰ মুক্ত-উৎস বিন্যাসত ৰাজহুৱাভাৱে উপলব্ধ হৈছে। ইফালে আজি একেটা অনুষ্ঠানতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আহ্বান জনায়। ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই চাঞ্চল্যকৰ মন্তব্য প্ৰদান কৰি জন্মু-কাশ্মীৰৰ দৰে অসমত তথা উত্তৰ-পূৰ্বাঞ্চলত ভাৰতবিৰোধী মৌলবাদী শক্তিয়ে প্ৰৱেশ কৰা বুলি দাবী কৰিছে। কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰে আজিকালি উত্তৰ-পূৰ্বাঞ্চলত বাংলাদেশৰ কোনো লোক সোমাব নোৱাৰে বুলি দাবী কৰি থকাৰ সময়তে আজি ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসম তথা উত্তৰ-পূৰ্বাঞ্চলত মৌলবাদী সোমাইছে বুলি দাবী কৰে। ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে এইটো এটা কাপুৰুষালি কাৰ্য। আমি অসম আৰু ভাৰতৰ মাটিৰ পৰা মৌলবাদীক পুলিয়ে-পোখাই উৎখাত কৰিবলৈ দাবী জনাই আহিছো। কেন্দ্ৰীয় চৰকাৰে কেৱল জন্মু-কাশ্মীৰৰ পৰাই নহয় সমগ্ৰ ভাৰতৰ পৰা পুলিয়ে-পোখাই মৌলবাদীক উৎখাত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াত হিংসাৰ আশ্ৰয় নাই। সাংঘাতিক ধৰণৰ কাপুৰুষালি কাণ্ড। সহ্য কৰিব নোৱাৰি। এইখিনি সময়তে আমি কেন্দ্ৰীয় চৰকাৰক ক'ব খোজো যে যেনেদৰে জন্মু-কাশ্মীৰত পাকিস্তানৰ পৰা সীমা পাৰ হৈ ভাৰতবিৰোধী মৌলবাদী শক্তিয়ে তাত আশ্ৰয় লৈছে। অসমতো উন্মুক্ত সীমান্তৰে অবৈধ বাংলাদেশীৰ লগতে মৌলবাদী সোমাইছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চল ট্ৰেনজিট কেম্প হৈ পৰিছে। জন্মু-কাশ্মীৰৰ পৰিস্থিতি দেখিলো। বাংলাদেশৰ পৰাও অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ মৌলবাদীয়ে চলাচল কৰি আছে। ভাৰতবিৰোধীক উঘালিবলৈ ব্যৱস্থা কৰিব লাগে।

# শিক্ষক প্ৰশিক্ষণ-গৱেষণা প্ৰতিষ্ঠান বন্ধ হোৱাৰ উপক্ৰম

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৩ এপ্ৰিলঃ** নলবাৰী জিলাৰ চামতাৰ ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণ শিক্ষক প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠানখন অৱশেষত বন্ধ হোৱাৰ উপক্ৰম হৈছে। মূলতঃ নিয়ম মতে সময়ত এন চি টি ইক দিব লগা পাৰ্ফমেন্স এপ্ৰাইজেল ৰিপ'ৰ্ট কলেজ কৰ্তৃপক্ষই নিদিয়াৰ পৰিণতিতে এনেদৰে বি এড কলেজখন বন্ধ হোৱাৰ উপক্ৰম ঘটিছে। উল্লেখ্য যে নিয়ম মতে, এই এপ্ৰাইজেল প্ৰতিবেদন প্ৰেৰণ কৰিব লাগে কলেজৰ পিতৃ সংগঠন প্ৰকল্প চামতা শৈক্ষিক সমিতিয়ে। কিন্তু অভিযোগ মতে, কলেজখনৰ অবৈধ প্ৰশাসনিক সমিতিয়ে বিগত তিনি বছৰে ধনৰ হিচাপকে ধৰি আনুষাংগিক তথ্যসমূহ প্ৰকল্প চামতাক প্ৰদান নকৰাৰ পৰিণতিতে যথা সময়ত এন চি টি ই লৈ এই প্ৰতিবেদন প্ৰেৰণ কৰিব নোৱাৰিলে। জানিব পৰা মতে, এপ্ৰাইজেল প্ৰতিবেদন প্ৰেৰণ নকৰা সন্দৰ্ভত যোৱা ২৭ মাৰ্চত এন চি টি ই কৰ্তৃপক্ষই বি এড কলেজৰ অধ্যক্ষলৈ কৈফিয়ত তলব পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু ইতিমধ্যে কলেজৰ অধ্যক্ষগৰাকীক ন্যায়ালয়ে অবৈধভাৱে কাৰ্যনিৰ্বাহ কৰি থকা বুলি পদৰ পৰা খৰিজ কৰে। তেওঁৰ ঠাইত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব দিয়ে জ্যেষ্ঠ অধ্যাপিকা নিৰুপমা কলিতাক। কলিতাই কৈফিয়ত তলবৰ জাননী পাই বিষয়টি গোপনে ৰাখি প্ৰশাসনিক সমিতিৰ সভাপতিৰ জৰিয়তে কৈফিয়ত তলবৰ উত্তৰ দিয়ে দায়িত্ব সামৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিচিৰ বাজেট দাখিল প্ৰমোদ বড়োৰ

পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে বিটিচিৰ বাজেট অধিবেশন । বিটিচি বিধান পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়োৰ অধ্যক্ষতাত আৰম্ভ বাজেট অধিবেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত ৩১ পৃষ্ঠাৰ বাজেট পাঠ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। বিত্ত বিভাগৰো দায়িত্বত থকা প্ৰমোদ বড়োৱে বিটিআৰৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ২৫৫৯৬৬.৭৯ লাখ টকাৰ বাজেট উত্থাপন কৰে। মুঠ ৫৪৬৬.৮৫ লাখ টকাৰ ঘাটি বাজেটেৰে বিটিচিৰ ৪০ টা বিভাগৰ বাবে সৰ্বমুঠ ২৫৫৯৬৬.৭৯ লাখ টকা ব্যয় সাপেক্ষে বাজেট ধাৰ্য কৰিছে। ইয়াৰ ভিতৰত বিটিচিৰ নিজা ৰাজহ ৭৮২৩.৪৬ লাখ, এছঅ'পিডিকে ধৰি আন চৰকাৰী অনুদান ২৪২৬৭৬.৪৮ লাখ টকা অৰ্থাৎ সৰ্বমুঠ ২৫০৪৯৯.৯৪ লাখ টকাৰ বিপৰীতে বাজেটত খৰচ দেখুওৱা হৈছে ২৫৫৯৬৬.৭৯ লাখ টকা। কাইলৈ বিটিচিৰ সদনত বাজেট চৰ্চা হ'ব আৰু জনমুখী বাজেটখন সৰ্বসম্মতিক্ৰমে গৃহীত হ'ব বুলি আশা প্ৰকাশ কৰিছে প্ৰমোদ বড়োৱে। উল্লেখ্য যে এইবেলি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে এছঅ'পিডি শিতানত ৮৪৩ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰে পুনৰ গঠন বিভাগত (Transformation dept) সৰ্বাধিক ১২৬.২৬ কোটি ধাৰ্য কৰাৰ বিপৰীতে লটাৰীত মাত্ৰ ১ লাখ টকা ধাৰ্য কৰা হৈছে। আনহাতে শিক্ষা বিভাগত ১০৫.০৫ কোটি, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগত ৯৮.৬৩ কোটি, লোকনিৰ্মাণ বিভাগত ৯৩.৬৯ কোটি, কৃষিত ২৬.৯৪ কোটি, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ৪৭.৭৪ কোটি, বন বিভাগত ৩৮.৩৮ কোটি, মহিলা আৰু শিশু কল্যাণ বিভাগত ১১.৪৩ কোটি, পৰ্যটনত ৮.৬৪ কোটি, পঞ্চায়ত আৰু গ্ৰামোন্নয়নত ৩৮.৫২ কোটি টকা ধাৰ্য কৰিছে। কাইলৈ বাজেটক লৈ চৰ্চা হ'ব আৰু বিৰোধীয়ে বাজেটক লৈ বিতৰ্ক কৰাৰ সম্ভাৱনা আছে। ইপিনে আজি বিটিচিৰ সদনত প্ৰশ্নোত্তৰ শিতানত বিপিএফৰ এমচিএলএ মুনমুন ব্ৰহ্মাই বিটিআৰৰ মাটিকালি আৰু জনসংখ্যা জানিবলৈ বিচৰাত সংশ্লিষ্ট বিভাগৰ কাৰ্যবাহী সদস্যই কয় যে যিহেতু ২০২০ চনৰ ২৭ জানুৱাৰীত বিটিআৰ গঠন হৈছিল। ২০১১ চনৰ পিছত লোকপিয়ল নোহোৱা বাবে তথ্য উপলব্ধ নহয় বুলি উল্লেখ কৰে। মুনমুন ব্ৰহ্মাৰ আন এক প্ৰশ্নোত্তৰত ২০১১ লোকপিয়ল মতে বিটিএডিৰ জনসংখ্যা ৩১,৫১,০৪৭ জন আৰু ইয়াৰ মাটিকালি ৯৬৮৮ বৰ্গকিলোমিটাৰ বুলি উল্লেখ কৰে। আনহাতে এমচিএলএ মাধৱ ছেত্ৰীৰ এক প্ৰশ্নোত্তৰত বিটিচিৰ অন্তৰ্গত বনগাঁৱৰ (forest village) এলেকাত বড়ো, নেপালী, কোঁচ-ৰাজবংশীসকলৰ মুঠ ৩২২৮০ টা পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰা হৈছে বুলি সদৰী কৰে। ভূমি ক্ৰয়-বিক্ৰয় বা আবণ্টনৰ ক্ষেত্ৰত বেছিভাগ ফাইল বিটিচি সচিবালয়ত স্থগিত হয় বুলি মাধৱ ছেত্ৰীৰ আন এক প্ৰশ্নোত্তৰত সংশ্লিষ্ট বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে উত্তৰত কয় যে অসম ভূমি আৰু ৰাজহ নিয়মাৱলী ১৮৮৬ ৰ দশম অধ্যায়ৰ চৰ্ত আৰু নিয়ম অনুসৰি কিছুমান ফাইলৰ যথাৰ্থতা নিৰ্ণয় কৰিবলৈ সময় লাগিব পাৰে যিহেতু বিটিচিৰ ৭০ শতাংশতকৈ অধিক মাটি জনজাতি বেল্ট আৰু ব্লকৰ অধীনত পৰে। ইপিনে আজিৰ বাজেটক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে বিটিচিৰ বিৰোধী দলপতি দেৰহাছাৎ বসুমতাৰীয়ে। নন প্লেন- নন ছেলাৰী ফাণ্ডত ধন ধাৰ্য নকৰাৰ অভিযোগ তুলি দেৰহাছাৎ বসুমতাৰীয়ে কয় যে ১৭ maintainance , ১৯ materials , ১৪ minor works হেতুত ধন ধাৰ্য নকৰাৰ বাবে অফিচসমূহ চলাত অসুবিধা হ'ব বুলি উল্লেখ কৰে। কাইলৈ বাজেট বিতৰ্কত ভাগ ল'ব আৰু ক'ৰবাত ক'ৰবাত টকেন বাজেট ধৰা সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰিব বুলি মন্তব্য কৰি বিটিচি চৰকাৰে বিগত বৰ্ষৰ অৰ্থাৎ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ ধনে মোকলাই আনিব নোৱাৰিলে বুলি সমালোচনা কৰে। ইপিনে শাসকীয় পক্ষই বাজেটখনক সুন্দৰ, গতিশীল বুলি আখ্যা দিছে। কাইলৈ সদনত বাজেটৰ ওপৰত চৰ্চা হ'ব আৰু বাজেট সৰ্বসন্মতিক্ৰমে গৃহীত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে শাসকপক্ষই। আনহাতে বিটিচিৰ মুখ্য কাৰ্যবাহী তথা বিত্ত বিভাগৰ দায়িত্বত থকা প্ৰমোদ বড়োৱে বিটিআৰ অঞ্চলৰ আশা-আকাংক্ষা আৰু ৰাষ্ট্ৰীয় সূচাংক চাই বাজেটৰ দ্বাৰা ৰোডমেপ তৈয়াৰ কৰা বুলি সদৰী কৰিছে। এইবাৰ বাজেটত উদ্ভাৱনীমূলক কাৰ্যক গুৰুত্ব দি কৃষি খণ্ডক জৈৱিককৰণ, জীৱিকাভিত্তিক নিয়োগ, শিশু আৰু মহিলাৰ সুৰক্ষা, নিৰাপত্তাৰ ওপৰত বেছি আলোকপাত কৰা হৈছে বুলি মন্তব্য কৰিছে। বিটিআৰৰ পাঁচখন জিলাত শিশু আৰু মহিলাৰ নিৰ্যাতন, মানৱ সৰবৰাহ, হিংসাৰ আইনী সাহায্য বিনামুলীয়াভাৱে দিবলৈ পাঁচজন পাবলিক প্ৰছিকিউটৰ নিযুক্তি দিয়া হৈছে বুলি সদৰী কৰে প্ৰমোদ বড়োৱে। তদুপৰি প্ৰেমসিং ব্ৰহ্মাৰ স্মৃতিত ৪২০ টা ভিচিডিচিত মুক্ত ব্যায়ামাগাৰ, কালিদেৱ গুৰুচৰণ ব্ৰহ্মাৰ নামত ৪২০ টা যোগকেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'হিমন্তই ধ্বংস কৰিছে গণতন্ত্ৰ'

পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীসকলৰ ওপৰত পুলিচ বাহিনীক অত্যাচাৰ কৰিবলৈ মেলি দি ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছে। নিখিল ভাৰত কংগ্ৰেছৰ মিডিয়া আৰু কমিউনিকেশ্যন বিভাগৰ জ্যেষ্ঠ নেতা অসমৰ মিডিয়া বিভাগৰ তত্বাৱধায়কৰ দায়িত্বত থকা চৰণ সিং চাপ্ৰাই আজি এনেদৰে কয়। ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত বিজেপি দল আৰু চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰি বিজেপি তিনিটা 'জে'ৰ সমষ্টি বুলি কৈ এই সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায় কয় যে এই দলটোৱে সমগ্ৰ দেশত ঝুথ, ঝুমলা আৰু জাগলাৰী শাসন চলাই আছে। অৰ্থাৎ মিথ্যাচাৰ, অপপ্ৰচাৰ আৰু ঠগ-প্ৰৱঞ্চনাৰে বিজেপি দলে কেন্দ্ৰ আৰু ৰাজ্যত চৰকাৰ চলাই আহিছে। বিজেপিয়ে অসমত গণতন্ত্ৰক ভৰিৰে মোহাৰি 'গাৰ বলেৰে শাসন' চলোৱা বুলিও তেওঁ অভিযোগ কৰে। চাপ্ৰাই চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি কয় যে পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে বিৰোধীক দমন কৰিবলৈ আৰক্ষী বাহিনীক ব্যৱহাৰ কৰা হৈছে। যদি আৰক্ষীৰ লাঠিক ভোট লাভৰ বাবে ব্যৱহাৰ কৰা হয় তেন্তে গণতন্ত্ৰ ক'ত বুলি প্ৰশ্ন কৰি চাপ্ৰাই কয় যে বিজেপিয়ে অসমক এক ৰাজনৈতিক যুদ্ধক্ষেত্ৰলৈ পৰিণত কৰিছে। অসমত মুক্ত পৰিৱেশৰ পূৰ্বে ভয়ে বিৰাজ কৰিছে বুলি কৈ তেওঁ কেইবাটাও গোচৰৰ সন্মুখীন হোৱা মুখপাত্ৰ ৰীতম সিঙৰ প্ৰসংগ উল্লেখ কৰে। সাংসদ ৰকিবুল হুছেইনকে ধৰি কংগ্ৰেছ নেতাসকলক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি কৈ ৰকিবুল হুছেইনৰ নিৰাপত্তা প্ৰত্যাহাৰ কৰাৰ কথাও উল্লেখ কৰে নেতাগৰাকীয়ে। এয়া কেৱল হাৰাশাস্তি নহয়, এয়া বিৰোধীৰ কণ্ঠস্বৰ ৰোধ কৰাৰ এক অপপ্ৰয়াস বুলিও কয় চাপ্ৰাই। চৰণ সিং চাপ্ৰাই বিজেপিৰ ভুৱা প্ৰচাৰৰ কথা উল্লেখ কৰি সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ চৰিত্ৰহনন কৰিব খোজা বুলি কৈ মুখ্যমন্ত্ৰীৰ এনে আচৰণক গৰিহণা দিয়ে। এনে কাৰ্যত শাসকীয় দলৰ হতাশা প্ৰতিফলিত হৈছে বুলিও তেওঁ কয়। তেওঁ সংবাদ মাধ্যমৰ স্বাধীনতাক লৈ উদ্বেগ প্ৰকাশ কৰি অভিযোগ কৰে যে অসমত বিজেপি নেতৃত্বাধীন চৰকাৰৰ সমালোচনা কৰা সাংবাদিকসকলক ভাবুকি দিয়া হৈছে আৰু শাস্তি দিয়া হৈছে। যিসকলে সত্য উন্মোচন কৰে তেওঁলোকক বিভিন্ন উপায়েৰে ভয়-ভাবুকি দি মুখ বন্ধ কৰি ৰখা হৈছে। ৰাইজে এনে ভয়ৰ পৰিৱেশ ওফৰাবলৈ সাজু হৈছে বুলি উল্লেখ কৰি বিজেপি দল আৰু চৰকাৰৰ সাহস থাকিলে আৰক্ষীৰ লাঠিৰ পৰিৱৰ্তে অসমত ভোটাৰক সিদ্ধান্ত লোৱাৰ সুযোগ দিবলৈ প্ৰত্যাহ্বান জনায়। তেওঁ নাগৰিকসকলক ভয়-ভীতিৰ সন্মুখীন নহৈ গণতান্ত্ৰিক চেতনাৰে উদ্বুদ্ধ হ'বলৈকো আহ্বান জনায়। এই সংবাদমেলত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নেতাগৰাকীয়ে মঙলবাৰে কাশ্মীৰৰ পেহেলগামত সংঘটিত বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিয়াৰ লগতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰতকৈয়ো কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। তেওঁ উক্ত আক্ৰমণত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে সকলোকে ঐক্যভাৱে যুঁজ দিবলৈ আহ্বান জনায় কংগ্ৰেছ নেতাগৰাকীয়ে সন্ত্ৰাসবাদ ৰোধ কৰাত মোদী চৰকাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে বুলিও অভিযোগ কৰে। আজিৰ এই সংবাদমেলত এআইচিচিৰ মিডিয়া সমন্বয়ক হৰ্ষদ শৰ্মাৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, জ্যেষ্ঠ কংগ্ৰেছ নেতা মেহেদী আলম বৰা, গোপল শৰ্মা, নেত্ৰৰঞ্জন চৌধুৰী, মুখপাত্ৰ ৰূপা কলিতা, হেপ্পী গগৈ, মিডিয়া বিভাগৰ সম্পাদক ৰূপক দাসকে ধৰি কেবাগৰাকীও নেতা উপস্থিত থাকে।

# কলিয়াবৰত ৫ জিলা পৰিষদ, ২২ আঞ্চলিক পঞ্চায়তৰ সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত

## বড়মপুৰত বিজেপিৰ সাংগঠনিক সভাত পেহেলগাম হত্যাকাণ্ডৰ গৰিহণা হৰিশ দ্বিবেদীৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৩ এপ্ৰিলঃ** নগাঁও জিলাৰ বড়মপুৰ সমষ্টিৰ অধীনৰ বড়মপুৰ শ্বহীদ ভৱনত আজি বিজেপিৰ এখন দলীয় সাংগঠনিক সভা অনুষ্ঠিত হয়। আগন্তুক পঞ্চায়ত নিৰ্বাচনক লক্ষ্য কৰি অনুষ্ঠিত এই সাংগঠনিক সভাত বিজেপিৰ ৰাজ্যিক পৰ্যবেক্ষক হৰিশ দ্বিবেদী উপস্থিত থাকে। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত থকা এই দলীয় সংগঠনিক সভাৰ পিছতেই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই কয় যে বৰ্তমান সময়ত কলিয়াবৰ জিলাত কংগ্ৰেছ শূণ্য হৈ পৰিছে। কলিয়াবৰ জিলাৰ ভিতৰত থকা আঠটা জিলা পৰিষদ সমষ্টিৰ ভিতৰত পাঁচটাকৈ জিলা পৰিষদ সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। ইয়াৰ উপৰি জিলাখনৰ ৫০ টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ভিতৰত ২২ টা আঞ্চলিক পঞ্চায়ত সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ উপৰি ১০০ ৰো অধিক বিজেপি সমৰ্থিত ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে বুলি উল্লেখ কৰে। বিজেপি মিত্ৰজোঁটৰ এই বৃহৎ সফলতাৰ পিছত পঞ্চায়ত নিৰ্বাচনটো ছেমিফাইনেল বুলি উল্লেখ কৰি বিজেপিৰ জিলা সভাপতি বাবুল বৰাই লগতে কয় যে দলৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী উপস্থিত থাকি পঞ্চায়ত নিৰ্বাচনৰ আগৰ সময়ছোৱাৰ প্ৰতিটো মিনিট কেনেদৰে কাম কৰিব লাগিব তাৰ পৰামৰ্শ কৰ্মীসকলক দিয়ে বুলি জানিবলৈ দিয়ে। ইফালে, জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ গৰিহণা দি বিজেপিৰ সভাপতিগৰাকীয়ে আজিৰ সাংগঠনিক সভাত আক্ৰমণত মৃত্যু হোৱাসকলৰ আত্মাৰ সদগতিৰ কাৰণে দুই মিনিট মৌন প্ৰাৰ্থনা জনায় লগতে সন্ত্ৰাসবাদীৰ ওপৰত কঠোৰ ব্যৱস্থাৰ দাবী জনায়। উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছতে বড়মপুৰ সমষ্টিত থকা পুৰণিগুদাম, বড়মপুৰ,কঠীয়াতলী আৰু যমুনামুখ জিলা পৰিষদ চাৰিটাত বিজেপি দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ লগতে কংগ্ৰেছ দলে প্ৰাৰ্থী থিয় কৰাব লাগিছিল যদিও বড়মপুৰ, কঠীয়াতলী আৰু যমুনামুখ জিলা পৰিষদ সমষ্টি কেইটাত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ অভাৱ হোৱাৰ লগতে যিকেইগৰাকী প্ৰাৰ্থী নিৰ্বাচন কৰিছিল সেই কেইগৰাকীয়ে বিজেপি দলৰ লগত চামিল হোৱাত জিলা পৰিষদীয় সমষ্টি কেইটাত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজেপি প্ৰাৰ্থী কেইগৰাকীয়ে জয়লাভ কৰে। বিজেপি দলৰ বড়মপুৰ সমষ্টিত এই বৃহৎ সফলতাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছৰ এই বিপৰ্যয়ে হ'ব লগা বিধানসভা নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হিচাপে বিবেচিত হ'ব। বৰ্তমান সময়ত নৱগঠিত বড়মপুৰ সমষ্টিত বিজেপিৰ সফলতাই কংগ্ৰেছ কৰ্মীসকলক হতাশ কৰি তোলাৰ সময়ত আজি বড়মপুৰত বিজেপিৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী উপস্থিত হৈ বিজেপি কৰ্মকৰ্তাসকলক আৰু অধিক উৎসাহিত কৰাত বিজেপিৰ বাবে সফলতাৰ আন এক কাৰণ হিচাপে বিবেচিত হৈছে। আজি বিজেপিৰ সাংগঠনিক সভাত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, সম্পাদক অৰবিন্দ চৌধুৰী, তিৱা স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, কলিয়াবৰ জিলাৰ সহঃ প্ৰভাৰী অনিমেষ শইকীয়া প্ৰমুখ্যে দলৰ কৰ্মকৰ্তাসকলৰ উপৰি প্ৰতিটো মণ্ডলৰ কৰ্মকৰ্তা উপস্থিত হৈ ৰাজ্যিক প্ৰভাৰীগৰাকীক বিজেপি দলৰ শক্তিশালী স্থিতি প্ৰতিপন্ন কৰা দেখা যায়। উল্লেখযোগ্য যে বড়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম জিলা পৰিষদ সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থী মিন্টু শৰ্মাক দলে টিকট দিয়াৰ বিপৰীতে কংগ্ৰেছ দলে সীমা দেৱীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। মিন্টু শৰ্মাই প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ সমান্তৰালকৈ সীমা দেৱীয়ে গাঁৱে গাঁৱে প্ৰচাৰ চলোৱা দেখা গৈছে।

# বিবাহৰ ৰূপালী জয়ন্তীত ২৫ গৰাকী দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়ালে এককালীন সাহায্য

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৩ এপ্ৰিলঃ** বিশিষ্ট লেখক, সমাজহিতৈষী ব্যক্তি, তিনিচুকীয়াৰ বৰদলৈ নগৰ নিবাসী তথা তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী বিমল বৰগোহাঁইৰ মহানুভৱতাৰ উৎকৃষ্ট নিদৰ্শন আজি প্ৰতিফলিত হ'ল। লেখকগৰাকীয়ে আজি নিজৰ ২৫ সংখ্যক বিবাহ বাৰ্ষিকী উপলক্ষে চাহ নগৰী ডুমডুমাৰ ৰূপাইস্থিত ২০২০ চনত স্থাপিত ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত সপৰিয়ালে উপস্থিত হৈ মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্বাচিত কৰি দিয়া ২৫ জন আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীক নিজৰ সাঁচতীয়া টকাৰে ২ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য আগবঢ়ায়। এই উপলক্ষে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ সভাকক্ষ (ব্ৰহ্মপুত্ৰ) ত অনুষ্ঠিত সভাৰ আঁত ধৰে মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক দিপু শৰ্মাই। সভাত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰ অধ্যক্ষ ড° শইকীয়াই মহাবিদ্যালয়খনৰ জন্মলগ্নৰ কাহিনীৰ লগতে তেওঁ মহাবিদ্যালয়খনৰ আৰম্ভণিৰ পৰাই সন্মুখীন হোৱা সমস্যাৰাজি সম্পৰ্কত বক্তব্য



ৰাখে। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনৰ চৰকাৰী কাম-কাজখিনি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত জিলা আয়ুক্ত কাৰ্য্যালয়লৈ অহা-যোৱা কৰোঁতে বিমল বৰগোহাঁইৰ সৈতে গঢ়ি উঠা সু-সম্পৰ্কৰ বিষয়েও সভাত উল্লেখ কৰাৰ লগতে বিমল বৰগোহাঁইৰ এনে মহানুভৱতাৰ শলাগ লয়। সভাত লেখক বিমল বৰগোহাঁয়ে নিজৰ সাধ্যানুযায়ী আগবঢ়োৱা আৰ্থিক সাহায্যৰ ২ হাজাৰ টকা ছাত্ৰ-ছাত্ৰীসকলক পঢ়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ উপৰি অধ্যয়নৰ ক্ষেত্ৰত আগন্তুক দিনত কিবা সহযোগিতাৰ প্ৰয়োজন হ'লে তেওঁ নিজৰ সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াব বুলিও নিজৰ বক্তব্যত উল্লেখ কৰে। সভাত বিমল বৰগোহাঁয়ে মহাবিদ্যালয়খনৰ ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীক ২ হাজাৰকৈ মুঠ ৫০ হাজাৰ টকাৰ এখন চেক অধ্যক্ষ ড° অমৰজিৎ শইকীয়াৰ হাতত অৰ্পণ কৰে। সভাত জ্যেষ্ঠ সাংবাদিক তথা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, সাংবাদিক-সাহিত্যিক অখিল বৰুৱা, সাংস্কৃতিক কৰ্মী মানসী বৰুৱা, লেখক-সাংবাদিক ৰাজীৱ বৰা, সাংবাদিক নিৰ্মল বৰা, ললিত তাঁতীৰ লগতে মহাবিদ্যালয়খন উপাধ্যক্ষ ড° প্ৰণীতা নেওগ আৰু অধ্যাপক-অধ্যাপিকাসকল আৰু কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত অখিল বৰুৱা, অৰ্জুন বৰুৱা, ৰাজীৱ বৰায়ো বক্তব্য ৰাখে। উক্ত অনুষ্ঠানতেই মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ বিভাগৰ তত্বাৱধানত প্ৰস্তুত কৰি উলিওৱা তথা ছাত্ৰী জাহ্নৱী দহোতীয়া আৰু টিনা মহন্তৰ সম্পাদনাত প্ৰকাশিত বিশেষ প্ৰাচীৰ পত্ৰিকা "জনগোষ্ঠীয় উৎসৱ-পাৰ্বণ " উন্মোচন কৰা হ'য়। উন্মোচন কৰে বিমল বৰগোহাঁয়ে। অনুষ্ঠানৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা তথা উপাধ্যক্ষ ড° প্ৰণীতা নেওগে।

# ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে নাই শিক্ষক, বাঘমাৰা চৰ উঃমাঃ বিদ্যালয়ত শিক্ষাৰ দুৰৱস্থা

**ই-সংবাদ, শিমলীতোলা, ২৩ এপ্ৰিলঃ** অসমৰ চৰকাৰী শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে উন্মোচিত হৈছে কেতবোৰ শোচনীয় দিশ। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চৰকাৰী বিদ্যালয়ত শিক্ষকৰ অভাৱ নাই বুলি দাবী কৰাৰ সময়তেই এজনীয়া শিক্ষকেৰেই চলিছে বহু বিদ্যালয়। ৰাজ্যৰ কিছুমান শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা কম। দিছপুৰৰ মচনদত কেইবাটাও দলৰ চৰকাৰ বাগৰাৰ সমান্তৰালকৈ চৰকাৰৰ পৰাও ইতিপূৰ্বে কেইবাবাৰো শিক্ষাৰ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে সেইবোৰ সমস্যা সমস্যা হৈয়ে ৰৈছে। ইয়াৰ জ্বলন্ত উদাহৰণ হৈছে বৰপেটাৰ মন্দিয়া উন্নয়ন খণ্ডৰ চৰাঞ্চল। বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া সমষ্টি আৰু চেঙা সমষ্টিৰ চৰ-চাপৰিৰ অধিকাংশ অঞ্চলৰ শিক্ষানুষ্ঠানসমূহৰ পয়ালগা অৱস্থাই ৰাইজক বিপাঙত পেলাইছে। চৰাঞ্চলৰ বিদ্যালয়ত নাই উপযুক্ত আন্তঃগাঁথনি, শ্ৰেণীকোঠা আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে নাই পৰ্যাপ্ত শিক্ষক। স্বাধীনতাৰ ৭৬ বছৰ উকলি যোৱাৰ পিছতো অঞ্চলটোত সাক্ষৰতাৰ হাৰ বৃদ্ধি নোহোৱাৰ লগতে অন্যান্য সমস্যা সমাধান হোৱা নাই। জানিব পৰা মতে সমষ্টিটোত সাক্ষৰতাৰ হাৰ ৩৯.২০ শতাংশৰ বিপৰীতে পুৰুষৰ সাক্ষৰ হাৰ ২২.৫৬ শতাংশ আৰু মহিলা সাক্ষৰতা হৈছে ১৬.৬৫ শতাংশ। যি সময়ত ৰাজ্যৰ শিক্ষাৰ হাৰ ৭২.১৯ শতাংশৰ বিপৰীতে পুৰুষৰ শিক্ষাৰ হাৰ ৭৭.৮৫ শতাংশ আৰু মহিলা সাক্ষৰ হৈছে ৬৬. ২৭ শতাংশ। এতিয়াও ৰাজ্যত ২৭.৮১ শতাংশ লোক নিৰক্ষৰ হৈ আছে। আশ্চৰ্যজনকভাৱে মুছলমানপ্ৰধান অঞ্চলবোৰত শিক্ষাৰ ক্ষেত্ৰত এক নৈৰাশাজনক অৱস্থা বিৰাজ কৰিছে। অঞ্চলটোৰ জনপ্ৰতিনিধিৰ উদাসীনতা আৰু অকৰ্মণ্যতাৰ ফলত চৰাঞ্চলৰ শিক্ষানুষ্ঠানবোৰত পৰ্যাপ্ত আন্তঃগাঁথনিৰ লগতে ছাত্ৰ অনুপাতে শিক্ষকৰ সমস্যা আজিলৈ সমাধান নহ'ল। বছৰৰ পিছত বছৰ ধৰি বিদ্যালয়সমূহত শিক্ষকৰ নাটনি হৈ আছে। চৰ-চাপৰি অঞ্চলৰ সহস্ৰাধিক নিম্ন প্ৰাথমিক বিদ্যালয়ত কেৱল এজনীয়া শিক্ষকেৰে চলি আছে বিদ্যালয়ত পাঠদান। জানিব পৰা মতে মন্দিয়া শিক্ষা খণ্ডৰ অধীনত ৪৪৮ খন প্ৰাথমিক বিদ্যালয়ৰ বিপৰীতে ১,২৬৪ জন শিক্ষক আৰু এম ই স্কুলত ৯ হাজাৰ ছাত্ৰ-ছাত্ৰী বিপৰীতে ২৬২ জন শিক্ষকে পাঠদান কৰি আছে। বিশেষকৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়বিলাকত পৰ্যাপ্ত শিক্ষক নথকাৰ বাবেই প্ৰত্যেক বছৰেই নিৰাশজনক ফলাফল লাভ কৰি আহিছে। বিশেষকৈ বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯২৯ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ দহজন শিক্ষক থকাৰ ফলত শ্ৰেণী অনুপাতে এটা শ্ৰেণী খালী থাকে।সমগ্ৰ শিক্ষাৰ নিয়ম মতে ছাত্ৰ অনুপাতে শিক্ষক নিম্ন প্ৰাথমিকৰ ক্ষেত্ৰত ১ঃ৩০, উচ্চ প্ৰাথমিকৰ ক্ষেত্ৰত ১ঃ৪০ আৰু হাইস্কুলৰ ক্ষেত্ৰত ১ঃ৪০ থাকিব লাগে বুলি উল্লেখ আছে যদিও চৰকাৰে নিজে বনোৱা আইন নিজে নমনাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকল বিপাঙত পৰিছে। বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইতিমধ্যে শেষতীয়াকৈ দুবছৰ আগতে চৰকাৰে একাদশ আৰু দ্বাদশ শ্ৰেণীত কলা আৰু বিজ্ঞান শাখা মুকলি কৰিছে যদিও কেৱল পৰ্যাপ্ত শিক্ষক নথকাৰ ফলত আজিলৈ নামভৰ্তি কৰাৰ ব্যৱস্থা কৰিব পৰা নাই। বিধায়ক শ্বেৰমান আলী আহমেদে সমষ্টিৰ বিভিন্ন ধৰণৰ উন্নয়নমূলক কামেৰে নিজৰ কৰ্মপটুতাৰ পৰিচয় দি আহিছে যদিও শিক্ষাৰ দৰে মূল সমস্যা ছাত্ৰ অনুপাতে শিক্ষকৰ অভাৱ পূৰণ কৰিবলৈ চৰকাৰক হেঁচা দি শ'লঠেকত পেলাৰ নোৱাৰাটোও সমস্যা সমাধান নোহোৱাৰ আন এক অন্যতম কাৰণ বুলি ক'ব পাৰি। বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনৰ লগতে সচেতন ৰাইজে বাৰে বাৰে চৰকাৰক ছাত্ৰ অনুপাতে শিক্ষক নিযুক্তিৰ দাবী উত্থাপন কৰি আহিছে যদিও আজিলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। যাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ চৰাঞ্চলৰ বিভিন্ন দল-সংগঠন, ছাত্ৰ-ছাত্ৰীৰ লগতে সচেতন অভিভাৱকসকল চিন্তিত হৈ পৰিছে লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, স্থানীয় বিধায়কৰ লগতে বৰপেটা জিলাৰ আয়ুক্তক চৰাঞ্চলৰ প্ৰতিখন বিদ্যালয়ত শীঘ্ৰে ছাত্ৰ অনুপাতে শিক্ষক নিযুক্তি দিবলৈ দাবী জনাইছে।

## প্ৰতাপী মন্ত্ৰী জয়ন্তমল্লৰ ঘৰৰ কাষৰ গাঁত মাৰিবলৈ অসমৰ্থ গড়কাপ্তানী বিভাগ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৩ এপ্ৰিলঃ** নলবাৰীৰ এটা গুৰুত্বপূৰ্ণ পথেৰে ৰাইজৰ যাতায়াত বিপজ্জনক হৈ পৰিছে। এই পথটো হ'ল নলবাৰী চ'ক বজাৰ-চান্দকুছি বাঁহজানী গড়কাপ্তানী পথ। লক্ষণীয়ভাৱে এই পথটো নিৰ্মাণৰ নামত চাৰি কোটিৰ অধিক টকা খৰচ কৰাৰ পিছতো যাতায়াত উন্নত নহ'ল। ইপিনে উক্ত ব্লক পথটোৰ চান্দকুছি ম'হমৰা পুখুৰীৰ কাষতে হোৱা এটা প্ৰকাণ্ড গাঁতে যাতায়াতৰ ক্ষেত্ৰত চৰম ভাবুকি কঢ়িয়াই আনিছে। প্ৰায় দুই-আঢ়ৈ মাহ ধৰি উক্ত গাঁতত সৃষ্টি হোৱাৰ পিছতো নলবাৰীৰ গড়কাপ্তানী (পথ) বিভাগৰ চকুত নপৰাত ৰাইজ ক্ষোভিত হৈ পৰিছে। প্ৰকাণ্ড গাঁতটোৰ বাবে যাতায়াত ব্যাহত হৈ পৰিছে। বিশেষকৈ চাৰিচকীয়া আৰু চুচকীয়া বাহন অহা-যোৱাৰ ক্ষেত্ৰত চৰম অসুবিধাৰ লগতে ভাবুকিৰ সৃষ্টি হৈছে। কেতিয়া দুৰ্ঘটনা ঘটে তাৰ নিশ্চয়তা নাই। জানিব পৰা মতে গেছ পাইপ বহুওৱা পিছত পথটো উক্ত অংশ বহি যোৱাৰ ফলত উক্ত মৰণফান্দ সদৃশ গাঁতটোৰ সৃষ্টি হৈছিল। গাঁত হৈ পুখুৰী হ'ল। কিন্তু আজিলৈকে গাঁত মৰা নহ'ল। ব্যস্ত পথটোৰ ৰজাদিনীয়া ম'হমৰা



পুখুৰীৰ কাষৰ উক্ত গাঁতটো নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ চান্দকুছিৰ গৃহৰ পৰা ৰিং এটাৰ বাট। এই পথটোৰে মন্ত্ৰীগৰাকী সঘনাই নিজ বাসগৃহলৈ অহা-যোৱা কৰে। তথাপি নলবাৰীৰ গড়কাপ্তানী বিভাগ (পথ) ৰ ভ্ৰক্ষেপ নাই মৰণফান্দ গাঁতটোলৈ। এই ক্ষেত্ৰত ৰাইজে মন্ত্ৰীগৰাকীৰ তৎকালীন হস্তক্ষেপ বিচাৰিছে।

## পেহেলগামত নিহতৰ আত্মাৰ সদগতিৰ অৰ্থে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ, বাঁহজানী, ২৩ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ গুলীত নিহত হোৱাসকলৰ আত্মাৰ শান্তি কামনা কৰি নলবাৰী থানা চ'কত বুধবাৰে গধুলি ৬ বজাত চাকি-বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰাক্তন বিধায়ক অশোক শৰ্মা, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি হালৈ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যনিৰ্বাহক তাইজউদ্দিন আহমেদ, নলবাৰী জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী বিতুমণি দেৱী, ইয়ং ব্ৰাদাৰ চেলৰ সভাপতি পংকজ তালুকদাৰ, টাউন ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি দীপক তালুকদাৰ, পূব নলবাৰী ব্লক কংগ্ৰেছৰ সভাপতি মন্তু মেধি, মহিলা ব্লক কংগ্ৰেছৰ সভানেত্ৰী সবিতা চৌধুৰী, সেৱাদলৰ অধ্যক্ষ ধীৰেন বৰ্মন, যুৱ কংগ্ৰেছৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# পেহেলগাম-কাণ্ডৰ বিৰুদ্ধে খাৰুপেটীয়াত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, খাৰুপেটীয়া, ২৩ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰামাণত ২৮ জনকৈ নিৰীহ লোক নিহত হয়। উক্ত ঘটনাৰ বিৰুদ্ধে আজি সন্ধিয়া খাৰুপেটীয়া নগৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ উদ্যোগত আৰু বিভিন্ন সংগঠনৰ সহযোগত প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰীসকলে পাকিস্তান মূৰ্দাবাদ, পাকিস্তান গ' বেগ, পাকিস্তান হায় হায়, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ জিন্দাবাদ আদি বিভিন্ন শ্ল'গানেৰে খাৰুপেটীয়া নগৰ উত্তাল কৰি তোলাৰ লগতে পাকিস্তান দেশখন মানচিত্ৰৰ পৰা নাইকিয়া কৰিব লাগে বুলি দাবী জনোৱাৰ লগতে ২৮ জনকৈ নিৰীহ লোকক গুলীয়াই হত্যা কৰা সন্ত্ৰাসবাদীসকলক কঠোৰ শাস্তিৰ দাবী জনায়।

# চৰাইদেউত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় বৈঠক জিলা প্ৰশাসনৰ

**ই-সংবাদ, সোণাৰি, ২৩ এপ্ৰিলঃ** চৰাইদেউ জিলাৰ সোণাৰি সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক অসম অসামৰিক সেৱাৰ বিষয়া চৈয়দ মহম্মদ জাহিদ চিষ্টি আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ কোষৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক ভূঞাৰ উপস্থিতিত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত নিৰ্বাচনী ব্যয় সম্পৰ্কীয় ভাৰতীয় নিৰ্বাচন আয়োগ আৰু অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনাসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰাৰ উদ্দেশ্যে জিলাখনৰ অন্তৰ্গত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ বৈধভাৱে মনোনীত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। উল্লেখ্য যে, পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত ধাৰ্য কৰা উৰ্ধতম সীমা জিলা পৰিষদৰ সদস্য পদৰ বাবে একোগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ ক্ষেত্ৰত ১০ লাখ টকা, আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে একোগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ ক্ষেত্ৰত ২.৫ লাখ টকা আৰু গাঁও পঞ্চায়তৰ সদস্য পদৰ বাবে একোগৰাকী প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ ক্ষেত্ৰত ২৫,০০০ টকা। বৈঠকত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলক ইতিমধ্যে প্ৰদান কৰা নিৰ্বাচনী ব্যয় পঞ্জীয়ন পুস্তিকাত নিয়মিতভাৱে আৰু সঠিকভাৱে নিৰ্বাচনী ব্যয়ৰ হিচাপসমূহ অন্তৰ্ভুক্ত কৰি যাবলৈ কোৱা হয়। সময়ে সময়ে এই নিৰ্বাচনী ব্যয় পঞ্জীয়ন পুস্তিকাসমূহ সাধাৰণ পৰ্যবেক্ষক তথা নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক চিষ্টিৰ তত্ত্বাৱধানত নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ কোষৰ দ্বাৰা পৰীক্ষণ কৰা হ'ব বুলিও প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলক অৱগত কৰা হয়। বৈঠকত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলক নিৰ্বাচনী আচৰণ বিধি আৰু নিৰ্বাচন আয়োগে নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত ধাৰ্য কৰি দিয়া সকলো নিয়মাৱলী মানি চলিবলৈ আহ্বান জনোৱা হয়। আজিৰ বৈঠকত জিলা কোষাগাৰ বিষয়া গীতাশ্ৰী বৰা, নিৰ্বাচনী ব্যয় পৰ্যবেক্ষণ কোষৰ সদস্য বিষয়াসকল আৰু জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলক উপস্থিত থাকে।

# আগমনিত আত্মহত্যাত জড়িত আৰক্ষী বিষয়াক গ্ৰেপ্তাৰৰ দাবীত থানা ঘেৰাও

**ই-সংবাদ, গোলকগঞ্জ, ২৩ এপ্ৰিলঃ** ধুবুৰী জিলাৰ আগমনি থানাত কৰ্মৰত অস্থায়ী কৰ্মচাৰী দেৱানন্দ দাসৰ আত্মহত্যাত জড়িত আৰক্ষী বিষয়াক গ্ৰেপ্তাৰ নকৰি ছুটীত প্ৰেৰণ কৰাৰ প্ৰতিবাদত আজি পৰিয়ালৰ লগতে স্থানীয় দল-সংগঠনে আগমনি থানা ঘেৰাও কৰে। জানিব পৰা মতে, আগমনি থানাত অস্থায়ী কৰ্মচাৰী হিচাপে কৰ্মৰত কালডোৱা প্ৰথম খণ্ড গাঁৱৰ মনোৰঞ্জন দাসৰ পুত্ৰ দেৱানন্দ দাসৰ লগত থানাৰ উপ-পৰিদৰ্শক জোনালী দেৱীৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। সময় বাগৰাৰ লগে লগে সম্পৰ্ক যথেষ্ট গাঢ় হৈ পৰে। চৰ্চাৰ বিষয় হৈ পৰে থানাৰ ভিতৰে-বাহিৰে। দিনে-ৰাতি দুয়োকে একেলগে চলা-ফুৰা কৰা প্ৰত্যক্ষ কৰা হয়। দুমাহ পূৰ্বে হঠাতে আৰক্ষী উপ-পৰিদৰ্শক জোনালী দেৱী ঘৰলৈ গৈ এজন আৰক্ষী কনিষ্টবলৰ লগত বিবাহপাশত আবদ্ধ হয়। বিয়াৰ পিছত ঘূৰি আহিও অবৈধ সম্পৰ্ক চলি থকা বুলি অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত খবৰ মতে, ১৬ এপ্ৰিলৰ নিশা দেৱানন্দ আৰু জোনালীৰ প্ৰচণ্ড কাজিয়া হয় আৰু দুয়োৰে মাজত হতাহতি হয়। এটা সময়ত জোনালীয়ে আৰক্ষী কনিষ্টবল শ্যামল চন্দ্ৰ দাস আৰু আছিফ ৰহমানৰ হতুৱাই দেৱানন্দক মাৰপিট কৰে। ঘৰলৈ যোৱাৰ পিছত হীনমন্যতাত ভুগি দেৱানন্দই ছুইছাইড নোট আৰু কিছু আপত্তিজনক ফটো হোৱাটছএপত বিভিন্নজনলৈ প্ৰেৰণ কৰি চিপ লয়। পিছদিনাই পৰিয়ালৰ লোকে ছুইছাইড নোটত উল্লেখ থকা মতে উপ-পৰিদৰ্শক জোনালী দেৱী, কনিষ্টবল শ্যামল দাস আৰু আছিফ ৰহমানৰ বিৰুদ্ধে আগমনি থানাত এজাহাৰ দাখিল কৰে। ঘটনাস্থলীত অতিৰিক্ত আৰক্ষী অধীক্ষক দীপজ্যোতি তালুকদাৰ উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ তিনিওকে ৰিজাৰ্ভ ক্লজ কৰে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আগমনি থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১০৮ নম্বৰ ধাৰাত ৬২/২৫ নম্বৰত এটা গোচৰ ৰুজু কৰে। ৰহস্যজনকভাৱে জামিনবিহীন গোচৰত অভিযুক্ত জোনালী দেৱীক গ্ৰেপ্তাৰৰ পৰিবৰ্তে ধুবুৰী আৰক্ষীয়ে ছুটী মঞ্জুৰ কৰে। আৰক্ষীৰ এনে বৈষম্যমূলক নীতিত স্থানীয় ৰাইজ ক্ষুণ্ন হৈ পৰে। আজি পুৱা ক্ষুব্ধ ৰাইজে হাতে হাতে প্লে'কাৰ্ড লৈ সমদল কৰি আহি আগমনি থানা ঘেৰাও কৰে। উই ৱাণ্ট জাষ্টিচ, হত্যাকাৰীক গ্ৰেপ্তাৰ কৰক, অপৰাধীক শাস্তি দিয়ক, অসম আৰক্ষী মুৰ্দাবাদ, আগমনি পুলিচ হায় হায়, জোনালী দেৱীৰ শাস্তি লাগে আদি ধ্বনিৰে প্ৰতিবাদকাৰীয়ে পৰিবেশ উত্তাল কৰে। গোলকগঞ্জ আৰক্ষী চক্ৰ পৰিদৰ্শক ৰাতুল হালৈ উপস্থিত হৈ আলোচনামৰ্মে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইপিনে ভাৰপ্ৰাপ্ত বিষয়াই নিশা বিভিন্নজনক ফোন কৰি প্ৰতিবাদত অংশগ্ৰহণ নকৰিবলৈ একাংশ সংগঠনৰ নেতাক মেনেজ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ ডেকাৰ সোপাটিলা নীতিৰ বাবেই এনে অনাকাংক্ষিত আৰু অপ্ৰত্যাশিত ঘটনা সংঘটিত হোৱাৰ অভিযোগ তুলিছে। অভিযোগ মতে, এজাহাৰ আৰু কেছ ডায়েৰী বাহিৰা লোকৰ দ্বাৰা লিখাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বাধা-নিষেধ আৰোপ কৰা সত্বেও থানাখনত উপ-পৰিদৰ্শক জোনালী দেৱীৰ কাষত চকীত বহি কেনেদৰে কাৰ্য সম্পাদন কৰি আছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশকো নামানে আগমনি চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই। থানাৰ ভিতৰত সিদিনা যদি দায়িত্বত থকা আৰক্ষী বিষয়া জোনালীক দেৱানন্দই মাৰপিট কৰিছিল আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কিয় নকৰিলে বুলিও প্ৰশ্ন উত্থাপন হৈছে। তেওঁ গ্ৰেপ্তাৰ হ'লে এই অনাকাংক্ষিত ঘটনাটো সংঘটিত নহ'লহেঁতেন বুলি বহুতে মত পোষণ কৰিছে। মৃত্যুৰ পূৰ্বে দেৱানন্দই আপত্তিজনক ফটো ভাইৰেল কৰা বাবে ভাৰপ্ৰাপ্ত বিষয়াই আজি মৃত দেৱানন্দকে প্ৰতিবাদকাৰীৰ সন্মুখত জগৰীয়া কৰিছে। কিন্তু আৰক্ষী বিষয়া জোনালী দেৱী কিদৰে আপত্তিজনক অৱস্থাত দেৱানন্দৰ লগত ভিডিঅ' কল বা আপত্তিজনক ফটো উঠিছিল এই ক্ষেত্ৰত আৰক্ষীয়ে আজিলৈ বিষয়াগৰাকীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ নকৰিলে। আগমনি আৰক্ষী থানাৰ ভিতৰত আৰক্ষী বিষয়াক মাৰপিট, আৰক্ষী বিষয়াৰ প্ৰৱঞ্চনাত আত্মহত্যা আৰু কালি ধুবুৰী আৰক্ষী ছাউনীৰ পৰা আৰক্ষী কনিষ্টবলক টানি আনি একাংশ ৰাইজৰ গণ প্ৰহাৰৰ ঘটনাই ধুবুৰী জিলাত আৰক্ষীৰ ভূমিকাৰ ওপৰত ৰাইজৰ সন্দেহ উপজিছে। এই সমগ্ৰ ঘটনাৰ সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# পলাশবাৰীৰ হাৰ্ভেষ্টলেণ্ড বেভাৰেজেছৰ পেলনীয়া দ্ৰব্য নৈত পেলোৱাত ভুক্তভোগীৰ ক্ষোভ

**ই-সংবাদ, মিৰ্জা, ২৩ এপ্ৰিলঃ** পলাশবাৰী সমষ্টিত চৰকাৰে বিভিন্ন সময়ত স্থাপন কৰিছে বিভিন্ন উদ্যোগ। ইয়াৰ মাজতে কিন্তু একাংশ উদ্যোগৰ মালিক পক্ষই আৰক্ষী প্ৰশাসন তথা একাংশ দালাল, মাফিয়াক হাতত ৰাখি নদ-নদী, বিল পুতি পেলাই নীতি বহিৰ্ভূতভাৱে ৰাইজৰ হ'ব পৰা বিপদ-বিঘিনিৰ প্ৰতি সম্পূৰ্ণ পিঠি দি উদ্যোগ স্থাপন কৰি আহিছে। এই ঘটনাৰ মাজতে পলাশবাৰী ৰাজহ চক্ৰৰ এলেকাৰ মনপুৰ গাঁৱৰ হাৰ্ভেষ্টলেণ্ড বেভাৰেজেছ প্ৰাইভেট লিমিটেড (অন্নপূৰ্ণ) নামৰ উদ্যোগটোৱে অঞ্চলটোত দুৰ্গন্ধ বিয়পাই ৰাইজক অতিষ্ঠ কৰি অহাৰ সময়তে এই উদ্যোগটোৰ পেলোনীয়া দ্ৰব্য জগলীয়া নৈ পেলাই অঞ্চলটোত পুনৰ এক দুৰ্গন্ধ বিয়পাই দিয়াত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। বিশেষকৈ নিশাৰ ভাগত পলাশবাৰীৰ এই উদ্যোগৰ পৰা উদ্যোগটোৰ লোকে প্ৰায় ৭ কিঃ মিঃ দূৰত্বত থকা জগলীয়া পথাৰত এই উদ্যোগটোৱে নিৰ্মাণ কৰি থকা স্থানত এনে ধৰণৰ শ শ পেলোনীয়া দ্ৰব্যৰ বস্তা পেলাই দিয়াত অঞ্চলটোত দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে। ফলত জগলীয়াৰ নৈৰ এই স্থানৰ কাষতে থকা লিটিল এঞ্জেল ইংলিছ স্কুলৰ ছাত্ৰ-ছাত্ৰী,



কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকৰ লগতে তাত থকা দোকান-পোহাৰ, মিৰ্জা-চানডুবি পথেৰে অহা লোকে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। জগলীয়া অঞ্চলটোত এনে দুৰ্গন্ধময় দ্ৰব্য পেলাই ৰাইজক জলা-কলা খুওৱা ঘটনাত আজি ক্ষোভ প্ৰকাশ কৰি লিটিল এঞ্জেল স্কুলৰ অধ্যক্ষ ডাঃ অৰনী দাসে এই দুৰ্গন্ধ বিয়পাই দিয়া উদ্যোগটোৰ মালিকপক্ষৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়। পৰিৱেশ পৰিপন্থী এনে কাম কৰাত তেওঁ এই উদ্যোগটোক গৰিহণা দিয়ে। আনহাতে, এই শিক্ষানুষ্ঠানখনৰ স্বত্বাধিকাৰী মঃ ৰেকৰ্ড আলীয়ে এই কাৰ্যৰ বাবে উদ্যোগটোৰ বিৰুদ্ধে আইনী ব্যৱস্থা হাতত ল'ব বুলি কয়। জ্ঞানপীঠ বঁটা প্ৰাপক মামণি ৰয়ছম গোস্বামীৰ সপোনৰ এই জগলীয়া পথাৰ আৰু নৈখনলৈ নামি অহা এই দুৰ্যোগৰ বাবে তেওঁ দুখ প্ৰকাশ কৰে। লগতে এই জগলীয়া পথাৰত এই উদ্যোগটোৰ কৰ্তৃপক্ষই পেলোনীয়া দ্ৰব্য পেলাই ৰাইজক উশাহ-নিশাহ লোৱাত কষ্ট দিয়া ঘটনাৰ বাবে আৰক্ষী প্ৰশাসনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অন্যথা ৰাইজ, ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগত অঞ্চলটোত প্ৰতিবাদী কাৰ্যসূচীৰ গ্ৰহণ কৰিব বুলি সকিয়াই দিয়ে। উল্লেখ যে, স্থাপন কালৰে পৰা এই উদ্যোগটোৰ মালিক পক্ষই অঞ্চলটোৰ ৰাইজৰ অভাৱ-অভিযোগক অংগুষ্ঠ প্ৰদৰ্শন কৰি মনপুৰ অঞ্চলটোত দুৰ্গন্ধৰ বিয়পাই আহিছে। তেনেক্ষেত্ৰত পুনৰ এই উদ্যোগটোৱে জগলীয়া নৈ আৰু পথাৰত এই দুৰ্গন্ধময় দ্ৰব্য পেলাই ৰাইজক অতিষ্ঠ কৰি আহিছে। এই সন্দৰ্ভত ইতিমধ্যেই লিটিল এঞ্জেল ইংলিছ স্কুলৰ স্বত্বাধিকাৰী মঃ ৰেকৰ্ড আলীয়ে আৰক্ষী প্ৰশাসনক হস্তক্ষেপ গ্ৰহণৰ দাবী উত্থাপন কৰি আহিছে যদিও কামত অহা নাই। সেয়ে পুনৰ আৰক্ষী প্ৰশাসন, প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড, স্থানীয় বিধায়ক, ৰাজহ চক্ৰ বিষয়াৰ কাষ চাপিব বুলি কয় অধ্যক্ষ ডাঃ অৰনী দাস, মঃ ৰেকৰ্ড আলীয়ে।

# তিনিচুকীয়াত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী ৯৪ ৱাৰ্ড, ১০ আঞ্চলিক পঞ্চায়ত সদস্য

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ২৩ এপ্ৰিলঃ** অহা ২ মে'ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে তিনিচুকীয়া জিলাত প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ পৰিছে। শাসনাধিষ্ঠ ভাৰতীয় জনতা পাৰ্টীৰ হৈ স্বয়ং মুখ্যমন্ত্ৰীয়ে ডিগবৈৰ টিংৰাইত নিৰ্বাচনী সভাত অংশ লোৱাৰ বিপৰীতে মূল বিৰোধী দল ভাৰতীয় জাতীয় কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈ প্ৰমুখ্যে নেতাসকলে বিভিন্ন নিৰ্বাচনী সভাত অংশ লৈ ভোটাৰক আকৃষ্ট কৰাৰ প্ৰচেষ্টা চলোৱা দেখা গৈছে। জিলা প্ৰশাসনে ব্যয় নিৰীক্ষণ কোষ, ভিডিঅ' নিৰীক্ষণ কোষ, ভিডিঅ' দৰ্শন কোষ আদিৰ জৰিয়তে প্ৰাৰ্থীসকলৰ নিৰ্বাচনী সভা সমিতি আৰু খৰচৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। প্ৰাৰ্থীসকলৰ প্ৰচাৰ সামগ্ৰীৰো হিচাপ ৰখাৰ লগতে সামাজিক মাধ্যমত প্ৰচাৰিত বিষয়-বস্তু নিৰীক্ষণ কৰি আছে। এইবেলি জিলাখনৰ ২২ টা জিলা পৰিষদ সমষ্টিৰ বিপৰীতে চূড়ান্ত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ সংখ্যা হৈছে ৬৬ জন। ইয়াৰে ইটাখুলিত ১১ জন, মাকুমত ১১, ডিগবৈত ১৩, ডুমডুমাত ৯, মাৰ্ঘেৰিটাত ১১, শদিয়াত ৫ আৰু ছৈখোৱাত ৬ জন প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। শদিয়াৰ এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে দাখিল হোৱা ৩ খন মনোনয়ন প্ৰত্যাহাৰ হোৱাৰ পিছত আৰু ১০ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ইয়াৰ পিছত মুঠ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা হয় ১৯০ জন। ডিগবৈ আঞ্চলিকৰ অধীনৰ ব্ৰহ্মজান, ডুমডুমা আঞ্চলিকৰ বান্দৰখাটি, দীঘলটৰং, দৈদাম আৰু চামডাং, মাকুমৰ গটং, মাৰ্ঘেৰিটাৰ কুমাৰপট্টি, লিডু আৰু ছৈখোৱাৰ ন-বৰমুৰা আঞ্চলিক সদস্য পদৰ একমাত্ৰ প্ৰাৰ্থী কেইগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হয়। ৮৬০ টা গাঁও পঞ্চায়তৰ ৱাৰ্ডৰ বাবে বৈধভাৱে দাখিল কৰা ২,১৫০ খন মনোনয়নৰ ৫৮ খন প্ৰত্যাহাৰ হয়। তদুপৰি ৯৪ টা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত মুঠ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা হয়গৈ ১,৯৯৮ জন। এইসকলৰ মাজত অহা ২ মে'ৰ দিনা নিৰ্বাচন অনুষ্ঠিত হ'ব। বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱা বিষয়টোৱে প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিছে। এতিয়ালৈকে জিলাখনত নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে চলি আছে। কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহবৰ বাবে জিলা প্ৰশাসনে কঠোৰ সতৰ্কতামূলক ব্যৱস্থা গঢ়ি তুলিছে।

# পুৰণিগুদামৰ ৰংগালয়ত মঞ্চস্থ হ'ব 'ছায়াবৃত্ত

**ই-সংবাদ, পুৰণিগুদাম, ২৩ এপ্ৰিলঃ** নিয়মীয়া নাট্যচৰ্চাৰে ৰূপালী জয়ন্তী বৰ্ষত খোজ পেলোৱা অসমৰ এটা প্ৰতিষ্ঠিত নাট্যদল ৰংগালয়ৰ নতুন নাটক 'ছায়াবৃত্ত' অহা ২৭ এপ্ৰিলত মঞ্চায়নৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। নৱপ্ৰজন্মৰ এগৰাকী নাট্যশিল্পী প্ৰহেলিকা বৰাই ৰচনা আৰু পৰিচালনা কৰা এই নাটকখন পুৰণিগুদাম কচুৱালী গাঁৱৰ ৰংগালয় ষ্টুডিঅ' থিয়েটাৰত সন্ধিয়া ৭ বজাৰ পৰা মঞ্চস্থ কৰা হ'ব। নাটকখনত অভিনয় কৰিব লগা শিল্পীসকল ক্ৰমে কিনকিন মহন্ত, আদিত্য কুমাৰ বৰা, সন্দিপ দাস, কৃষ্ণাংগ কুমাৰ বৰা, তুলসী গোবিন্দ শইকীয়া, হিমাগ্ন এইচ বিশ্বজিৎ, হিমাশ্ৰী গায়ন আৰু প্ৰহেলিকা বৰা। পোহৰ পৰিকল্পনা মৃণাল কুমাৰ বৰাৰ। নাটকখনত অভিনয় কৰিব লগা শিল্পীসকলৰ সম্মিলন প্ৰচেষ্টাত আৱহ সংগীতৰ পৰিকল্পনা হৈছে। দৃশ্যসজ্জা পৰিকল্পনা প্ৰহেলিকা বৰাৰ। প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠা নাটকখন সঠিক সময়ত আহি দৰ্শন কৰি শিল্পীসকলক উৎসাহিত কৰিবলৈ ৰংগালয়ে ৰাইজক আমন্ত্ৰণ জনাইছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# পশ্চিম নগাঁৱত গৰুচোৰে প্ৰতিদিনে উদং কৰিছে গোহালি

**ই-সংবাদ, বেবেজীয়া, ২৩ এপ্ৰিলঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলত বিগত এপেযেকমানৰ পৰা ব্যাপকৰূপে বৃদ্ধি পোৱা গৰু চুৰিৰ ঘটনাই গঞা ৰাইজক আতংকিত কৰি তুলিছে। আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি চোৰে সৃষ্টি কৰা এনে এক আতংকময় পৰিস্থিতিৰ মাজতে মঙলবাৰে নিশা পুনৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন চকলাঘাটৰ ব্ৰাহ্মণগাঁও চাৰিআলিৰ সমীপতে থকা এজন লোকৰ ঘৰত সংঘটিত হোৱা অনুৰূপ ঘটনাই গঞা ৰাইজক অধিক আতংকিত কৰি তুলিছে। জানিব পৰা মতে, দেৱজ্যোতি বৰা নামৰ লোকজনৰ গোহালিৰ পৰা প্ৰায় ৫০-৬০ হাজাৰ টকা মূল্যৰ এজনী গাভিনী গাই গৰু নিশা গৃহস্থ শুই থকাৰ সুযোগ লৈ চোৰে চুৰি কৰি নিয়ে। ঠিক সেইদৰে সোমবাৰে নিশা প্ৰতিকুল বতৰৰ সুবিধা লৈ চকলাঘাটৰ বৰডুবিয়া গাঁৱৰ শিৱ দাস আৰু কমল দাসৰ গোহালিৰ পৰা চোৰে নিবিঘ্নে পোৱালিসহ দুজনী খিৰতী গাই চুৰি কৰি নিয়ে। ইয়াৰে শিৱ দাসৰ বৰ্ণ শংকৰ গাই জনীয়ে চাৰিদিনৰ আগতেহে এটি পোৱালি জন্ম দিছিল। সেইদৰে একে নিশাই একেখন গাঁৱৰ ধনিৰাম দাসৰ গোহালিৰ লোৰ গ্ৰীল কাটি এজনী বিদেশী প্ৰজাতিৰ সিন্ধী গাই গোহালিৰ পৰা নি পিছফালৰ বাঁহতলিত বান্ধি ৰাখিছিল যদিও নিবলৈ সক্ষম নহ'ল। তদ্ৰুপ ইয়াৰ মাত্ৰ তিনিদিন পূৰ্বে বৰডুবীয়া গাঁৱৰ সমীপৰে দৰঙীয়াল গাঁৱৰ শ্যাম কাকতি নামৰ কৃষকজনৰ গোহালিৰ তলা কাটি তিনিজনী গাইসহ এটা ডমৰা আৰু এজনী চিকুণ চেউৰী গৰু চোৰে চুৰি কৰি নিয়ে। ইয়াৰে এজনী গাই গৰুৱে মাত্ৰ চাৰিদিন মানৰ আগতেহে প্ৰসৱ কৰিছিল। সেই গৰুজনীকো পোৱালিসহ লৈ যায় চোৰে। পিছে পৰিতাপৰ কথা যে, এইদৰে ধাৰাবাহিকভাৱে গৰু চুৰিৰ ঘটনা সংঘটিত হৈ অহাৰ পিছতো উক্ত গ্ৰামাঞ্চলবোৰত থকা গাঁওৰক্ষী বাহিনীয়ে এইক্ষেত্ৰত নিজৰ দায়িত্ব ৰূপায়ণ নকৰি ৰহস্যজনকভাৱে নিৰৱ ভূমিকাহে পালন কৰি থকা দেখা গৈছে। কেৱল চৰকাৰীভাৱে অহা সা-সুবিধা লোৱাতহে গুৰুত্ব দি অহা গাঁওৰক্ষী বাহিনীৰ এনে ভূমিকাক লৈ ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। গতিকে গাঁওৰক্ষী বাহিনীক সক্ৰিয় কৰি গ্ৰামাঞ্চলবোৰত নিশাৰ ভাগত পহৰাৰ ব্যৱস্থা কৰাৰ লগতে এই গৰু চুৰি ঘটনাৰ লগত জড়িত দুষ্টচক্ৰটোক উৎখাত কৰিবৰ বাবে কাৰ্যকৰী পদক্ষেপ শীঘ্ৰে গ্ৰহণ কৰিবলৈ আতংকগ্ৰস্ত গঞাই আৰক্ষীক দাবী জনাইছে। ইফালে, জাজৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱব্ৰত ফুকনে বিষয়টো গুৰুত্বসহকাৰে লৈ মঙলবাৰ আৰু বুধবাৰে গৰু চুৰিৰ ঘটনাই আতংকিত কৰা অঞ্চলসমূহ পৰিভ্ৰমণ কৰি গাঁও প্ৰধান আৰু গঞা ৰাইজক সাক্ষাৎ কৰি সকলোৰে সহায়-সহযোগিতা বিচাৰি গাঁওসমূহত গঞা ৰাইজক নিশাৰ ভাগত পহৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়।

# নলবাৰীত ভাৰতীয় জনতা পাৰ্টিৰ বৃহৎ যোগদান কাৰ্যসূচী

**ই-সংবাদ, বাঁহজানী, ২৩ এপ্ৰিলঃ** আজি বিয়লি ভাৰতীয় জনতা পাৰ্টীৰ নলবাৰী জিলা কাৰ্যালয়ত জয়ন্ত মল্লবৰুৱা আৰু জিলা সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাৰ উপস্থিতিত কংগ্ৰেছ, অগপ, চিপিএম, অগপ আদিকে ধৰি বিভিন্ন দলৰ নেতা-কৰ্মী, ক্ৰীড়া সংগঠক আদিকে ধৰি পাঁচ শতাধিক নেতা-কৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে। সমাজকৰ্মী জয়ন্ত কুমাৰ ডেকা, কংগ্ৰেছ মিডিয়া চেলৰ প্ৰাক্তন জিলা আহ্বায়ক সৰোজ কুমাৰ ডেকা, কংগ্ৰেছ কৰ্মী আব্দুল হক, অকণ আলী, ব্যৱসায়ী বিকাশ জৈন, ৰাহুল জালান, চিপিএম জিলা কাৰ্যনিৰ্বাহক গৌৰী বৰ্মন, অজিত বৰ্মন, প্ৰাক্তন জিলা সম্পাদক খনীন বৰ্মন, অজিত বৰ্মন, কংগ্ৰেছৰ প্ৰাক্তন জিলা পৰিষদৰ সদস্য অজিত বৰ্মন, বাগেশ্বৰী সংগীত বিদ্যালয় অধ্যক্ষ দিপ্তীমণি দাস, কংগ্ৰেছৰ চম্পা নাথ, সীমান্ত তালুকদাৰ, জ্যোতিষ চৰ্চাবিদ তিলক বৈশ্য, প্ৰাক্তন কংগ্ৰেছ বুথ সভাপতি নূৰ হুছেইন, পশ্চিম বনভাগ আছুৰ মুখ্য সম্পাদক বিদ্যুৎ বিকাশ দাস, ব্লক কংগ্ৰেছৰ প্ৰাক্তন সম্পাদক মীৰ হুছেইন, কংগ্ৰেছৰ বুথ সভাপতি ৰমজান আলী, বীৰ লাচিত সেনাৰ বিকাশ বৈশ্য, বিশ্বজিৎ বৈশ্য, কংগ্ৰেছৰ জ্যেষ্ঠ কৰ্মী হীৰকজ্যোতি তালুকদাৰ, দিগন্ত চৌধাৰী, দেৱজিৎ বৈশ্য, ভৱেশ বৈশ্য, কংগ্ৰেছৰ প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সদস্য ফখৰুদ্দিন আহমেদ, কংগ্ৰেছৰ যুৱ নেতা কংকণ কলিতা, কংগ্ৰেছৰ প্ৰাক্তন যুৱ কংগ্ৰেছৰ মণ্ডল সভাপতি ইয়াছিন আলী, মণ্ডল যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মিৰাজুল ইছলাম, কংগ্ৰেছ কৰ্মী কমলেশ্বৰ হালৈ, প্ৰাক্তন কংগ্ৰেছ বুথ সভাপতি দিলীপ কলিতা, অসম গণ পৰিষদৰ প্ৰাক্তন বুথ সভাপতি বিনয় শৰ্মা, ক্ৰীড়া সংগঠক কেশৱ তালুকদাৰ, আবেদুৰ হক, অগপ, যুৱ পৰিষদৰ সভাপতি গকুল মহন্ত আদিকে ধৰি পাঁচ শতাধিক বিভিন্ন দলৰ নেতা-কৰ্মীয়ে যোগদান কৰে। আজি যোগদান কৰা সকলো কৰ্মীকে শুভেচ্ছা জনাই বিজেপি দলৰ নীতি-আদৰ্শৰ সৈতে সংপৃক্ত হ'বলৈ আহ্বান জনায় মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। জিলা সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱাই নতুনকৈ যোগদান কৰা ব্যক্তিসকলক আদৰণি জনায়।

# পেহেলগাম-কাণ্ডক লৈ বৰপেটাৰোডত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, বৰপেটাৰোড, ২৩ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ ঘটনাৰ বিৰুদ্ধে আজি সন্ধিয়া হিন্দু জাগৰণ অসম বৰপেটা জিলাৰ তৰফৰ পৰা এক প্ৰতিবাদবাদী কাৰ্যসূচী হাতত লোৱা হয়। উল্লেখ্য যে কালি কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে নিৰ্মমভাৱে গুলীয়াই ২৮ জন নিৰীহ লোকক হত্যা কৰাৰ লগতে কেইবাজনো লোকক আহত কৰে। উক্ত ঘটনাৰ প্ৰতিবাদত আজি সন্ধিয়া বৰপেটাৰোডৰ ফ্লাই ওভাৰৰ তলত কেবা শতাধিক হিন্দু জাগৰণ, অসমৰ কৰ্মকৰ্তাৰ লগতে স্থানীয় ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে পাকিস্তান মুৰ্দাবাদ, সন্ত্ৰাসবাদী হায় হায় আদি ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৱে অতি শীঘ্ৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰত চৰকাৰক ব্যৱস্থা লোৱাৰ দাবী জনায়।

# পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে ৰঙিয়াত প্ৰতিবাদ এবিএমছুৰ

**ই-সংবাদ, ৰঙিয়া, ২৩ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বিৰুদ্ধে ৰঙিয়াৰ সমীপৱৰ্তী দ্বাৰকুছিত আজি সন্ধিয়াৰ ভাগত মমবাতি প্ৰজ্বলনৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৱে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে তামুলপুৰ জিলা সমিতিৰ উদ্যোগত দ্বাৰকুছিস্থিত কাৰ্যালয়ৰ সন্মুখৰ ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথত ৰূপায়ণ কৰা হয় উক্ত কাৰ্যসূচী। কাৰ্যসূচীত এবিএমছুৰ সভাপতি টাইছন হুছেইনে অংশগ্ৰহণ কৰি উক্ত বৰ্বৰ ঘটনাৰ বিৰুদ্ধে তীব্ৰ বিযেদগাৰ প্ৰকাশ কৰে। সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হৈ ২৮ জনকৈ ভাৰতীয় পৰ্যটকে অকাল মৃত্যুক সাবটি লোৱা ঘটনাত জড়িতসকলক কঠোৰতকৈয়ো অধিক কঠোৰ শাস্তি প্ৰদানৰ বাবে দাবী উত্থাপন কৰে তাইচন হুছেইনে। এনে ঘটনা সভ্য সমাজৰ বাবে লজ্জাজনক বুলিও কয় হুছেইনে। তামুলপুৰ জিলা সমিতিৰ মুখ্য উপদেষ্টা আফজল আলী, সভাপতি বদৰুদ্দিন খানৰ লগতে উপ-সভাপতি ফিৰদুল ইছলামৰ নেতৃত্বত ৰূপায়িত কাৰ্যসূচীত সংগঠনটোৰ শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। সন্ত্ৰাসবাদী হুচিয়াৰ, সন্ত্ৰাসবাদ নিপাত যাওক আদি শ্লʼগানেৰে উত্তাল কৰি তোলে প্ৰতিবাদ স্থলী। ইয়াৰ পূৰ্বে তামুলপুৰ জিলা কাৰ্যালয়ত মমবাতি প্ৰজ্বলনৰে নিহতসকলৰ আত্মাৰ সদ্গতি কামনা কৰে সংগঠনটোৰ নেতৃবৃন্দই।

# অইল প্ৰজ্ঞান ছুপাৰ-৩০, ডিব্ৰুগড়ৰ ২৮ শিক্ষাৰ্থীৰ জে.ই.ই. মেইনছলৈ যোগ্যতা অৰ্জন

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ এপ্ৰিলঃ** আন এটা গৌৰৱ আৰু প্ৰেৰণাৰ মুহূৰ্তত অইল প্ৰজ্ঞান ছুপাৰ-৩০ত ডিব্ৰুগড়ৰ ছাত্ৰ-ছাত্ৰীসকলে জে ই ই মেইনছ ২০২৫ত ব্যতিক্ৰমী প্ৰদৰ্শন আগবঢ়াইছে, য'ত ৩০ জনৰ ভিতৰত ২৮ গৰাকীয়ে এই সন্মানীয় ৰাষ্ট্ৰীয়পৰ্যায়ৰ পৰীক্ষাত যোগ্যতা অৰ্জন কৰিছে। এই সফলতাই এই পদক্ষেপৰ যাত্ৰাৰ আন এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে, যিয়ে নিৰ্দেশিত মেণ্টৰশ্বিপ আৰু সৰ্বাংগীন শিক্ষাৰ পৰিৱৰ্তনশীল শক্তিক পুনৰ দৃঢ় কৰি তুলিছে। চি এছ আৰ এলে ৰূপায়ণ কৰা অইলৰ এটা ফ্লেগশ্বিপ চি এছ আৰ হস্তক্ষেপ অইল প্ৰজ্ঞান ছুপাৰ ৩০য়ে জে ই ই আৰু এন ই টি পৰীক্ষাৰ বাবে ১১ মাহৰ বিনামূলীয়া আৱাসিক প্ৰশিক্ষণ আৰু শৈক্ষিক মেণ্টৰিং প্ৰদান কৰি মেধাৱী অসুবিধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটায়, বিভিন্ন অভিযান্ত্ৰিক মহাবিদ্যালয় যেনে- আই আই টি, আই এছ এম ধনবাদ, আই আই এছ টি (আই এছ আৰ অ'), আই এছ আই, আই আই এছ ই আৰ, বি টি পাটনা, আই আই টি, যাৰ ফলত সমগ্ৰ দেশৰ আই আই টি আৰু অন্যান্য অভিযান্ত্ৰিক আৰু চিকিৎসা মহাবিদ্যালয় সমূহত নামভৰ্তি সম্ভৱ হয়। বৰ্তমান অভিযান্ত্ৰিক প্ৰৱেশ পৰীক্ষাৰ কোচিং ০৫টা কেন্দ্ৰ অৰ্থাৎ অসমৰ গুৱাহাটী, নগাঁও, আৰু ডিব্ৰুগড়, অৰুণাচল প্ৰদেশৰ ইটানগৰ, আৰু ৰাজস্থানৰ যোধপুৰত প্ৰদান কৰা হয়। আনহাতে, অসমৰ যোৰহাট কেন্দ্ৰত একান্তভাৱে চিকিৎসা প্ৰৱেশ পৰীক্ষা (NEET)ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। ২০১০ চনত এই প্ৰকল্প আৰম্ভ হোৱাৰ পিছৰে পৰা পাঁচটা কেন্দ্ৰত নামভৰ্তি কৰা ১৭৮৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৬৫৪ গৰাকীয়ে ইণ্ডিয়ান মেৰিটাইম ইউনিভাৰ্চিটি (কে অ' এল) আৰু এন আই টি, ৰাজ্যিক অভিযান্ত্ৰিক মহাবিদ্যালয় আদিত নামভৰ্তি লাভ কৰিছে। ২০১৩ চনত আৰম্ভ হোৱা ডিব্ৰুগড় কেন্দ্ৰটোৱে ৩০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক সহায় কৰি আহিছে, ৪৮ জন ছাত্ৰ-ছাত্ৰীয়ে আই আই টিত নামভৰ্তি লাভ কৰিছে আৰু ১১৩ জন ছাত্ৰ-ছাত্ৰীয়ে এন আই টিত নামভৰ্তি কৰিছে। আন বহুতে সুনামধন্য চৰকাৰী প্ৰতিষ্ঠানৰ পৰা অভিযান্ত্ৰিক ডিগ্ৰী লাভ কৰি আছে, যিয়ে কেন্দ্ৰটোৰ সামঞ্জস্যপূৰ্ণ আৰু প্ৰভাৱশালী সাফল্যৰ অভিলেখক উজ্জ্বল কৰি তুলিছে। কাৰ্যসূচীত নামভৰ্তিৰ বাবে দুটা পৰ্যায়ৰ কঠোৰ নিৰ্বাচন প্ৰক্ৰিয়া এটা লিখিত পৰীক্ষা আৰু তাৰ পিছত শৈক্ষিক সাক্ষাৎকাৰ গ্ৰহণ কৰা হয়। প্ৰাৰ্থীসকল ৪ লাখতকৈ কম বাৰ্ষিক আয়ৰ পৰিয়ালৰ হ'ব লাগিব, যাতে সহায় আটাইতকৈ বেছি প্ৰয়োজন হোৱা লোকৰ ওচৰলৈ যায়। কিন্তু অইল প্ৰজ্ঞান ছুপাৰ ৩০ৰ দৃষ্টিভংগী শৈক্ষিক দিশৰ বাহিৰলৈ গৈছে। এই পদক্ষেপে চৰিত্ৰ বিকাশ, আত্ম-অনুশাসন, আৰু নেতৃত্বৰ ওপৰত সমানে গুৰুত্ব আৰোপ কৰে, ছাত্ৰ-ছাত্ৰীসকলক কেৱল শৈক্ষিক উৎকৃষ্টতা লাভ কৰাই নহয়, তেওঁলোকক পৰিৱৰ্তনকাৰী হিচাপেও আত্মপ্ৰকাশ কৰিবলৈ লালন-পালন কৰে। এই ২৮ জন ছাত্ৰ-ছাত্ৰীয়ে ভাৰতৰ প্ৰধান অভিযান্ত্ৰিক প্ৰতিষ্ঠানসমূহৰ এখোজ ওচৰ চাপি অহাৰ লগে লগে তেওঁলোকৰ সফলতাই প্ৰমাণ কৰে প্ৰতিশ্ৰুতি, আৰু গাঁথনিগত নিৰ্দেশনা একেলগে আহিলে কি লাভ কৰিব পাৰি।

# সন্ত্ৰাসবাদক কঠোৰ হাতেৰে দমনৰ আহ্বান প্ৰমোদ বড়োৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৩ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামৰ ঘটনাক তীব্ৰ গৰিহণা দিছে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। চান্দামাৰীৰ নিজ বাসভৱনত আয়োজিত এক সংবাদমেলত প্ৰমোদ বড়োৱে কয় যে সন্ত্ৰাসবাদে কাহানিও সমাজখন ভাল কৰিব নোৱাৰে। এই সময়ত বিটিআৰৰ ৰাইজ ভাৰত চৰকাৰৰ লগত আছে বুলি মন্তব্য কৰি সন্ত্ৰাসবাদ দমন কৰিবলৈ যি সিদ্ধান্ত লয় তাক আমি সমৰ্থন জনাই চৰকাৰৰ সতে থিয় হ'ম বুলি মন্তব্য কৰে প্ৰমোদ বড়োৱে। ভাৰতৰ প্ৰতিজন নাগৰিকৰে সুৰক্ষা লাগে, যি জাতি ধৰ্মৰে নহওক কিয় সুৰক্ষিত হ'ব লাগে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে ভাৰত চৰকাৰে ইয়াৰ বাবে কাম কৰি আছে আৰু তাৎক্ষণিক সিদ্ধান্ত লৈছে। সন্ত্ৰাসবাদে নিজৰ লগতে দেশৰো ক্ষতি কৰি আছে আৰু পাকিস্তানে যিমান চেষ্টা কৰিলেও ভাৰতৰ এক শতাংশও ক্ষতি কৰিব নোৱাৰে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে বৰ্তমান সময়ত ভাৰত আগবাঢ়ি গৈ আছে কিন্তু পাকিস্তান দিনে দিনে পিছপৰি গৈ আছে আৰু তেওঁলোকৰ অৰ্থনীতিও দুৰ্বল হৈ পৰিছে। তদুপৰি সন্ত্ৰাসবাদে যাতে ভাৰতৰ সাধাৰণ নাগৰিকৰ ক্ষতি কৰিব নোৱাৰে তাৰ বাবে সন্ত্ৰাসবাদক কঠোৰ হাতেৰে দমন কৰিবলৈ আহ্বান জনায় প্ৰমোদ বড়োৱে।

# টিহুত নৱগঠিত পঞ্চায়ত দখলৰ বাবে তৎপৰ বিজেপি

**ই-সংবাদ, বৰমা, ২৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। নিৰ্বাচনক লৈ তৎপৰ হৈ পৰিছে শাসকীয় বিজেপি দল। গাঁৱে গাঁৱে নিৰ্বাচনী সভা অনুষ্ঠিত কৰিছে বিজেপিয়ে। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ ৪০ নং কঠালবাৰী বৰজাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ডিপ্তাৰ ১ নং ৱাৰ্ডৰ নিৰ্দলীয় প্ৰাৰ্থী চানতাৰা বেগমৰ হৈ প্ৰচাৰ চলায় শাসকীয় দলটোৱে। প্ৰাৰ্থী চানতাৰা বেগমৰ লগতে আঞ্চলিক পঞ্চায়তৰ সদস্যা বন্দনা ৰাজবংশীই চলায় নিৰ্বাচনী প্ৰচাৰ। ইফালে, ডিপ্তাৰ ২ নং ৱাৰ্ডৰ প্ৰাৰ্থী ৰুমা বেগমৰ হৈ নিৰ্বাচন চলায় দলটোৱে। মধুপুৰ মণ্ডলৰ ডিপ্তাৰ ৫৮ নং আৰু ৬০ নং বুথত অনুষ্ঠিত সভাত শাসকীয় দলৰ নেতা-কৰ্মীৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

# কংগ্ৰেছ-অগপত আউল লগাইছে নিৰ্দলীয় প্ৰাৰ্থী জিতু বৰদলৈয়ে

**ই-সংবাদ, অভয়াপুৰী, ২৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত পঞ্চায়তসমূহত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলোৱাত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। প্ৰাৰ্থীসকলে দল বান্ধি ভোটাৰৰ ঘৰে-ঘৰে গৈ মন আকৰ্ষণৰ চেষ্টা অব্যাহত ৰাখিছে। সমষ্টিটোৰ অন্তৰ্গত তথা সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তৰ অধীনস্থ কলবাৰী পঞ্চায়তত আঞ্চলিক সদস্য পদত তিনিগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। কংগ্ৰেছ দলৰ হৈ গোপাল সৰকাৰ, অগপৰ ৰফিকুল ইছলাম আৰু নিৰ্দলীয় জিতু বৰদলৈয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উল্লেখ্য যে, ধৰ্মীয় সংখ্যাগৰিষ্ঠ ভোটাৰৰ আধিপত্য থকা তথা বিজেপি দলৰ শক্তিশালী ভেটি পঞ্চায়তখনত বিজেপি দলৰ পৰা আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী দিয়াৰ পোষকতা কৰিছিল যদিও তৃণমূল কৰ্মীৰ অসন্তুষ্ট সত্বেও আঞ্চলিক সদস্য পদৰ আসনখন এৰি দিয়ে। এনে পৰিপ্ৰেক্ষিতত অগপ দলে ৰফিকুল ইছলামক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে। এনে অৱস্থাত বহু ক্ষুব্ধ ভোটাৰে বৰদলৈক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাত অগপ দলৰ প্ৰাৰ্থীৰ বিজয় কঠিন হৈ পৰিছে।

# দুধনৈত ২১ সংখ্যক ৰাভা জাতীয় শ্বহীদ দিৱস পালন আৰু স্মৃতিচাৰণ সভা সম্পন্ন

**ই-সংবাদ, ধূপধৰা, ২৩ এপ্ৰিলঃ** ৰাভা জাতীয় সংগ্ৰামত প্ৰাণ আহুতি দিয়া ২৪ গৰাকী শ্বহীদৰ পৱিত্ৰ স্মৃতিত আজি দুধনৈৰ শ্বহীদ নগৰত নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত ২১ সংখ্যক 'ৰাভা জাতীয় শ্বহীদ দিৱস' পালন কৰাৰ লগতে স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত ৰাভা জাতীয় শ্বহীদ দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা দহ বজাত নিখিল ৰাভা ছাত্ৰ সন্থা (আৰছু), নিখিল ৰাভা মহিলা পৰিষদ(এ আৰ ডব্লিউ চি) আৰু ষষ্ঠ অনুসূচী দাবী সমিতি (এছ এছ ডি চি)ৰ সভাপতিত্ৰয় ক্ৰমে মতিলাল ৰাভা, ললিতা ৰাভা আৰু দশানন ৰাভাই পতাকা উত্তোলন কৰে। শ্বহীদ তৰ্পণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। আনহাতে, পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভা আৰু ৰাভা জাতীয় সংগঠনৰ বিষয়ববীয়া তথা শ্বহীদ পৰিয়ালৰ সদস্যসকলেও শ্বহীদ তৰ্পণ কৰে। ইয়াৰ পিছত ৰাভা জাতীয় সংগ্ৰামত প্ৰাণ আহুতি দিয়া ২৪ গৰাকী শ্বহীদ ক্ৰমে অনুকুল ৰাভা, পৱন ৰাভা, ৰবীন্দ্ৰ ৰাভা, সুবান ৰাভা, লবিন উৰাও, পঞ্চমী ৰাভা, কামিনী ৰাভা, পতন ৰাভা, মনোৰঞ্জন ৰাভা, বিচিত্ৰা ৰাভা, নিকন ৰাভা, বিনয় ৰাভা, ধৰণীধৰ ৰাভা, ৰবীন ৰাভা, অমৃত ৰাভা,ঝাৰেবালা ৰাভা, প্ৰফুল্ল ৰাভা, প্ৰবীণ ৰাভা, অলকা ৰাভা, পাতেশ্বৰী ৰাভা, হৰেণ ৰাভা, অমিয়া ৰাভা, ৰবিৰাম উৰাও, ৰমেন ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱনিযুক্ত অধ্যক্ষ সোনাৰাম ৰাভাই। আনহাতে, একে সময়তে শ্বহীদ নগৰৰ ভূমিদাতা ষষ্ঠ অনুসূচী দাবী সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি তথা জাতীয়তাবাদী নেতা প্ৰয়াত গৌৰীশংকৰ ৰাভাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। শ্বহীদসকলৰ পুণ্য স্মৃতিত গছপুলি ৰোপণ কৰে নিখিল ৰাভা ছাত্ৰ সন্থাৰ উপদেষ্টা চিৰাজ ৰংদুং আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ মুখ্য উপদেষ্টা মহীধৰ ৰাভাই। ইয়াৰ পাছতে শ্বহীদ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। ইপিনে, নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল ৰাভা, নিখিল ৰাভা মহিলা পৰিদৰ সভানেত্ৰী ললিতা ৰাভা আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হয় স্মৃতিচাৰণ সভা। সভাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি কয় যে ২০০৪ চনত ৰাভা জাতীয় সংগ্ৰামত অংশগ্ৰহণ কৰা তিনিগৰাকী, ২০১০ চনত এগৰাকী আৰু ২০১৩ চনত ২০ গৰাকী সংগ্ৰামী লোকে নিজৰ জাতিটোৰ বাবে প্ৰাণ আহুতি দি শ্বহীদ হৈছিল। সেই পুণ্যাত্মাসকলে যি লক্ষ্য আৰু উদ্দেশ্য লৈ নিজৰ প্ৰাণ আহুতি দিছিল, সেই উদ্দেশ্য পূৰণ নোহোৱালৈকে শ্বহীদৰ আত্মাই শান্তি নাপায়। সেয়ে ৰাভা জাতীয় সংগঠনৰ মূল দাবী ৰাভা হাছঙক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিকৰণৰ দাবী পূৰণ নোহোৱালৈকে ১৮টাকৈ বিভিন্ন জাতি জনগোষ্ঠীৰে গঠিত ৰাভা হাছং যৌথ এই সংগ্ৰাম সমিতিয়ে সম্মিলিতভাৱে এই সংগ্ৰাম অব্যাহত ৰাখিব। স্মৃতিচাৰণ সভাত শ্বহীদ সকলৰ স্মৃতিত ফাৰকান্তি নৃত্যও প্ৰদৰ্শন কৰা হয়। শ্বহীদ দিৱসৰ স্মৃতিচাৰণ সভাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ তৃতীয়টো কাৰ্যকালৰ বাবে নিৰ্বাচিত প্ৰতিনিধিসকল, কেবাটাও ছাত্ৰ সংগঠনৰ নেতৃবৃন্দ, শ্বহীদ পৰিয়ালৰ ব্যক্তিসকল উপস্থিত থাকে। ইফালে, মঙলবাৰে জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিয়ে টংকেশ্বৰ ৰাভাই।

# টাপাট্টাৰী জিলা পৰিষদত ইউডিএফ প্ৰাৰ্থীৰ সপক্ষে বলিছে বতাহ

**ই-সংবাদ, অভয়াপুৰী, ২৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ আৰু পঞ্চায়ত পৰ্যায়ত বিভিন্ন প্ৰাৰ্থীয়ে চলোৱা নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠা পৰিলক্ষিত হৈছে। নিৰ্বাচনী সভাৰ বিপৰীতে প্ৰাৰ্থী আৰু সমৰ্থকসকলে ঘৰে ঘৰে গৈ প্ৰচাৰ অভিযান চলিছে। সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰঙাপানী জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ ছানিয়াৰা খাতুন, এআইইউডিএফ দলৰ মনিয়াৰা খাতুন আৰু নিৰ্দলীয় প্ৰাৰ্থীৰূপে আবিদা খাতুনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। গৰিষ্ঠসংখ্যক ধৰ্মীয় সংখ্যালঘু ভোটাৰ থকা সমষ্টিটোত অগপ-বিজেপি মিত্ৰজোঁটৰ পৰা কোনো প্ৰাৰ্থী প্ৰক্ষেপ কৰা পৰিলক্ষিত নহ'ল। তদুপৰি সমষ্টিটোত কংগ্ৰেছ, এআইইউডিএফ দুয়োটা দলৰে শক্তিশালী স্থিতি যদিও কংগ্ৰেছ দলৰ প্ৰাৰ্থী বাছনিৰ খাম-খেয়ালি আৰু দলটোৰ প্ৰক্ষেপিত প্ৰাৰ্থী ছানিয়াৰা খাতুনে বিগত পঞ্চায়ত কাৰ্যকালত লেংটিছিঙা পঞ্চায়তৰ সভানেত্ৰী হিচাপে থাকি আঁচনি ৰূপায়ণত চলোৱা দুৰ্নীতিয়ে কংগ্ৰেছ প্ৰাৰ্থীজনৰ বিৰুদ্ধে সৰৱ হৈ আছে ভোটাৰ ৰাইজ। নামমাত্ৰ পঞ্চায়ত সভানেত্ৰী হিচাপে থকাৰ বিপৰীতে পঞ্চায়তখনৰ সৰ্বময়কৰ্তা ৰূপে সভানেত্ৰীৰ স্বামীয়ে সমস্ত কাম পৰিচালনা কৰিছিল। বাট-পথকে ধৰি বিভিন্ন আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ বিপৰীতে নিজৰ গৃহ পঞ্চায়তৰে জানেৰমুখ আদি অঞ্চলৰ বাট-পথৰ কোনো উন্নয়ন নোহোৱাত সভানেত্ৰী হিচাপে বিফলতা প্ৰদৰ্শন কৰি থৈছে। এনে পৰিপ্ৰেক্ষিতত এইবেলি জিলা পৰিষদৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাত কংগ্ৰেছ প্ৰাৰ্থী ছানিয়াৰাৰ দুৰ্নীতি মূল ইছ্যু হৈ পৰিছে। ইয়াৰে পূৰ্ণ সুযোগ গ্ৰহণ কৰি মসৃণ পথেৰে আগবাঢ়িছে এআইইউডিএফৰ প্ৰাৰ্থী আব্দুল মান্নাফে।

# চামগুৰিৰ শিঙিয়াত ৰাইজে ধৰি আৰক্ষীক গতালে চোৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৩ এপ্ৰিলঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত শিঙিয়া অঞ্চলত আজি দিন-দুপৰতে চুৰি কাৰ্য সংঘটিত কৰিবলৈ অহা এজন গভাইত চোৰক হাতে-লোটে স্থানীয় ৰাইজে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। দীৰ্ঘদিন ধৰি গঞ্জৰ গৃহত চুৰি কাৰ্য সংঘটিত কৰি সন্ত্ৰাস চলাই অহা এই গভাইত চোৰটো হৈছে নগাঁও সদৰ ম'হখুলিৰ গুলজাৰ হুছেইন। আজি চামগুৰি থানাৰ অন্তৰ্গত শিঙিয়া মাজগাঁৱৰ গিৰিধৰ ডেকা নামৰ লোকজনৰ গৃহত কোনো নথকাৰ সুযোগত তলা ভাঙি ভিতৰত প্ৰৱেশ কৰিবলৈ ধৰাৰ সময়তেই ওচৰ-চুবুৰীয়াই প্ৰত্যক্ষ কৰি চোৰটোক হাতে-লোটে কৰায়ত্ত কৰে। স্থানীয় ৰাইজে ধৃত গুলজাৰক লপা-থপা দি পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষীক চমজাই দিয়ে। ধৃত গুলজাৰে চামগুৰি অঞ্চলৰ বিভিন্ন স্থানত চুৰি কাৰ্য সংঘটিত কৰিছিল বুলি স্থানীয় ৰাইজৰ ওচৰত স্বীকাৰ কৰিছে। ৰঙালী বিহুৰ সময়তে হেমাৰবড়ি গাঁৱৰ আৰক্ষী বিষয়া প্ৰশান্ত শইকীয়াৰ গৃহত কোনো নথকাৰ সুযোগত দিন-দুপৰতে তলা ভাঙি গৃহত প্ৰৱেশ কৰি বিভিন্ন সামগ্ৰী চুৰি কৰি নিছিল বুলিও ধৃত চোৰটোৱে স্বীকাৰ কৰিছে।

# লাহৰীঘাটত নিয়ন্ত্ৰণ কক্ষ স্থাপন

**ই-সংবাদ, লাহৰীঘাট, ২৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ সময়ছোৱাত জনসাধাৰণে লাহৰীঘাট সমজিলাৰ অধীনৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা বা পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত যিকোনো অভিযোগ দাখিলত সহায় হোৱাকৈ এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। এই নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ হৈছে ৮৮১১৮-৩০২৯৭। এই নম্বৰত যোগাযোগ কৰি জনসাধাৰণে অভিযোগ তথা ওজৰ-আপত্তি দাখিল কৰিব পাৰিব।

# প্ৰতিকূল বতৰ, পৰিৱেশকো নেওচি লোকাৰণ্য নলবাৰী ৰঙালী বিহু সন্মিলনী

**ই-সংবাদ, বাঁহজানী, ২৩ এপ্ৰিলঃ** সাহিত্য-সংস্কৃতিৰ কৰ্ষণৰ পৰম্পৰা এটাক নলবাৰীয়ে তাহানিৰেপৰা আগুৱাই নিছে। নৱদ্বীপত আৱেগ আৰু বিবেকৰ অনন্য সন্তুলন আছে বাবেই বৰ্ষণমুখৰ প্ৰতিকুল পৰিস্থিতিৰ মাজতো আমি ডাঙৰ অনুষ্ঠান আয়োজন কৰিব পাৰো। --এই মন্তব্য নলবাৰীৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। যোৱা নিশা নলবাৰী কলেজ ফিল্ডত আয়োজিত ৩৯ সংখ্যক ৰঙালী বিহু সন্মিলনৰ সামৰণি অনুষ্ঠান সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰি মন্ত্ৰীজনে গৌৰৱেৰে কয় যে এতিয়া নলবাৰীৰ বিহুৱা-বিহুৱতীয়ে অসমৰ যিকোনো প্ৰান্তৰ প্ৰতিদ্বন্দ্বীৰ সৈতে সমানে ফেৰ মাৰিব পাৰে। বিহু বিনন্দীয়া বিশ্ব অভিলেখ গঢ়াৰ সময়ত আমাৰ ভাগত পৰিছিল মাত্ৰ তিনিশ নাচনী। নলবাৰীৰ নাচনী দক্ষতাৰে সমৃদ্ধ নহয় বুলি কোৱাসকললৈ আমাৰ এইবেলি উপহাৰ হৈছে গৰ্ডনত একেলগে তিনি হেজাৰ নাচনীৰ বিহুনৃত্য। যশস্বী নাট্যকাৰ, সাহিত্যিক ধ্ৰুৱজ্যোতি শৰ্মাই আঁতধৰা আৰু বিশাল বিক্ৰম চৌধুৰী আৰু ডাঃ ধ্ৰুৱজ্যোতি ডেকাই সহযোগ কৰা অনুষ্ঠানত ৩৯ সংখ্যক নলবাৰী ৰঙালী বিহুৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে নলবাৰী কলেজ খেলপথাৰ কেৱল এখন ক্ৰীড়াংগন নহয়। এই স্থান হৈছে অঞ্চলটোৰ সাংস্কৃতিক আৰু ঐতিহাসিক গৰিমাৰ এক জ্যোতিষ্ক। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনৰ প্ৰাকক্ষণত লেখক, ঔপন্যাসিক ডাঃ শুভ্ৰ কিংকৰ গোস্বামী, নাট্যকাৰ শ্যাম সুন্দৰ জালান, ডাঃ স্বাগতা বৈশ্য, শিল্পী, উদ্যোগী দিলীপ কুমাৰ দাস, আছুৰ উপ-সভাপতি ভৰজিৎ বেজবৰুৱা, যুৱ ব্যৱসায়ী গোলাম বাবু ক্ৰিবিয়া, সত্ৰাধিকাৰ অপূৰ্ব অধিকাৰী, বিহুৱতী নিপা কলিতা, নলবাৰী উন্নয়ন প্ৰাধীকৰণৰ অধ্যক্ষ বনদ্বীপ ডেকা, নলবাৰী পৌৰসভাৰ সভানেত্ৰী জয়শ্ৰী তালুকদাৰ, বিশিষ্ট সমাজ সংগঠক গণেশ তামুলী, ফুলকন দত্ত আদিক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰতিকুল পৰিস্থিতিতো বিহুৰ পেণ্ডেল ঠাহ খাই পৰা দৃশ্য দেখি বিস্ময়ত অভিভুত হৈ পৰে শিল্পী আচুৰ্য বৰপাত্ৰ গোহাঁই। শিল্পীগৰাকীয়ে জনপ্ৰিয় ৰামচন্দ্ৰ আহিছে গীতটো দুবাৰকৈ গাব লগা হয় দৰ্শকৰ অনুৰোধত। আনহাতে, তুমি নহ'লে এই চহৰত নুফুলে বগেনভিলিয়া গীতৰ ছন্দত প্ৰাণভগা উচ্ছাসেৰে পৰিপূৰ্ণ হৈ পৰে প্ৰেক্ষাগৃহ। বিহুৰ এই সফল সামৰণিৰ বাবে সম্পাদক কমল পাঠকে সমিতিৰ সকলো কাৰ্যকৰ্তা আৰু ৰাইজৰ সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# কলগাছিয়াত চি পি আই এমৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, কলগাছিয়া, ২৩ এপ্ৰিলঃ** বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি কলগাছিয়াস্থিত চি পি আই এমৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰে চি পি আই এমৰ ৰাজ্যিক সভাপতি সুপ্ৰকাশ তালুকদাৰে। কাৰ্যালয় উদ্বোধন কৰি বিজেপি চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰে বাঁওপন্থী নেতাগৰাকীয়ে। তালুকদাৰে কয়, অসমৰ মুখ্যমন্ত্ৰীয়ে ঘৃণাৰ ৰাজনীতি কৰিছে। ঘৃণাৰ ৰাজনীতি বন্ধ নহ'লে দেশৰ উন্নতি সম্ভৱ নহয়। সন্ত্ৰাসবাদৰ ৰাজনীতি আৰু ঘৃণাৰ ৰাজনীতিৰ মাজত কোনো পাৰ্থক্য নাই। লগতে তেওঁ আৰু কয়, দেশৰ পৰা ধৰ্মৰ নামত ৰাজনীতিক বিদায় দিব লাগিব। নহ'লে দেশত শান্তি প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। চি পি আই এমৰ নেতা সুপ্ৰকাশ তালুকদাৰে কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ ভাষাৰে নিন্দা জনায়। লগতে দেশৰ পৰা ঘৃণাৰ ৰাজনীতি আৰু সন্ত্ৰাসবাদৰ ৰাজনীতি শেষ কৰিবলৈ ধৰ্মনিৰপেক্ষ ৰাজনীতি আগুৱাই নিব লাগিব বুলি কয়। লগতে চি পি আই এমক ভাৰতৰ একমাত্ৰ ধৰ্মনিৰপেক্ষ শক্তি বুলি কৈ চি পি আই এমৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। তেওঁ ৮ নং কলগাছিয়া জিলা পৰিষদৰ চি পি আই এমৰ প্ৰাৰ্থী শ্বহিদুল ইছলামৰ লগতে অন্যান্য চি পি আই এমৰ প্ৰাৰ্থীসকলৰ হৈ ভোট বিচাৰে। আজিৰ এই অনুষ্ঠানত চি পি আই এমৰ নেতা আব্দুল আজিজ, চানমামুদ আহমেদ, ছাহজাহান আলী আহমেদ, আবু বক্কৰ ছিদ্দিক, আব্দুল কৰিম উপস্থিত থাকে।

# খলিহৈ গেৰুৱাচুবা প্ৰগতিবাদী সংঘৰ সৌজন্যত ৰঙালী বিহু সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২৩ এপ্ৰিলঃ** দৰং জিলাৰ খলিহৈ সমীপৰ গেৰুৱাচুবা প্ৰগতিবাদী সংঘৰ ৰঙালী বিহু অনুষ্ঠান গেৰুৱাচুবা নামঘৰ প্ৰাংগণত বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণি পৰে। লোকাৰণ্য হৈ পৰে ৰঙালী বিহুস্থলী। গেৰুৱাচুবা প্ৰগতিবাদী সংঘৰ সভাপতি নৰ ৰাজবংশী আৰু সম্পাদক হীৰেন্দ্ৰ ৰাজবংশীয়ে জনোৱা অনুসৰি পুৱা সংঘৰ পতাকা উত্তোলন, বিহুৰ পতাকা উত্তোলনেৰে আৰম্ভ কৰা বিহু সন্মিলনত শ্বহীদ তৰ্পণ, বৃক্ষ ৰোপণ, স্বচ্ছ অভিযান খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিশিষ্ট ব্যৱসায়ী মহেন্দ্ৰ মোহন কলিতাই সাংস্কৃতিক মঞ্চ উদ্বোধন কৰাৰ পিছতে স্থানীয় শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক নৃত্য পৰিৱেশন কৰা হয়। লগতে জেং বিহু, বিহু হুঁচৰি আদি পৰিবেশন কৰা হয়। নিশাৰ ভাগত কমলিকা কাশ্যপৰ আৰু পীয়ুষ কলিতাৰ গীত পৰিৱেশনেৰে সামৰণি পৰে গেৰুৱাচুবা প্ৰগতিবাদী সংঘৰ সৌজন্যত ৰঙালী বিহু। যিসকল পদধূলিৰে বিহুৰ বাকৰি ধন্য হ'ল আৰু গঠনমূলক দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতাৰে বিহু অনুষ্ঠানটি সাফল্যমণ্ডিত হ'ল সদৌটিলৈকে বিহু উদযাপন সমিতিয়ে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# কলগাছিয়াৰ বালাগাঁৱত পথ দুৰ্ঘটনাত স্কুলীয়া ছাত্ৰী নিহত

**ই-সংবাদ, কলগাছিয়া, ২৩ এপ্ৰিলঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালাগাঁৱত বুধবাৰে বিয়লিত এখন ই-ৰিক্সা দুৰ্ঘটনা সংঘটিত হৈ এগৰাকী কণমানি স্কুলীয়া ছাত্ৰী নিহত হোৱা ঘটনাই অঞ্চলব্যাপী শোকৰ ছাঁ বিৰাজ কৰিছে। প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে, বালাগাঁও ক্ষুদ্ৰকুছিৰ ব্ৰাইড ইংলিছ একাডেমীৰ এল কে জিৰ ছাত্ৰী তথা বগুলামাৰী গাঁৱৰ ইমান হুছেইনৰ কন্যা আছিয়া আখতাৰা আহমেদ (৫) বিদ্যালয় ছুটীৰ পিছত এখন ই-ৰিক্সাৰে ঘৰলৈ গৈ থকা অৱস্থাত বালাগাঁও চাৰিআলি চ'কৰ ওচৰলৈ অহাৰ লগে লগে ভঙা ৰাস্তাত জোকাৰণি লাগি ই-ৰিক্সাৰ পৰা শিশুটি ৰাস্তাত পৰি যায় আৰু লগে লগে ই-ৰিক্সাৰ চকা শিশুটিৰ বুকুৰ ওপৰেৰে পাৰ হৈ যায়। ফলত কণমানি শিশুটিৰ অৱস্থা অতি সংকটজনক হৈ পৰে। স্থানীয় ৰাইজ আৰু বিদ্যালয়খনৰ একাংশ শিক্ষকে গুৰুতৰভাৱে আহত শিশুটিক কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়লৈ যায় যদিও চিকিৎসকে শিশুটিক মৃত বুলি ঘোষণা কৰে। ইফালে ঘটনা সংঘটিত কৰিয়েই ই-ৰিক্সাৰ চালকজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে যদিও আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। পথ দুৰ্ঘটনাত এনেদৰে কণমানি শিশুটিৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে কান্দোনত ভাগি পৰিছে পৰিয়ালৰ লোক।

# হাওৰাঘাটত উলহ-মালহেৰে উদযাপন হেঁপাহৰ ৰঙালী বিহু

**ই-সংবাদ, হাওৰাঘাট, ২৩ এপ্ৰিলঃ** চিৰসেউজ কাৰ্বি আংলং জিলাৰ হাওৰাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এদিনীয়া বৰ্ণিল কাৰ্যক্ৰমণিকাৰে আয়োজন কৰিলে হেঁপাহৰ ৰঙালী বিহু। পুৱাৰ ভাগৰে পৰা বিহু পতাকা উত্তোলন, সমৱেত সংগীত, স্মৃতি তৰ্পণ, ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক নৃত্য যেনে বিহু, কাৰ্বি, বড়ো, আদিবাসী আদি সকলো জনগোষ্ঠীৰ নৃত্য প্ৰদৰ্শন। ইয়াৰ সমান্তৰালকৈ অন্যান্য ধৰণৰ খেল-ধেমালি যেনে কুইজ প্ৰতিযোগিতা, সংগীত চকী আৰু কলহ ভঙা, অতিথি আপ্যায়ন আদি কাৰ্যক্ৰম হাতত লোৱা হয়। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি ক্ৰমে কে এ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভৱেশ ৰাজবংশী, আছুৰ সহকাৰী সম্পাদক সুভাষ বৰা, আঞ্চলিক ছাত্ৰ সংস্থা সাধাৰণ সম্পাদক চিন্ময় বৰা, কে চি এছ হাওৰাঘাট সভাপতি ধৰ্মেন ইংতি, হাওৰাঘাট উঃমাঃ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জ্যোতিৰ্ময় খাৰিখাপছা, সদস্য অশোক হাচনু, হাওৰাঘাট নেতাজী ৰেলফেয়াৰ ছ'চাইটিৰ সহকাৰী সম্পাদক হেমন্ত নাথ উপস্থিত থাকে। বিদ্যালয়ৰ বিষয় শিক্ষক ভূপেন্দ্ৰ শৰ্মাই অনুষ্ঠানটোত আগ ধৰি সুচাৰুপে চলাই লৈ যায়। ইফালে অধ্যক্ষ দেৱেন্দ্ৰ শৰ্মাই কুইজ পৰিচালনাত শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে সবিতা সন্দিকৈ, বিউটি দেৱী, জ্যেষ্ঠ শিক্ষক ৰামা শংকৰ গুপ্তা, দীপেন থাউচেন, কৃষ্ণ সাহা, কলহ ভঙা প্ৰতিযোগিতা পৰিচালক ক্ৰমে বিদ্যা ৰংপি, বিক্ৰম টেৰণ, আৰ এ পাৰবীন ,আকাশ বৰদলৈ, হুনমিলি ইংতিপী, বিহু পৰিচালক ক্ৰমে জ্যোতিকান্ত বৰা, উত্তম কুমাৰ দাস, এ কে তামুলী, পতাকা স্থান নিৰ্ধ্বপক বাবন বেজবৰুৱা, খাদ্য বিভাগ বিক্ৰম কুমাৰ চন্দ, মকবুল হুছেইন, হোমেশ্বৰ কলিতা, ৰাজু কেম্প্ৰাই, সহযোগী পৰিচালক ৰবিনছন ইংতি, মমিনুল ইছলাম খান আৰু বহুকেইজন শিক্ষক-কৰ্মচাৰীয়ে সক্ৰিয় সহযোগিতা কৰে।অনুষ্ঠানত উপস্থিত সকলোকে ধন্যবাদ জনায় অধ্যক্ষ দেৱেন্দ্ৰ শৰ্মাই।

# নাজিৰাত দেৱব্ৰত শইকীয়াৰ প্ৰতিকৃতি দাহ আটাছুৰ

**ই-সংবাদ, গেলেকী, ২৩ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। তাৰ আগতেই অসমৰ ৰাজনীতিত এতিয়া লুণ্ডী বিতৰ্ক দেখিবলৈ পোৱা গৈছে শাসক-বিৰোধীৰ মাজত। ৰাজনৈতিক নেতাৰ মুখত এতিয়া যিকোনো ধৰণৰ মন্তব্য সহজলভ্য হৈ পৰা দেখা গৈছে। ৰাজনৈতিক নেতাৰ এনে মন্তব্যক লৈ এতিয়া সংগঠনৰ প্ৰতিবাদ দেখিবলৈ পোৱা গৈছে। বিৰোধী দলপতি তথা নাজিৰা সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক দেৱব্ৰত শইকীয়াই লুণ্ডী সম্পৰ্কত কৰা মন্তব্যক লৈ আজিও অব্যাহত আছে আটাছুৰ প্ৰতিবাদ। যোৱানিশা শিমলুগুৰি আঞ্চলিক সমিতিৰ প্ৰতিবাদৰ পিছতেই আজি দেৱব্ৰত শইকীয়াৰ প্ৰতিকৃতি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে আটাছু নাজিৰা আঞ্চলিক সমিতিয়ে। সংবাদ মাধ্যমৰ আগত আহোম সম্প্ৰদায়ৰ লোকেও লুণ্ডী পিন্ধে বুলি কৰা মন্তব্যৰ পিছতে এতিয়া জাঙুৰ খাই উঠিছে আটাছু। প্ৰতিবাদ সাব্যস্ত কৰি বিধায়কজনৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দিয়ে।

# গোলকগঞ্জত পহেলগাম-কাণ্ডৰ বিৰুদ্ধে গৰিয়া-মৰিয়াৰ প্ৰতিবাদ

**ই-সংবাদ, গোলকগঞ্জ, ২৩ এপ্ৰিলঃ** কাশ্মীৰৰ পহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাৰ প্ৰতিবাদত আজি সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিয়ে গোলকগঞ্জৰ গৌৰাংগ বজাৰত সন্ত্ৰাসবাদীৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। কালি জম্মু-কাশ্মীৰৰ আকৰ্ষণীয় পৰ্যটনকেন্দ্ৰ পহেলগামৰ বাইসাৰণ উপত্যকাত ভয়াৱহ জংগী আক্ৰমণত ২৮ গৰাকী পৰ্যটকে প্ৰাণ হেৰুৱায়। ঘটনাত আন বহু পৰ্যটক গুৰুতৰভাৱে আহত হয়। এই মৰ্মান্তিক ঘটনাৰ প্ৰতিবাদত আজি গোলকগঞ্জৰ গৌৰাংগ বাজাৰত গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিয়ে সন্ত্ৰাসবাদীৰ প্ৰতিমূৰ্তি দাহ কৰে। ঘটনাৰ উচিত প্ৰত্যুত্তৰ দিবলৈ চৰকাৰক আহ্বান জনোৱাৰ লগতে সন্ত্ৰাসবাদী মুৰ্দাবাদ, ইণ্ডিয়ান আৰ্মি জিন্দাবাদ, পাকিস্তান মুৰ্দাবাদ ধ্বনিৰে আকাশ-বতাহ কঁপাই তোলে।




**দুধনৈত ৰাভা জাতীয় শ্বহীদ দিৱস আৰু স্মৃতিচাৰণ সভাত ভাষণৰত টংকেশ্বৰ ৰাভা, ই-সংবাদ, ধূপধৰা**

# 'মৌ বিহু' গীতক লৈ প্ৰতিক্ৰিয়া 'অবিনাশী'ৰ মুখ্য সম্পাদক অবিনাশ বৰাৰ

**ই-সংবাদ, গুৱাহাটী, ২৩ এপ্ৰিলঃ** 'মৌ বিহু' গীতক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অবিনাশী ই-আলোচনীৰ মুখ্য সম্পাদক অবিনাশ বৰাই। 'মৌ বিহু'ৰ কণ্ঠশিল্পী সৃজনী ভাস্বতী মহন্তৰ লগতে গীতটিত অভিনয় কৰা সকলো অভিনেতা-অভিনেত্ৰীক ক্ষমা খুজিবলৈ আহ্বান জনাইছে মুখ্য সম্পাদকগৰাকীয়ে। তেওঁ জনায় যে 'মৌ বিহু' শীৰ্ষক গীতটিৰ দৃশ্যাংশই অসমীয়া ৰাইজৰ আৱেগক অপমান কৰিছে। গীতটোত অসমৰ জাতীয় উৎসৱ বিহুক বিকৃতভাৱে উপস্থাপন কৰাৰ লগতে বিবুক অশ্লীল বিহুত পৰিণত কৰিছে। গীতটো পৰিৱেশন কৰোঁতে অসমীয়া জাতীয় পোচাকৰ পৰিৱৰ্তে আন পোচাক পৰিধান কৰি যি অশ্লীলতাৰে উপস্থাপন কৰিছে, ই অসমৰ জাতীয় উৎসৱ বিহুক অপমান কৰিছে। এনে কাৰ্য কোনোপধ্যেই মানি লোৱা নহ'ব বুলি তেওঁ জনায়। অতি শীঘ্ৰে এনে কাৰ্যৰ ক্ষমা প্ৰাৰ্থনাসহ বিহুক শুদ্ধ ৰূপত উপস্থাপন কৰিবলৈ আৰু অশ্লীলতাৰে উপস্থাপন কৰা গীতটিৰ ভিডিঅ' সামাজিক মাধ্যমত মুকলি কৰিছিল সেই ভিডিঅ' অতি সোনকালে মচি পেলাবলৈ আহ্বান জনাইছে অবিনাশ বৰা তথা অবিনাশী ই-আলোচনীৰ মুখ্য সম্পাদকগৰাকীয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# কাশ্মীৰৰ বাবে এয়া ‘ক’লা দিন’! ক্ৰীড়া জগতত শোকৰ বন্যা

**শ্ৰীনগৰ, ২৩ এপ্ৰিলঃ** পেহেলগামৰ নাৰকীয় হত্যাকাণ্ডক লৈ স্তম্ভিত সমগ্ৰ দেশ। চৰকাৰী তথ্য অনুসৰি এই আক্ৰমণত ২৬ জন পৰ্যটকে প্ৰাণ হেৰুৱাইছে। এই সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে ক্ষোভৰ উদগীৰণ ঘটিছে দেশৰ ক্ৰীড়া জগততো। কাশ্মীৰৰ দুই ফুটবলাৰ মেহৰাজুদ্দিন ৰাড্ডু আৰু ইছফাক আহমেদে এই আক্ৰমণক কাশ্মীৰৰ ইতিহাসত “ক’লা দিন” বুলি অভিহিত কৰে। বৰ্তমান ইছফাকে কাশ্মীৰত ২০ বছৰ অনুৰ্ধ ফুটবলাৰ বাছনিৰ কাম কৰি আছে। তেওঁ কয়, "এই আক্ৰমণ অতি সুপৰিকল্পিত আছিল। লক্ষ্য আছিল পৰ্যটন।" তেওঁ আৰু কয়, "কাশ্মীৰৰ সকলো দোকান বন্ধ। এই কাণ্ডৰ প্ৰতিবাদত সমগ্ৰ ৰাজ্য একত্ৰিত হৈছে।" তেওঁৰ মতে, পৰ্যটন কাশ্মীৰৰ অৰ্থনীতিৰ মেৰুদণ্ড, আৰু এই আক্ৰমণ অৰ্থনীতিক পংগু কৰাৰ প্ৰয়াস। প্ৰশিক্ষক মহম্মদ মেহৰাজুদ্দিনে ছ’চিয়েল মিডিয়াত লিখিছে, "এই কাণ্ড হৃদয়বিদাৰক। ইছলামে এনে বৰ্বৰতাক অনুমতি নিদিয়ে।" তেওঁ কোৰআনৰ উদ্ধৃতি দি কয় যে ইছলাম শান্তিৰ ধৰ্ম। একে সময়তে ৰাষ্ট্ৰীয় ফুটবল দলৰ অধিনায়ক সুনীল ছেত্ৰীয়ে লিখিছে, "মই বাকৰুদ্ধ হৈ পৰিছো। প্ৰাণ হেৰুওৱা প্ৰতিজনৰ পৰিয়াললৈ মই গভীৰ সমবেদনা জ্ঞাপন কৰিছো।" মোহন বাগান ক্লাবে কয়, "আমি মৃতকৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা জনাইছো, আৰু আহতসকল সোনকালে সুস্থ হৈ উঠক।"

# মাজবাটত ছাত্ৰ-জুনিয়ৰ হকীৰ প্ৰস্তুতি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ এপ্ৰিলঃ** অসম হকীয়ে মাজবাট আঞ্চলিক ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত অহা ২৭ এপ্ৰিলৰ পৰা ২৯ এপ্ৰিললৈ ১৫ সংখ্যক সদৌ অসম আন্তঃ জিলা ছাত্ৰ-জুনিয়ৰ (অনুৰ্ধ্ব- ১৬ বছৰ) ছোৱালী হকী প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। ওডালগুৰিৰ মাজবাটৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প খেলপথাৰত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনত এতিয়ালৈকে সোতৰটা দলে যোগদান নিশ্চিত কৰিছে বুলি অসম হকীৰ নৱ নিৰ্বাচিত সভাপতি তপন কুমাৰ দাস আৰু সম্পাদিকা কল্যাণী ডেকাই জানিবলৈ দিয়ে।



পেহেলগাম নৰসংহাৰ! মুম্বাই বনাম হায়দৰাবাদৰ খেলৰ পূৰ্বে এক মিনিট সময় মৌন প্ৰাৰ্থনা দুই দলৰ খেলুৱৈৰ

## পেহেলগামৰ নৰসংহাৰক লৈ শোকাহত সমগ্ৰ ক্ৰিকেট জগত

# পাকিস্তানৰ সৈতে ক্ৰিকেট সম্পৰ্ক ছিন্ন কৰাৰ দাবী ক্ৰিকেটাৰৰ

**নতুন দিল্লী, ২৩ এপ্ৰিলঃ** পেহেলগামত সংঘটিত হোৱা ৰক্তাক্ত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদৰ জোৱাৰ উঠিছে ক্ৰিকেট জগততো। ইজনৰ পিছত সিজনকৈ ক্ৰিকেট জগতৰ তাৰকাসকলে দেশৰ মাটিত নিৰীহ লোকৰ ৰক্তপাতৰ বিৰুদ্ধে মাত মাতিছে। সৌৰভ গাংগুলীৰ পৰা আৰম্ভ কৰি বিৰাট কোহলী, মহম্মদ চিৰাজ, শুভমন গিল, পাৰ্থৰ পেটেল, গৌতম গম্ভীৰ, যুৱৰাজ সিং, কে এল ৰাহুল, মহম্মদ ছামীলৈকে প্ৰায় প্ৰতিগৰাকী বৰ্তমানৰ আৰু প্ৰাক্তন ক্ৰিকেটাৰে কাশ্মীৰৰ এই কাপুৰুষালীক গৰিহণা দিছে।এইবাৰ দেশে ক্ৰিকেট নহয়, বিচাৰিছে উত্তৰ। সেই একে সুৰ কংগ্ৰেছ নেতা ছামা মহম্মদৰ কণ্ঠত শুনা গ’ল। তেওঁৰ স্পষ্ট কথা হ’ল যে আলোচনা, বাণিজ্য, মনোৰঞ্জন দূৰৰ কথা, পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সকলো সম্পৰ্ক আমি সম্পূৰ্ণৰূপে বিচ্ছিন্ন কৰিব লাগিব। এই দাবী সন্দৰ্ভত বিচিচিআইৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ক্ৰিকেট সম্পৰ্ক ছেদ কৰাৰ সিদ্ধান্ত বিচিচিআইৰ নহয়, আইচিচিয়েহে ল’ব। অৱশ্যে শুক্লাই অতি স্পষ্টভাৱে কয় যে ভাৰতে পাকিস্তানৰ সৈতে দ্বিপাক্ষিক শৃংখলা নেখেলে। তেওঁ কয়, "আমি পাকিস্তানৰ সৈতে দ্বিপাক্ষিক শৃংখলা খেলা নাই, আৰু ভৱিষ্যতেও নেখেলো। আইচিচিৰ ইভেণ্টত একো কৰিবলগীয়া নাই, আমি তাত খেলিবলৈ বাধ্য। কিন্তু এতিয়া আইচিচিয়ে কঠোৰ ব্যৱস্থা ল’ব লাগে। কি কৰিব সেয়া তেওঁলোকৰ সিদ্ধান্ত। কিন্তু এইবাৰ তেওঁলোকে দায়িত্ব ল’ব লাগিব।" ইতিমধ্যে এই সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদত বিচিচিআইয়ে এক কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত অনুষ্ঠিত হ’বলগীয়া খেলখনৰ বাবে আতচবাজী প্ৰদৰ্শন বাতিল কৰা হৈছে, কোনো চিয়াৰলিডাৰ নিয়োগ কৰা হোৱা নাই। খেলখনৰ আৰম্ভণিতে দুয়োটা দলৰ ক্ৰিকেটাৰ আৰু আম্পায়াৰে এক মিনিট মৌনতা অৱলম্বন কৰে। ক’লা আৰ্ম বেণ্ড পিন্ধি খেলপথাৰলৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে ক্ৰিকেটাৰসকলে। এই আক্ৰমণক গৰিহণা দি বিচিচিআইৰ সচিব দেৱজিৎ শইকীয়াই কয়, "এই কাপুৰুষালিৰ আক্ৰমণে ক্ৰিকেট ভ্ৰাতৃত্ববোধৰ ওপৰত শোকৰ ছাঁ পেলাইছে। বিচিচিআইয়ে ইয়াক তীব্ৰ গৰিহণা দিছে। প্ৰাণ হেৰুওৱা পৰিয়াললৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। এই কঠিন সময়ত সমগ্ৰ ক্ৰিকেট জগত তেওঁলোকৰ কাষত থিয় দিছে।" এনেদৰে এতিয়া শোকাহত ক্ৰিকেট জগতো।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি